PUBLIC LIBRARY
Section:
Class No: 5 12.44
Serial No:
SHILLONG

শবাইঘাট

[বুবঙ্গীমূলক পঞ্চাঙ্ক নাটক]

REFERENCE
Not to be lent out



শবাইঘাট
PUBLIC LIBRARY
SHILLONG

রচিত—শ্রীরিনন্দচন্দ্র বরুবা বি-এ

প্রকাশক—
রাইড ইণ্ডিয়া কোং
৩, গোবিন্দ বোস লেন.
ভবানীপুর, কলিকতা।

যেরূপ—বাব অমা যাজ

[প্রথম তাড়বণ]

আবাহন আর্ট প্রিন্টার্স
৩, গোবিন্দ বোস লেন—ভবানীপুর,
কলিকতাবপবা মুদ্রিত।

উচৰ্গা

পূজনীয় দেউতা

শ্রীযুত গোলাপচন্দ্র বৰুৱা

দেৱৰ হাতত

'শৰাইঘাট'

অর্পণ কৰিলো।

লেখক—

বিনন্দ

শ্রীযুত গোলাপচন্দ্র বরুয়া

পাতনি

'শৰাইঘাট' নাটখন কলিকতাৰ ৱাইড ইণ্ডিয়া কোম্পানিক প্ৰথম তাড়ৰণ প্ৰকাশ কৰিবলৈ দিয়া হৈছে। নাটখন অসমৰ ভালেমান নাটঘৰে মঞ্চত তুলিছিল, তাৰ বাবে সিসকলক ধন্যবাদ জনাইছো। হাতেলিখা অৱস্থাতে নাটকখন 'আৱাহন'ত প্ৰকাশ কৰা বাবে সুযোগ্য সম্পাদকক আমাৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। যোৰহাট নাট্যঙ্গৰ সৰবৰহী মঞ্চাধ্যক্ষ পূজনীয় দদাইদেউ শ্ৰীযুত বিষ্ণুচন্দ্ৰ বৰুৱা এম-এ, বি-এল দেৱে হাঁও ফুৰাই দিছিল। ইতি—

বিজয়া
অচ্যুত-ভৱন
টীয়ক, অসম।

বিনীত—
লিখক

নাটকৰ ভাৱৰীয়াসকল

পুৰুষ

লাচিত বৰফুকন	অসমীয়া সেনাপতি
পানীফুকন, নিত্যানাৰায়ণ চিত্রসেন, মনোহৰ, মোমাই বৰুৱা	পালী সেনাপতি
বুঢ়াগোহাঁই, বৰগোহাঁই	ভাওৱায়াসকল
ত্রিলোচন	বিশ্বাসঘাতক অসমীয়া
ৰামসিংহ	অম্বৰৰাজ, মোগল সেনাপতি
অন্ধ সৈনিক	
চৈয়দ হাছান, নচৰৎ খাঁ, কিৰাট সিংহ, বাইৰাম দেও, চৰিপ খাঁ, ৰঘুনাথ সিংহ	মোগলৰ পালী সেনাপতি

সনাতন, মাধৱচৰণ, পণ্ডিতৰায়, খালেক, পৃথ্বী সিং, সমুদ্রখৰি,
গড়ত কাম কৰা আৰু অন্যান্য সৈন্যবিলাক, প্রহৰী,
সোন্দৰ, কোমোৰাখোৱা, সভাসদ আদি।

স্ত্রী

লীলা	পানীফুকনৰ জীয়েক
বন্তী	চিত্রসেনৰ জীয়েক

নাচনী আদি।

প্ৰহৰী—দেউতা ঈশ্বৰ! ডেকাটোৱে শত্ৰুক আমাৰ ভিতৰলৈ কথা জনাইছে বুলি সন্দেহ কৰি পানীফুকন দেউতাই ইয়াক আপোনাৰ ওচৰলৈ পঠিয়াই দিছে।

লাচিত—[হুমুনিয়াহ কাঢ়ি, তৰোৱালখন সম্মুখৰ ফালে লাঠী গোৰাদি লৈ নিতানাৰায়ণৰ ভৰিৰপৰা মৰলৈকে চাই মুৰ দুপিয়াই] তই অসমীয়া ডেকা?

নিতা—হয় দেউতা, মই নীচ অসমীয়া ডেকা।

লাচিত—[প্ৰহৰীৰ প্ৰতি] তাক মোকোলাই দে। [প্ৰহৰীয়ে তাকে কৰে] যি সন্দেহত তোক বন্দী কৰিছে, সেই সন্দেহ সঁচা নে?

নিতা—হয় দেউতা সঁচা। মোৰ কিন্তু উদ্দেশ্য আছিল বেলেগ।

লাচিত—তই কি কৰিছিলি?

নিতা—মই মোগল থানাদাৰক আমাৰ ভিতৰলৈ কৌশলবিলাক কৈ দিম বুলি প্ৰতিজ্ঞা কৰিছিলো।

লাচিত—কিয়?

নিতা—সিহঁতে মোক তাহাঁতৰ শিবিৰৰ ওচৰত পাই বন্দী কৰি বধ কৰিম বুলিছিল। আৰু—

লাচিত—আৰু নালাগে,—সেইদেখি তই তোৰ ক্ষুদ্ৰ জীৱনটোৰ বিনিময়ত নিজৰ জাতিক পৰপদদলিত কৰি জন্মভূমিক চিৰকালৰ নিমিত্তে দাসত্বৰ শৃঙ্খলত শৃঙ্খলিত কৰিব খুজিছিলি, নহয়?

নিত্য—একৰকম হয় দেউতা! তাৰ অনুতাপৰ জ্বৰে মোক পুৰি মাৰিছে। কিন্তু মই ভাবিছিলো, অবাবত মোগলৰ হাতত প্ৰাণ দিয়াতকৈ কোনোমতে প্ৰাণ লৈ সাৰি যাও। প্ৰতিজ্ঞা ভঙ্গৰ পৰাচিত মৃত্যুয়েই শ্ৰেয়। ভাবিছিলো, এই মৃত্যু অবাবত হোৱাতকৈ জন্মভূমিৰ হকে যুদ্ধ কৰিয়েই হওক।

লাচিত—প্রতিজ্ঞা ভঙ্গতকৈ মৃত্যু শ্রেয়। মিছাকৈয়ে হলেও দেশৰ অকল্যাণ চিন্তাতকৈ মোগলৰ হাতত প্ৰাণ দিয়া ভাল আছিল।··তোক যদি এতিয়া বধ কৰো?

নিত্য—[আঠু লৈ হাতযোৰ কৰি] তেতিয়াহে মোৰ উপযুক্ত পৰাচিত হব। সঁচা দেউতা, প্ৰতিজ্ঞা ভঙ্গও মোৰ কলঙ্ক। মঙ ডিঙি আগবঢ়াই দিছো, মোক এই কলঙ্কিত জীৱনৰপৰা মুক্তি দিয়ক।

লাচিত—মুক্তি দিম··ইমান সহজে মুক্তি! সি হব নোৱাৰে। তোক বধ কৰি মুক্তি নিদিও। গোটেই জীৱন বন্দী কৰি ৰাখিম। তই আজিৰপৰা জন্মভূমিৰ মুক্তিৰ নিমিত্তে আগ কৰা ধৰি। এইটো তোৰ নতুন জন্ম। বিশ্বাসঘাতকৰ উপযুক্ত শাস্তি। হৈছে নে?

নিত্য—[তলমূৰ কৈ] হৈছে দেউতা।

লাচিত—আজিৰপৰা সকলো সময়তে মোৰ সৈন্যসকলৰ লগত থাকি প্ৰাণপণে মাতৃভূমিক ৰক্ষা কৰাৰ চেষ্টাত থাকিবি।

নিত্য—[সষ্টম হৈ] পাৰিম দেউতা। মই দেৱতাসকলক সাক্ষী কৰি শপত খাইছো, আজিৰপৰা জন্মভূমিৰ নিমিত্তে প্ৰাণপণ কৰিলো।

লাচিত—তোৰ নাম?

নিত্য—মোৰ নাম নিত্যনাৰায়ণ, দেউতা ঈশ্বৰ।

লাচিত—বেছ, পাৰিবি। বাক এতিয়া তইঁত যা। [সেৱা জনাই নিত্য আৰু প্ৰহৰীৰ প্ৰস্থান।] [স্বগতঃ] নাম আৰু চেহেৰাই সজবংশজাত বুলি কয়।··সাধাৰণতে সজবংশত জন্ম গ্ৰহণ কৰি দেশদ্রোহী হোৱা লোক অতি বিৰল। এনে নীচ কাম, যি জন্মস্বত্বত নীচ আৰু যি স্বভাৰতে নীচ, সিহে কৰা বেছি সম্ভবপৰ। সঁচাকৈয়ে যদি সি বিশ্বাসঘাতকেই হয়, তথাপি ভয় কৰা উচিত নহয়। যি শক্তিক তাৰ নিচিনা ক্ষুদ্রপ্রাণী এটাই ধ্বংস কৰিব পাৰে, তেনে শক্তি মোগল সৈন্যৰ সধীনস্থ হোৱাই অনুচিত। [বধুকনে লাহে

লাহে গাব খোজে। বিপৰীত ফালৰপৰা মাধৱচৰণক অহা দেখি উভতি চায়। মাধৱে নমস্কাৰ জনায়।] কি মাধৱ, গড়গাঁৱঁৰ কি সংবাদ ?

মাধৱ—ডাঙৰীয়া ! সকলোৱেই কুশল সংবাদ। স্বৰ্গদেৱে মোগলৰ বন্দী সেনাপতি কিজনক পাই ডাঙৰীয়াৰ শলাগ লৈছে। আৰু কৈছে, শৰাইঘাটৰ সকলো যশ কীৰ্ত্তি ডাঙৰীয়াৰেই। ডাঙৰীয়াই ইন্দ্ৰবংশৰ মান-মৰ্য্যদা অটুট ৰাখিব বুলি স্বৰ্গদেৱৰ দৃঢ়বিশ্বাস হৈছে। যতদূৰ সম্ভৱ আৰম্ভকমতে সৈন্য-সেনাপতি, ৰচদ-পাতি ৰাজধানীলৈপৰা পঠিয়াই থাকিবৰ সজ দিহা হৈছে। এইখন স্বৰ্গদেৱৰ চিঠি আৰু এইখন হেদোং, ডাঙৰীয়াৰ পুৰস্কাৰ। [আগবঢ়ায়]

লাচিত—[আগ্ৰহেৰে দুই হাত পাতি গ্ৰহণ কৰি মুৰত লগায়।] স্বৰ্গদেৱৰ আদেশপত্ৰ আৰু পুৰস্কাৰে লাচিতৰ শৌৰ্য্য-বীৰ্য্য দহগুণে বঢ়াব। যোৱা মাধৱচৰণ, বিশ্ৰাম কৰাগৈ।

[দুয়োৱে দুফালে প্ৰস্থান, বিপৰীত ফালৰপৰা বৈৰাগীৰ বেশেৰে চিত্ৰসেন আৰু হাতত ধৰি গান গাই বন্তীৰ প্ৰবেশ।]

বন্তী—

কিনো বিচাৰি ফুৰ ঘুৰি-ঘুৰি
বলিয়া বৰাগী ঐ, কি হেকৱালি তই !

দেউতা, গ'ক আকৌ। আপুনি কৈছিল নহয় গাম বুলি। আপুনি নাগালে ময়ো নাগাও।

চিত্ৰ—বাক তই আকৌ গা, মই গাম।

বন্তী—কিনো·· কি হেকৱালি তই !

চিত্ৰ—

হাতী হেকৱালো, লিহিৰী বনতে,
ঘোঁৰা হেকৱালো বণত।

পাই হেকৰালো, সৱগৰ মুকুত!
চোতালৰ দুবৰি বনত।*

[চিত্রই বেজাৰ মনেৰে হুমুনিয়াহ কাঢ়ে]

বন্তী—দেউতাই মনটো মাৰি পেলালে। বেয়া পায় যদি নাগাৰ।

চিত্র—নহয় আই, কি বেয়া পাম। কিবা কথা এটা মনত পৰিছে। কুকন ডাঙৰীয়াক নিলগৰপৰা দেখিলোঁহে হয়, তেখেত শিৰিৰলৈ গলেই। যাওঁগে বল, তেখেতৰ বিশ্রামত ব্যাঘাত ঘটোৱা উচিত নহয়। তোৰ গানটো মই বৰ ভাল পাও। গাই গাই গৈ থাকচোন। [দুয়োৰে এখোজ দুখোজকৈ আগৰ দৰে পালে পালে ৰিণিকি ৰিণিকি শুনালৈকে গান গাই প্রস্থান।]

[পট পৰে]

দ্বিতীয় দৃশ্য

[গুৱাহাটী। পানীকুকনৰ ঘৰ। কুকন অকলে তাম্বূলীপাৰাত বহি আছে। ওচৰত তামোল-বটা, কটাৰী, পাণ-তামোল আদি।]

পানীকুকন— [স্বগতঃ] আজি অত দিন এই অসম ৰাজ্যৰ সীমান্তত স্বর্গদেৱৰ আদেশ শিৰোধার্য্য কৰি প্রাণপণে যুদ্ধ কৰিছো। আগৰ প্রধান সেনাপতিসকলৰ এনে আচৰিত ব্যৱহাৰ মই কেতিয়াও দেখা নাই। মোৰ আদেশত বন্দী হোৱা নিত্যনাৰায়ণ মুক্ত ৈ উভতি আহিল। ··সি অনুতাপ কৰি মোক ক্ষমা খুজিলেহি। চন্দ্র, সূর্য্য সাক্ষী কৰি জন্মভূমিৰ নিমিত্তে খাটিবলৈ শপত খালে। ই নিত্যনাৰায়ণৰ অন্তৰৰ দৃঢ় আৰু সত্য প্রতিজ্ঞা

* বন্ধুৰ পার্থিবপ্রসাদ বৰুৱাৰ দ্বাৰা ৰচিত।

নে, মোৰ প্ৰতি বিদ্ৰূপ? কোনে কব? [ভাবি ভাবি] নহয়, ই সত্য। ৰৰফুকনৰ ওচৰলৈ নপঠিওৱাকৈয়ে বিশ্বাসঘাতকক বধ কৰা হলে মোৰ দায় একো নহলহেঁতেন। ··তাৰ সুন্দৰ মুখখনি আৰু সুন্দৰ সুঠাম দেহ দেখি মোৰ মোহ জন্মিল। বধ কৰাই তাৰ উপযুক্ত শাস্তি বুলি জানিও কিবা সুবিচাৰ হব বুলিয়েইহে ৰৰফুকনৰ ওচৰলৈ পঠালো। ·মই যিহকে আশা কৰিছিলো সেয়ে হ'ল। তেন্তে·· নিত্যনাৰায়ণৰ ই মোৰ প্ৰতি বিদ্ৰূপ নহয়। হয় যদিও হ'ক। তাৰ মুক্তত মই সন্তোষ পাইছো।

[লীলাৰ প্ৰবেশ]

লীলা—দেউতা, দেউতা, ৰৰ আনন্দৰ সংবাদ এটা আছে, কম নে?

পানীফুকন—ক লীলা, কি সংবাদ?

লীলা—আপুনি বন্দী কৰি পঠিওৱা ডেকাজনক ফুকন ডাঙৰীয়াই মুক্তি দিলে। ৰৰ ভাল হ'ল নহয় নে দেউতা?

পানীফুকন—কিয় ভাল হ'ল লীলা? সি যে বিশ্বাসঘাতক!

লীলা—নহয় দেউতা, তেওঁক দেখি বিশ্বাসঘাতক যেন নালাগে। এনে ভাল ডেকা মানুহটোক কাটি পেলাবৰ মত যায় নে?

পানীফুকন—আৱশ্যক হলে ৰৰফুকনে মোকো কাটিব। তাতকৈ ধুনীয়া বহুত ডেকাক মই নিজ হাতেৰে বধ কৰিছো।

লীলা—তেন্তে তাক মুক্তি দিলত আপুনি বেয়া পালে?

পানীফুকন—নাই পোৱা বেয়া। বেয়া পোৱাৰ কথা থকা হ'লে তাক ৰৰফুকনৰ ওচৰলৈ নপঠিয়াই ময়ে বধ কৰিলোহেঁতেন।

লীলা—বাক সেইটো ৰৰ ভাল কথা হ'ল। পিছে আপুনি আকৌ যুদ্ধলৈ যাব নহয়, মই কাৰ লগত থাকিম?

পানীফুকন—অত দিন মই যুদ্ধলৈ যাওঁতে যাৰ লগত থাক।

লীলা—সিবেলি আমাৰ পচমী বাই আছিল আৰু সনাতনো আছিল।

পানীফুকন—এই বেলিও তেওঁবিলাকেই থাকিব। ময়ো আহি থাকিম নহয়। মৰিলেহে নাহো।

লীলা—তেনে কথা কেলেই কয়।

পানীফুকন—সেয়া সনাতন আহিবয়ে পায়।

[লীলাই কাণ পাতি শুনি বাহিৰৰ ফালে যায়। নেপথ্যত সনাতনে খঞ্জৰী বজাই ঘোষা গাই গাই আহে।]

নেপথ্যত সনাতন—

"করুণাময় ৰাম করুণাময়।
কৰিয়ো কৃপা যেন উচিত হয়॥
তুমি যে ৰাম ৰসৰ নিধি।
তোমাৰ কৃপা বিনে নাহিকে সিদ্ধি॥
তোমাৰ কৃপালেশে কৰিছো আশ।
অকণ পদতলে দিয়োক বাস॥
সহজে তুমি ৰাম করুণা সিন্ধু।
তোমাত বিনে আন নাহিকে বন্ধু॥
তোমাৰ কৃপালেশে আমাৰ গতি।
কহয় মাধৱ মুকুথ মতি॥"

*　　*　　*　　*　　*

[প্রবেশ]

পানীফুকন—গোৱা গোৱা সনাতন, ৰৱ ভাল শুনিছো।

সনাতন—আপুনিও যেতিয়া ভাল শুনিছে, এই পদ ঘোষাবোৰৰ কিবা কপাল ভাল!

পানীফুকন—কিয় সনাতন?

সনাতন—মানুহ মৰাই যাৰ ব্যৱসায়, সি নিজৰ নিচিনা সুখ-দুখ, মৰম-প্ৰীতি, আশা-আকাঙ্ক্ষাৰে গঠিত সুকোমল সুন্দৰ মানুহৰ বুকুতো তৰোৱালখন সুমাই দিবলৈ পাছ নোহোঁহকে, তেওঁ কেনেকৈ এইবোৰ ভাল পাব পাৰে?

পানীফুকন—জানা সনাতন, সঙ্গীতে শিল গলায়, সঙ্গীতে জীৱন-মৰণ পাহৰাই দিয়ে। এই সঙ্গীতেই আকৌ নিজৰ জন্মভূমিৰ হকে, নিজৰ মান-মৰ্য্যদাৰ হকে প্ৰাণ পৰ্য্যন্ত আগবঢ়াবলৈ উদগাই দিয়ে। এই সঙ্গীতেই যদি নিজৰ প্ৰাণৰ মমতা নাইকিয়া কৰিব পাৰে, তেন্তে পৰৰ প্ৰাণ কোন ছাৰ! সনাতন! ঘোষাটো আকৌ গোৱা।

[সনাতনে গায়]

সনাতন—দেউতা, এটা কথা,—এই বলিয়া ৰবাগীটোক আৰ নামাতিব।

পানীফুকন—কাক? তোমাক?

সনাতন—হৈছে, দেউতা।

পানীফুকন—কিয়?

সনাতন—এইদৰে গীত-পদ মাতি থাকিলে কিজানি দেউতাই কবিবলগীয়া কামো পাহৰি যায়। সেই নিমিত্তেই যদি দেশখন লোকে লৈ পেলায়। উস্, এই গুৱাহাটীখনত কি যে মোগলৰ খুন্দা!

পানীফুকন—ভয় নাই সনাতন, স্বৰ্গদেৱৰ এই হীন ভৃত্যই, জন্মভূমিৰ নিঃকিন সন্তানে, জীয়ন থাকে মানে অন্ততঃ তাৰ কৰ্ত্তব্য নাপাহৰে। পিছে এটা কথা সনাতন।

সনাতন—কোনটো, কক।

পানীফুকন—ধেমালি নহয়, ভালকৈ শুনিবা।

সনাতন—এহ্ এনে কথা কয় নে দেউতা, আপোনৰ মানতহে সনাতনৰ নিচিনা মানুহক অনুগ্রহ দেখুৱাও ধেমালি আৰু তাৰ বুকুত তৰোৱালখন বহুৱাই দিয়াও ধেমালি।

পানীফুকন—[অলপ হাঁহি] বাৰু শুনা, এই মাউৰী ছোৱালীজনী সকৰেপৰা তুমিয়েই ডাঙৰ-দীঘল কৰিলা। মাক নোহোৱাৰপৰা আগেয়ে তাইক তোমাৰ তত্ত্বাৱধানত থৈ নিশ্চিন্ত মনে যুদ্ধক্ষেত্রত কাল কটাইছো। এইবাৰ মোগলৰ লগত আমাৰ ভীষণ যুদ্ধ আগন্তুক। তুমি এইক চাবা সনাতন। আগৰ দৰে আকৌ মোৰ ঘৰতে থাকিবা। যদি যুদ্ধত মৰো তেতিয়া তুমি যি আৱশ্যক কৰিবা। স্বৰ্গদেৱৰ নিঃকিন ভৃত্যৰ চোৱালী বুলি ৰজাঘৰেও নিশ্চয় তাইক চাব।

সনাতন—অ' সেইটো কথা। সেইটোকে নো আৰু কব লাগিছে নে? মোৰ প্রাণ থাকেমানে লীলাই কষ্ট নাপায়, আপুনি অকণিকৈ চিন্তা নকৰিব। আৱশ্যক দেখিলেই আপোনাৰ ঘৰলৈ মই আহো। এতিয়া আপুনি ঘৰতে আছে দেখিছে পংপঙাই ফুৰিছো। [স্বগতঃ] এই দেশভক্ত পানীফুকনেই কেও কিছু নাইকিয়া আধামৰা সনাতনক যুদ্ধক্ষেত্রৰপৰা বুটলি আনি প্রাণদান দি মানুহ কৰিলে। নিজৰ ককাই-ভাইৰ দৰে ব্যৱহাৰ কৰি অতদিন সুখেৰে ৰাখিছে।···এই লীলা। মই নিঠকৰাক ঈশ্বৰে দিয়া জী! তাইক কি সাধ্যে আলাই-আথানি কৰিম।—হে ঈশ্বৰ! তুমি সনাতনক সহায় কৰিবা। সি যেন অকৃতজ্ঞ নহয়। অকৃতজ্ঞতাতকৈ পাপ নাই।

পানীফুকন—কি ভাবিছা সনাতন?

সনাতন—কি ভাবিম আৰু দেউতা,—এই লীলা নে ৰৰদৈচিলাজনীক মই কেনেকৈ ৰাখি ফুৰিম। তাইৰ পাছে পাছে এই হটঙা হাড়কিডালে উৰিব জানো! কটকী হৈ থাকোতে দিল্লীৰ নৱাব পাটচাহসকলৰ ওচৰত

ফুৰিবলৈও যি সনাতনৰ পৰাজয় নাই, সেই সনাতনৰ লীলাৰ ওচৰতে পদে পদে পৰাজয়। [ভিতৰলৈ চাই] লীলা, লীলা, এইফালে আমাক তামোল এখন দিবহি নোৱাৰা নে ?

নেপথ্যত লীলা—ক'তনো বঙাল মাৰাগৈ, ৰবা দিমগৈ।

[লীলাই ওলাই আহি দেউতাকৰ ওচৰৰ বটাৰ তামোল কাটে।]

পানীফুকন—দে আই, মোকো এখন পতহিয়াই দিবি।

সনাতন—মই ভাবিছিলো, কিজানি লীলাই ৰবৈদেচিলা হৈ বিহুৰ বাতৰি উৰা মাৰিয়েই গ'ল।

লীলা—হয় লেখেতিয়া মৰাটোৰ কথাখন। [দুয়োকো তামোল দিয়ে।]

সনাতন—মৰাটোহে হয়। মৰা হলে দেউতাই বুটলি আনিবলৈ নাপায়। বুইছা, আমি বেগতে মৰা নহৈছে। যেতিয়া তোমাক উপযুক্ত এটিৰ হাতত চমৃহাই দি, তোমাৰ শুভবিবাহৰ উদ্দেশ্যে ভালকৈ পাক এটি দিম আৰু জলপান এটি খাম, তেতিয়াহে আৱশ্যক হলে মৰিব পাৰো।

[লীলাই লাজত তলমুৰ কৰি কুঁচিমুচিংপৰে।]

পানীফুকন—তুমি হবলা আৱশ্যক হলেহে মৰা ?

সনাতন—তাৰ আগেয়ে আৱশ্যক হলেও নমৰো। নিয়কচোন বাক চাও, যমে মোক কেনেকৈ নিয়ে।

[পট পৰে]

———

তৃতীয় দৃশ্য

[শৰাইঘাটৰ এক প্ৰান্ত। মোগল শিবিৰৰ ওচৰ। বুঢ়া অন্ধ পথিকে এহাতে লাঠী লৈ এহাতেৰে পুতেক মনোহৰৰ হাতত ধৰি তাৰ পাছে পাছে গান গাই প্ৰবেশ কৰে।]

[অন্ধৰ গীত]

আকাশ পাতাল কেনি লুকাল কেনি হেৰাল জোনৰ মুখ ;
বেলি তৰাৰ কিহৰ ভাগৰ কিহৰ চিন্তা কিহৰ দুখ !
মনৰ মাজৰ মৰম বেথা হিয়াতলিৰ গুপুত কথা ;
জীৱন জুৰি আছে লিখা হৰিল কিয় ধৰাৰ সুখ ?
পোহৰ খেদি আন্ধাৰ আহি হৰিল মুখৰ মধুৰ হাঁহি ;
সৰিল জীৱন ফুলৰ পাহ থাকিল মাথো হিয়াৰ দুখ।

অন্ধ—আৰু কিমান দূৰ মনোহৰ ?

মনোহৰ—ভালেখিনি দূৰ আছে। ব্ৰহ্মপুত্ৰ পাৰ হওঁতেই আমাৰ গধুলি হ'ল। পিতা, আপুনি গীতকে গ'ক বা পুৰণি কথাকে ক'ক, তেতিয়া আমাৰ বাট টুটিব।

অন্ধ—বল বাৰু গৈ থাক।

[দুটা মোগল সৈনিক আৰু হাচানৰ প্ৰবেশ।]

হাচান—ধৰ, ইইঁতক ধৰ। তৰোৱাল থৈ ল। বাধা দিলে বধ কৰিম।

[সৈনিক দুটাই তৰোৱাল থৈ ধৰিবলৈ যায়]

অন্ধ—[হাতৰ লাঠীত বলেৰে ভৰ দি সাজু হৈ জিকাৰি চিঞৰি উঠে।] সাৱধান, দৃষ্টিশক্তি নাই বুলিও শৰীৰৰ শক্তি অটুট আছে।

[সৈনিক দুটা পাছ হোঁংকে]

হাচান—বাধা নিদিবি ! জীয়াই বন্দী কৰিব নোৱাৰিলেও বধ কৰিম।

[এটাই বুঢ়াৰ হাততে ধৰি লাঠী কাঢ়ি আনিবলৈ কঢ়া-আজোৰা লগায়। এটাই মনোহৰক ধৰে। মনোহৰ এৰাই যায়। খেদা-খেদি লাগে।]

হাচান—[স্বগতঃ] কিন্তু বৃদ্ধ যেন মোৰ পৰিচিত। ক'ৰবাত যেন দেখিছিলো !···এওঁ যেন মোৰ বন্ধু ! যেই হ'ক, [ফুটাই] যদি প্ৰাণলৈ অলপো মৰম আছে, ধৰা দে।

[এনেতে হাচানৰ পাছ ফালৰপৰা চিত্ৰসেন বৈৰাগী আৰু অলপ পিছতে জীয়েক বন্তীৰ প্ৰবেশ। হাচানে তত ধৰিব নোৱাৰাকৈ চিত্ৰসেনৰ সৈনিকে থৈ দিয়া তৰোৱাল দুখন লৈ এখন জীয়েকক দিয়ে আৰু আনখন মনোহৰক দিয়ে। সৈনিক দুটাই ঘুৰি তৰোৱাল লৰলৈ গৈ নাপাই হাচানৰ পাছলৈ যায়। চিত্ৰসেনে নিজৰ কাপোৰৰ তলৰপৰা তৰোৱাল উলিয়ায়।]

চিত্ৰসেন—বন্তী, তোক অতদিন তৰোৱাল শিক্ষা দিয়াৰ পৰীক্ষা আজি লম। আৰু ডেকা, তুমি নিজক ৰক্ষা কৰা, মই অন্ধক ৰক্ষা কৰো। চাওঁ, মোৰ প্ৰাণ থাকেমানে কোনে নিৰাশ্ৰয় অন্ধৰ গাত হাত দিয়ে।

হাচান—কোন তই ?

চিত্ৰ—মই এটা সামান্য ৰবাগী।

হাচান—এইটোৱেই হবলা ৰবাগীৰ ধৰ্ম্ম ?

চিত্ৰ—নিৰাশ্ৰয় অন্ধজনৰ প্ৰতি যদি বীৰৰ এই ধৰ্ম্ম, তেন্তে ৰবাগীৰ এই ধৰ্ম্ম হোৱা আচৰিত নহয়।

হাচান—মোৰ সৈনিকক তৰোৱাল ঘুৰাই দিয়া। তাৰ পিছত ৰীতিমতে যুদ্ধ কৰি মই কৰা বন্দীক উদ্ধাৰ কৰা।

চিত্ৰ—যদিও তোমাৰ অন্ধৰ প্ৰতি এই ব্যৱহাৰ উচিত হোৱা নাই, তথাপি তোমাৰ গতি-বিধি আৰু চেহেৰাই বীৰ বুলি চিনাকি দিছে। যুদ্ধ কৰিবলৈ মই প্ৰস্তুত। কিন্তু যুদ্ধৰ আৱশ্যক নাই।

হাচান—যদি এই বৃদ্ধ আৰু ডেকাক মোৰ হাতত গতাই দিয়া, তেন্তে তোমালোকক এৰি দিব পাৰো।

১ম সৈনিক—হুজুৰ! এই ছোৱালীজনীক আমি লৈযে যাম বুলিছো।

[চিত্রসেন আৰু বন্তীয়ে একে সময়তে তৰোৱাল উলিয়াই সৈনিকৰ ফালে চোঁচা লয়। হাচান মাজত সোমায়।]

হাচান—[সৈনিকক] চুপ কৰ নীচ কুকুৰ! আৰু যদি তহঁতৰ মুখত এনে কথা শুনো, কাটি টুকুৰা-টুকুৰ কৰিম।

[সৈনিকে কোঁচমোচ খাই ভেবেকা লাগি ইটোৰ মুখলৈ চাই টিপতে মুখ বিদৰাই মুৰ খজুৱায়।]

চিত্র—বোধকৰো আপুনি সৈন্যাধ্যক্ষ। আপোনাক সুধিব পাৰো নে, এই নিৰীহ দৃষ্টিশক্তিহীন পথিকক বন্দী কৰাৰ কি উদ্দেশ্য?

হাচান—আপোনাৰ অনুমান সত্য। মই সামান্য সৈন্যাধ্যক্ষ মাত্র। এই অন্ধ পথিকক বন্দী কৰা মোৰ কর্ত্তব্য। কাৰণ, সিহঁত অসমীয়া। এইদৰে বহুত অসমীয়া চোৰাংচোৰাই কণা-কুঁজাৰ বেশ ধৰি আমাক ঠগিছে।

চিত্র—এই বৃদ্ধ ভাও ধৰা কণা নহয়। সচাঁকৈয়ে কণা, আপুনি ভাল কৰি মন কৰক। অসমীয়া হলেও তেওঁবপৰা মহাপৰাক্রমী মোগল সম্রাটৰ বিশেষ বিপদৰ সম্ভাৱনা নাই। আপুনি ভাবি চাওক, তেওঁ আপোনালোকৰ প্রজাও হব পাৰে।

হাচান—তেন্তে আপুনি মোক কি কৰ খোজে?

চিত্র—মই মুঠতে এওঁবিলাকক বন্দী কৰিবলৈ নিদিও। আৱশ্যক হলে প্রাণ পর্য্যন্ত দিম। কিন্তু আপোনালোকক মই অনুৰোধ কৰিছো, এই নিৰীহ পথিকক মুক্তি দিয়ক। আপোনাৰ কর্ত্তব্যনিষ্ঠা মই শলাগিছো। ইয়াৰ দ্বাৰা আপোনাৰ কর্ত্তব্যৰ অলপো ব্যাঘাত নহব।

হাচান—তেন্তে আপোনালোক যাওক। শত্ৰু হলেও আপোনাৰ কথাত মোৰ শ্ৰদ্ধা উপজিছে। মই আজি সামান্য সৈন্যাধ্যক্ষ হলেও মোৰ জন্ম হৈছিল এজন স্বাধীন নৃপতিৰ ঔৰসত।·····ডাঙৰীয়া, আপোনাক সুধিব পাৰো নে, এই ছোৱালীটি কাৰ ?

চিত্ৰ—এইটি মোৰেই মাউৰী ছোৱালী। মাক মৰাৰপৰা তাইক মই এইদৰে সদায় লৈ ফুৰো।

হাচান—আপোনাৰ ঘৰ ক'ত ?

চিত্ৰ—বৰ্ত্তমান মোৰ ঘৰ গোটেই অসম দেশ। মোগলৰ যুদ্ধত লাগি থাকোতে মোৰ ঘৰ নাইকিয়া হ'ল। সোণৰ সংসাৰ ছাই কৰি মোৰ সহধৰ্ম্মিনীয়ে মোক এৰি গুচি গ'ল। থাকিল মাত্ৰ কন্যাটি।

হাচান—মই সেই যুদ্ধতে প্ৰাণ লৈ পলোৱা সৈনিক। সেই যুদ্ধৰ পিছত আমাৰ সকলো অস্ত্ৰ-শস্ত্ৰ অসমীয়াই হাত কৰিলে। চৈয়দ ফিৰোজ খাঁ, চৈয়দ চানা. মিৰবকৃচি আদিক সসৈন্যে অসমীয়াই খেদি আনি কেতবিলাকক মানাহৰ মুখত বধ কৰিলে আৰু কেতবিলাকক গড়গাৱঁলৈ বন্দী কৰি পঠালে। মই আৰু ফিৰোজৰ পুতেক পহৰ খাঁ এজন অসমীয়াৰ অনুগ্ৰহত জীৱন লৈ সাৰিলো ; কিন্তু পহৰ খাঁ আকৌ বন্দী হ'ল।

অন্ধ—[চকুথাই] পুৰণি কথা আকৌ মনত পৰিছে। ঠিক সেই ৰণৰ পিছত হাতত পাই দুজন মোগল সৈনিকক মই জীৱন দান দিছিলো। তাৰ ফল স্বৰূপে পিছতে এটা সামান্য মোগলৰ সৈনিকে মোক ধনৰ আশাত বন্দী কৰি একো নাপাই চকু দুটাকে ঘুণীয়া কৰি পঠাই দিলে। সেইদিনাৰপৰাই ক্ৰমে মই বেছি কণা হৈ আছিলো। বৰ্ত্তমান প্ৰায় একেবাৰেই নমনা হৈছো।—হায়! সেই দিনৰ কথা! মনত পৰিলে শৰীৰ নাচি উঠে। হে ঈশ্বৰ! আকৌ কেতিয়া তেনে জয় আমাৰ ভাগ্যত ঘটিব!

চিত্র—[অন্ধৰ প্ৰতি] আপুনি এতিয়া নিচিন্ত মনেৰে যাব পাৰে। [হাচানৰ প্ৰতি] আহক তেন্তে বীৰ, আজি আমি দুয়ো বন্ধুত্বৰ সূত্ৰত আবদ্ধ হওঁ। শত্ৰুভাৱে ৰণ কৰিলেও বীৰধৰ্ম্ম ত্যাগ নকৰি আৱশ্যক হলে পৰস্পৰে পৰস্পৰৰ প্ৰাণ লম; এনেয়ে আমি সহোদৰ স্বৰূপ।

[দুজনে সিজনক সাৱটি ধৰে]

[পট পৰে]

চতুর্থ দৃশ্য

[ৰৰফুকন, পানীফুকন, ৰৰগোহাঁই আদি সেনাপতিসকল, মোমাই বৰুৱা, দুৱৰী, প্ৰহৰী আদি ৰৰফুকনৰ দোপদৰত বহি আছে।]

বুঢ়াগোহাঁই—এই যুদ্ধ নকৰিলে অসমৰ মান নাথাকে; স্বৰ্গদেৱে পৰাপক্ষত যুদ্ধ কৰা নাই। আপোনালোকৰ জনা আছে, চলা জনা স্বৰ্গদেৱৰ পিছতো ৰচিদ খাঁ থানাদাৰে প্ৰীতিৰ চিনস্বৰূপে দোৰ্বেগ আৰু বস্তুমৰেগ উকীলক পঠাই আমাৰ নতুন স্বৰ্গদেৱক সম্মান জনালে। আমাৰ ফালৰপৰাও চন্দ্ৰকন্দলী আৰু সনাতনক পাটচাৰ ওচৰলৈ পঠোৱা হ'ল। সেই পৰ্য্যন্ত সকলো মিত্ৰবৎ চলিয়েই আছিল। পাটচাই কোঁচৰ সীমা পৰ্য্যন্ত আমাৰ দেশ এৰি দিবলৈ আদেশ দি বন্দীবিলাকক গড়গাঁৱঁৰপৰা মুক্তি দিবলৈ জনালে।

নবাব চায়েস্তা খাঁই পণ্ডিত বায়ক পঠাই যতদুৰ সত্তৰ সোনকালে আমি দিবলৈ বাকী থকা তিনি লাখ টকা আৰু নবৈবটা হাতী দিবলৈ অনুৰোধ কৰিলে। আনাৰ পৰম মিত্ৰ বচিদ খাঁৰ সলনি যেতিয়াবপৰাই তেওঁৰ ব্যৱহাৰ স্বৰ্গদেৱে সহিব নোৱাৰা হ'ল। ফলত এই যুদ্ধ। ঈশ্বৰৰ ইচ্ছাত ডেকা বৰফুকনৰ সেনাপতিত্বত কলিয়াবৰপৰা বঙালক খেদি আনি এইখিনি পালোহি। আমি ডেকাফুকনৰ শৌৰ্য্য-বীৰ্য্য নলাগি নোৱাৰো।

বৰফুকন—ডাঙবীয়াসকলৰ আশীৰ্ব্বাদ আৰু সহায়-সাৰথিত হে এইখিনি সত্তৰ হৈছে।

সভাসদ—ডাঙবীয়াসকলে যিহকে কওক লাগে, স্বৰ্গদেৱে ঈশ্বৰে বঙালক জোকাই লৈ ভাল কাম নকৰিলে। সাগৰসঙ্কাশ মোগল সৈন্যক খেদোৱা মুখৰ কথা নহয়। আমাৰ সিমান শক্তিও নাই।

বৰগোহাঁই—আপুনি কোৱা কথা শুনি আমি বেজাৰ পাইছো। ছয় পেচকচ গোটাই প্ৰজাৰ ৰক্ত-মাংস শোহাতকৈ সকলোৰে মৰণহে শ্ৰেয়। স্বৰ্গদেৱে যি কৰিছে ভালকে কৰিছে।

বুঢ়াগোহাঁই—আমিও তাকেহে ভাবো।

মোমাই—হৈছে ডাঙবীয়া! স্বৰ্গদেৱে সজ বিধানকে দিছে।

পানীফুকন—[অলপ উত্তেজিত হৈ] অতি বেজাৰৰ কথা। স্বৰ্গদেৱৰ এটি আদেশ পালন কৰিবলৈ প্ৰতিশ্ৰুত হৈ আহি, কাৰ্য্যস্থলত উচিত অনুচিত বিচাৰ কৰা অতি কাপুৰুষৰ চিন। ডাঙবীয়াসকল! যিজনে আজি এই সভাত বুঢ়াগোহাঁই ডাঙবীয়াৰ যুদ্ধ উচিত নে অনুচিত প্ৰশ্ন কৰিছেহি সেইজনেই গড়গাঁওত স্বৰ্গদেৱৰ আদেশ শিৰোধাৰ্য্য কৰি ইয়ালৈ অহা নাই নে? স্বৰ্গদেৱৰ এই নিঃকিন বন্দীবিলাকেই মোগলক কলিয়াবৰপৰা পদে পদে পৰাজয় কৰি মানাহ পৰ্য্যন্ত খেদি নি সেনা-সেনাপতিবিলাকক বন্দী

কৰা নাই নে? তেন্তে আৰু ভয়ৰ কাৰণ কি? মৃত্যু হয় হওক। সি এদিন আহিবই। লোকে গচকি মৰাতকৈ আত্মঘাতী হোৱাও ভাল। এই শৰাইঘাটত যি যুদ্ধৰ আয়োজন হৈছে, ইয়াত মৰিলেও লাভ, জিনিলেও লাভ।

সভাসদ—ডাঙৰীয়াসকল! মই যুদ্ধ নকৰো বুলি কোৱা নাই, মৰিবলৈও ভয় কৰা নাই। মাত্ৰ মোৰ সন্দেহ বেকত কৰিছো।

ৰৰফুকন—ইয়াত সন্দেহৰ ঠাই নাই। সন্দেহ থাকিলেও যুদ্ধই উপস্থিত কৰ্ত্তব্য। স্বৰ্গদেৱৰ আদেশ শিৰোধাৰ্য্য কৰি প্ৰবীণ যোদ্ধা পানীফুকনৰ দৰে বুকুত আশা-আকাঙ্ক্ষা, শৌৰ্য্য-বীৰ্য্য বান্ধি লৈ আগবাঢ়ক, আমাৰ জয় অৱশ্যম্ভাবী।

মোমাই—ৰৰফুকন ভাগিনে কোৱা কথাই হে সঁ।। আমি তেওঁৰ মতেহে চলা উচিত।

সভাসদ—আমিও তাকে কৰিম বুলিয়েই হে আহিছো। কথাষাৰ অলপ বেসুৰে গ'ল, ডাঙৰীয়াসকলে ক্ষমা কৰিব।

বুঢ়াগোহাঁই—ক্ষমা নকৰি কৰিব কি? ৰৰফুকন ৰৰ সেনাপতিৰ আদেশ বুদ্ধি আৰু পৰামৰ্শমতে আমি সকলো চলি যুদ্ধত জয়লাভ কৰিব লাগিল। আমি তেওঁৰ শৌৰ্য্য-বীৰ্য্য, স্বদেশ-প্ৰেম আৰু কাৰ্য্যদক্ষতাত একান্ত বিশ্বাসী।

ৰৰফুকন—ডাঙৰীয়াসকলৰ অশেষ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰিহে আমি যুদ্ধলৈ আগবাঢ়িছো। গুৱাহাটীত স্বৰ্গদেৱৰ অজ্ঞাতে যি গড় মৰা হ'ল, এই গড়ৰ কাষতে ভাগে ভাগে ডাঙৰীয়াসকলে সৈন্য সমাৱেশ কৰক। তাৰ পিছত আৱশ্যক বুজি বঙালক আক্ৰমণ কৰা হব। মই যুদ্ধক্ষেত্ৰত সৈন্য সমাৱেশ কৰাৰ আঁচনি প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰিছোঁহেই।

বুঢ়াগোহাঁই—তেন্তে আমি নিজ নিজ ঠাইলৈ যোৱাই ভাল।

ৰৰফুকন—ভাল ! [ৰৰফুকন আৰু দুৱৰী প্ৰহৰীৰ বাহিৰে সকলো যায়] বাহিৰত কোন বৈ আছে মাতি আন।

[প্ৰহৰীৰ প্ৰস্থান]

[ৰৰফুকনে ইতিমধ্যে হাতৰ মুঠিত থকা মানচিত্ৰ মেলি চায়। প্ৰহৰীয়ে চিত্ৰ, মনোহৰ আৰু বন্তীৰ সৈতে সোমাই আহিলত মানচিত্ৰ মেৰাই থৈ তেওঁবিলাকলৈ চায়। সকলোৱে ৰৰফুকনক মুৰ দোৱাই সন্মান দৰ্শায়।] কোন তোমালোক ? [চিত্ৰলৈ চাই] এওঁক চিনি পাওঁ যেন লাগিছে।

চিত্ৰ—ৰৰফুকন ডাঙৰীয়াই মোক চিনি পাবই লাগিছিল। শাৰীৰিক আৰু মানসিক কষ্টত দেহৰ গঠন পৰ্য্যন্ত পৰিবৰ্ত্তন হোৱাত ৰৰফুকন ডাঙৰীয়াই চিনি নোপোৱা একো আচৰিত নহয়। ডাঙৰীয়া ! সিও এদিন ইও এদিন। আপুনি গড়গাৱঁত থাকোতে বঢ়াগোহাঁই ডাঙৰীয়াৰ সেনাপতিত্বত এদল অসমীয়া সৈন্য কলিয়াবৰৰ ফালে ৰাওনা কৰা কথা মনত থাকিব পায়। সেই সৈন্যদলে পাৰদৰ্শিতা দেখুৱাই স্বৰ্গদেৱক সেৱা জনাওতে যিজন সৈনিকৰ ওপৰত বিশেষ চকু পৰি ডাঙৰীয়াই স্বৰ্গদেৱক জনাই পালী সেনাপতিৰ বাব দিয়াইছিল. সেই সৈনিক এই নিঃকিনেই।

ৰৰফুকন—[আচৰিত হৈ] তুমি চিত্ৰসেন সেনাপতি ?

চিত্ৰসেন—ডাঙৰীয়াই ধুলিছে যদিও সিমান সত্য নহয়। কাৰণ, এইটো চিত্ৰসেন সেনাপতিৰ কঙ্কাল মাত্ৰ।

ৰৰফুকন—তোমাক আকৌ দেখিবলৈ পাম বুলি নাভাবিছিলো চিত্ৰ ! তুমি আকৌ ৰাজধানীলৈকে ঘুৰি নগলা কিয় চিত্ৰ ?

চিত্ৰ—ঘুৰি যাবলৈ থাকিল কি ? কলিয়াবৰপৰা বঙালক খেদি নিওতে চকুৰ আগতে শত্ৰু সৈন্যই মোৰ ঘৰত জুই লগাই থৈ যোৱা দেখিলো। তথাপি মনত বিষাদ নাই ; কাৰণ, পদে পদে আমাৰ হাতত শত্ৰু সৈন্যৰ

পৰাজয় হ'ল। মানাহলৈকে শত্রু সৈন্যক পোৱা নি সেনাপতিবিলাকক বন্দী কৰিলো। শেষত সিইতৰ গুলী এটা মোৰ কণ্ঠনালৰ ওচৰেদি সৰকি গ'ল। অচেতন অৱস্থাত মোৰ কি হ'ল কব নোৱাৰিলো। তাৰাঘাটীত আহি জ্ঞান পাই লাচলিকৈ কলিয়াবৰত মোৰ পোৱা ঘৱণন বিণাৰি গলো। কিন্তু পোৱা ভেটিত আপোন বুলিবলৈ কাকো নাপালো। মোৰ গৰিমী তিৰোতা আৰু একমাত্ৰ কন্যা সন্তান কলৈ গ'ল, তাৰ একো ওৰ নাপালো। দুখত অনাই-বনাই ফুৰি, নিকিৰ পৰ্ব্বতত সৰুবেপৰা আমাৰ ঘৰত থকা নিকিৰ বুঢ়াটিৰ ঘৰ উলিয়াই তাতে মোৰ ছোৱালীটি পালো। সি মৰমক ছোৱালীটিক পোহপাল দিছিল। মাকৰ কথা একো কব নোৱাৰিলে। অনেক দিন সিও বিচাৰিছিল। বৰ্ত্তমান মোৰ একো নাই! এই ছোৱালীটিয়েই একমাত্ৰ সম্বল। তাইকে অস্ত্ৰ-শস্ত্ৰ চালনাত পটু কৰি লৈ ফুৰিছো। শুনিলো, ডাঙৰীয়াৰ নেতৃত্বত শৰাইঘাটত মোগলৰ সৈতে আকৌ ভয়ঙ্কৰ যুদ্ধৰ আগন্তুক হৈছে। বঙালৰ ওপৰত প্ৰতিশোধ লৈ তাহাতৰ তেজেৰে মোৰ প্ৰাণ স্বৰূপা পত্নীৰ পিণ্ড দি মৃত্যু বৰণ কৰিবলৈ লৰি আহিছো। কণ্ডক ডাঙৰীয়া, মোক গ্ৰহণ কৰিব নে নকৰে?

বৰফুকন—উত্তেজিত নহবা চিত্ৰ। ই সংসাৰৰেই নিয়ম। আকৌ সকলো পাহৰি তুমি জন্মভূমিৰ হকে যুদ্ধ কৰা। তোমাক এদল সেনাৰ নায়ক পাতি অতি আৱশ্যকীয় ঠাইত স্থাপন কৰিম। মোৰ বিশ্বাস হৈছে, তুমি মাতৃভূমি ৰক্ষাকাৰ্য্যত বিশেষ সহায় কৰিব পাৰিবা। তোমাৰ লগৰ আৰু কাৰবাৰ কিবা বাতৰি পোৱা নে?

চিত্ৰ—বিশেষ কাৰো নাপাওঁ। সেই একেখন যুদ্ধতে চকুৰ দৃষ্টি হেৰুৱাই কষ্ট পোৱা দুৰ্ভগীয়া বৃদ্ধ এজনক তেওঁৰ এই ডেকা পুতেকৰ সৈতে [মনোহৰক দেখুৱাই] আহোতে এজন মোগল চৰ্দাৰে সৈনিক দুজনৰ সহায়েৰে বন্দী কৰিব খুজিছিল। ভাগ্যক্ৰমে আমি উপস্থিত হোৱাত উদ্দেশ্য সিদ্ধি

নহল। মোগল চন্দাৱতনো সেই একেখন যুদ্ধৰপৰা প্ৰাণ লৈ সাৰি অহা সৈনিক।

ৰৰফুকন—বৃদ্ধ এতিয়া ক'ত ?

চিত্ৰ—বুঢ়া মানুহ, ৰৰ ভাগৰ লগা যেন দেখি এজন বিষয়াৰ ঘৰত থৈ আহিছো।

ৰৰফুকন—এওঁবিলাকক উপযুক্ত স্থানত ৰাখিব লাগিব। এই ডেকাক তোমাৰ দলতে লৰা। তোমাৰ ছোৱালীটিৰ কি কৰিবা ?

চিত্ৰ—পানীফুকন ডাঙৰীয়াৰ ছোৱালীটিৰ লগৰীয়া কৰি দি নিশ্চিন্ত হম। তেখেত মোৰ পিতৃতুল্য।

ৰৰফুকন—প্ৰহৰী ! এওঁবিলাক সকলোৰে থকা-মিলাৰ ব্যৱস্থা কৰি দি ছাউনিত থৈ আহাগৈ। তোমালোক তেন্তে যোৱা।

[ৰৰফুকনৰ এফালে আৰু আনবিলাকৰ এফালে প্ৰস্থান]

[পট পৰে]

পঞ্চম দৃশ্য

[পানীফুকনৰ টোল, নিত্যই থিয় হৈ অপেক্ষা কৰিছে]

নিত্য—[স্বগতঃ] দেশৰ নিমিত্তে সৰ্ব্বস্ব উচৰ্গা কৰি কৰি সন্তোষ লাভ কৰা পানীফুকনৰ টোল এয়েই। ই এনেয়ে পৱিত্ৰ। ধন্য পানীফুকন,

তোমাৰ জীৱন ধন্য। অসমীয়া সৈন্যৰ মাজত তোমাৰ শক্তি অসীম। বলসত প্ৰবীণ যদিও যুদ্ধৰ সময়ত চফল ডেকা। কৰ্ম্মই যেতিয়া ডাকেন, কৰ্ম্মৰ সময়ত যুবক হোৱাৰ নিমিত্তে তুমি এতিয়াও যুবক। নৱনাৰায়ণৰ বংশত জন্মগ্ৰহণ কৰি আন নহলেও গুণীৰ গুণ লক্ষ্য শক্তি এই অধমৰ গাত আছে। হে ঈশ্বৰ! [হাঁতযোৰ কৰি] হয় তুমি শান্তিময় মৃত্যু দিয়া, নহয় মোৰ প্ৰতিজ্ঞা ৰক্ষা কৰি মানুহৰ দৰে মানুহ হবলৈ শক্তি দিয়া। [অলপ ইফাল সিফাল কৰি] আৰু লীলা! এদিনতে কি মোহেৰে জয় কৰিলা মোৰ এই কঠুৱা প্ৰাণ। [নেপথ্যত লীলাৰ গীত আৰম্ভ হয়] মই বুজিব পৰা নাই, কিহে মোক আজি ইয়ালৈ টানি আনিছে!

নেপথ্যত লীলাৰ গীত—[গীত ক্ৰমে ওচৰ চাপি আহিছে]

চাচোন লাংৰী　　আহেনে মাধৰী
ক'লীয়া কটকী লৈ;

বোলাই সেউজীয়া　　ফাগুনী বলীয়া
বাসন্তী বাতৰি কৈ।

কেতেকী সঁফুৰা　　উৰি ঘুৰি ফুৰা
চাপিলে চিকুণি হৈ,
কিনো অমিয়া ঐ!

মন উৰণীয়া　　অলিয়া বলীয়া
চিতো নাথাকে বৈ,
মায়াই মোহিলে ঐ!

নিত্য—কি সুন্দৰ সুকোমল কণ্ঠৰ শুৱলা গীত! মোৰ উপস্থিতিয়ে সঙ্গীতত বাধা দিয়াতকৈ মোৰ অনুপস্থিতি শতগুণে মঙ্গলজনক। আঁতৰ হওঁ। তেওঁৰ সঙ্গীত শেষ হওক। [নিত্য লুকায়। বিপৰীত ফালৰপৰা লীলাই তৰোৱালেৰে সৈতে ফাকটো লৈ আহে আৰু একান্ত মনে ফাকত লাগি থকা চেকা এটা খোলা এডোখৰেৰে ঘঁহে।]

লীলা—কোনোবা অহা যেন গম পাই দেউতাই পঠিয়াই দিলে। ক'তা, দেখোন কোনো নাই। [নিত্য আঁৰৰপৰা ওলাই আহে]

নিত্য—লীলা আইদেউৰ সুন্দৰ গীতে কঠুৱা শিল যেন হিয়াকো গলাই পেলায়।

লীলা—আপুনি অনুগ্ৰহ কৰি সোঁৱৰাই নিদিয়া হলে সৰ্ব্বনাশ!

নিত্য—কিহৰ সৰ্ব্বনাশ?

লীলা—কেলৈ, এনেকুৱা গীতৰ কোবত যদি শৰাইঘাটৰ আগীয়াঠুঁটি, চিলা আদি পাহাৰবিলাক গলি যায়, তেন্তে আপোনালোকে মোগল বাহিনীক বাধা দিবলৈ বৰ টান হব।

নিত্য—তুমি কম নহয় আইদেউ!

লীলা—বৰ বেছিও নহয়। আপোনালোকৰ নিচিনা শিলৰ পাহাৰবোৰ গলি গলে আন পাহাৰবোৰো বহি নাথাকে। বাক, সেইবোৰ কথা থ'ক। আপোনাৰ সৈতে কেবাদিনো কথা-বাৰ্ত্তা হৈছো। ঘৰুৱা মানুহৰ দৰে চিনা-জনাও হৈছো, কিন্তু পৰিচয় লোৱা হোৱা নাই।

নিত্য—পৰিচয়ৰ বিশেষ কি আৱশ্যক? কামে-কাজে নহলেও আকাৰত নিঃসন্দেহে মানুহ বুলি কব পাৰি।

লীলা—সেইটো মৰ্ম্মো বুজিছো। মানুহ নোহোৱা হলে এইখিনি নাপাইহি নহয়। সঁচাকৈয়ে কওকচোন, নাভাৰিব, আপুনি ক'ৰ?

নিত্য—সঁচাকৈয়ে কৈছো, মই দৰঙৰ।

লীলা—অনুমানত···আপোনৰ জন্ম নিশেই সক-সুৰা বংশত হব নালাগে।

নিত্য—মোৰ জন্মকথা নকও বলিয়েই লাজ খৈছে:।

লীলা—কব লাগিব। মই সতকাই নেবিছো। তাৰপৰা একো অপকাৰ নহয়।

নিত্য—[স্বগতঃ] মই কি কৈছো নিজেই কব পৰা নাই, লীলাৰ মোহিনী-শক্তিত মোৰ মুখৰপৰা আটাইবোৰ কথাই ওলাই গৈছে।

লীলা—কওক আকৌ, কি ভাবিছে? নকয় যদি মই যাওঁগৈ। দেউতাক পঠিয়াই দিওঁগৈ।

নিত্য—[স্বগতঃ] দেউতাকৰ লগত তো মোৰ বিশেষ একো আৱশ্যক নাই। মই তেন্তে কি কাৰণত ইয়ালৈ আহিছিলো?

লীলা—বাৰু, তেন্তে যাওঁ। আপুনি বেয়া পাইছে, নালাগে কব।

নিত্য—নহয়, কওঁ শুনা। মোৰ জন্ম হৈছিল কোঁচ ৰাজবংশত। কিন্তু দুর্ভাগ্যই আজি এইদৰে অনাই-বনাই ফুৰিবলগীয়া কৰিছে। আৰু বিশেষ কবলৈ একো নাই। আৱশ্যক হলে পিছে পৰে কম। মই এতিয়া যাওঁ। দেউতাৰক পিছত লগ পাম।

লীলা—তামোল এখন খাই য'ক।

নিত্য—নহয়, নখবিবা। মই এতিয়া তামোল নাখাওঁ। বৰ আৱশ্যক এটা আছে।

লীলা—বাৰু, তেন্তে যাব খুজিছে য'ক। আপুনি নকও বোলা কথা কবলগীয়া হোৱাত বেয়া নাপাব দেই।

নিত্য—বেয়া মই পাবই নোৱাবো। কেতিয়াও বেয়া নাপাও। বেয়া পোৱা হলে আকৌ আহিম বুলিয়েই নকও নহয়। বাৰু, যাওঁ।

[এখোজ-দুখোজকৈ উভতি চাই চাই যায়]

লীলা—আকৰাৰ বাক কোমল হিয়া শিল হৈ যোৱা গীত গাই শুনাম। আহিব দেই।

নিত্য—আহিম, আহিম, নিশ্চয় আহিম। [প্ৰস্থান]

লীলা—কি ৰূপ! কি লাৱণ্য! এৰিবৰ মন নাযায়। গোটেইখন যেন এন্ধাৰ হৈ গ'ল।

[বিপৰীত ফালে প্ৰস্থান।]

[পট পৰে]

ষষ্ঠ দৃশ্য

[ত্ৰিলোচন অকলে]

ত্ৰিলোচন—নিত্যনাৰায়ণ যায় পানীমুকনৰ টোললৈ। যিজনী লীলাই মোক দেখিলেই বলীয়া কুকুৰৰ নিচিনা হয়, সেইজনী লীলাই নিত্যক কি ভাল ব্যৱহাৰ কৰিব? বাক, সি ঘূৰি আহিলে তাৰ কথাবাৰ্ত্তাতে বুজি পাম নহয়।.....ফান্দত চৰাই পৰিব বুলি ভাবিছো দুটা; কিন্তু এটাও যে পৰিব তাৰো আশা নাইকিয়া হৈছে। মোগলৰ ধন খাইছো, আমাৰ ভিতৰত কথাখিনি কৈ থাকিবৰ নিমিত্তে আৰু পাৰিলে অসমীয়া সেনাপতি কিজনৰ ভিতৰত কেৰোণ সুমাই খোচা-খুচি লগাই দিবৰ নিমিত্তে। আৰু এটা কথা হৈছে লীলাক হাত কৰা। লীলাক মই ভাল দেখিছো, তাইনো মোক ভাল নেদেখিব কিয়? মই দেখোন মোক সমুলি বেয়া নেদেখো। মানুহে কয়, ডেকা-গাভৰুৰ চাৰি চকু মিলন হয়। কিন্তু তাই পাৰিলে মোৰ চকু দুটা কুটায়হে। মইতো বিশেষ বুঢ়া হোৱা নাই। বয়স মাত্ৰ আঠৈ কুৰিমান। [নিজৰ গা, হাত-ভৰি ঘূৰি-পকি চায়।] বাক দেখা ব'ক, ক'ৰ পানী কলৈ যায়।

[নিত্যৰ প্ৰৱেশ

নিত্য—কি ভাবিছা তিলো কাইটি।

ত্রিলো—মোৰ নাম তিলো নহয় ত্রিলোচন, নাজানা জানো ?

নিত্য—খং নকৰিবা। পাহৰিছো দেও।

ত্রিলো—পানীফুকনৰ ঘৰত কি পালা ? সেই চটাই পাথৰীজনী আছে নে ?

নিত্য—তাৰ মানে ?

ত্রিলো—পানীফুকনৰ সেই উৎপতীয়া জীয়েকজনী।

নিত্য—কেলৈ, লীলা দেখোন বৰ ভাল।

ত্রিলো—ৰাক, তেনে পালেগৈ··· যুদ্ধ হব নে নহয়।

নিত্য—হব, তুমি জানো যুদ্ধ নকৰিবা ?

ত্রিলো—ভাবি চাব লাগিব, তাকে ভাবিছো।

নিত্য—ৰাক তুমি ভাবা মই যাওঁ।

[প্ৰস্থান]

ত্রিলো—[স্বগতঃ] যোৱা যোৱা, লীলা ভালহে হয়। মোকে যেতিয়া তাই দেখিব নোৱাৰে, তোমাক হাত নলগোৱাকৈ নেৰে। [ভাবি] ইইতত বিশ্বাস নাই হুঁতে। যেই হওক, বুজা হবই। মই মোৰ কাম কৰো। মোগলে আমাৰ দেশ লবই। এনেই নোৱাৰিলেও মোৰ সহায়তে পাৰিব। তেতিয়া মোকেই কিজানি অসমৰ ৰজা পাতে! ভাবনো কি ঠিক ? নৱাৰ পাতিলে মোগলৰ ধৰ্ম্মও লব পাৰো নহয়। যেনে তেনে মোগলে ৰণত জিকাৰ পিছত লীলা এজনীহে নালাগে দহজনী চুলিত ধৰি আনিব পাৰিম।

[ঘিৰণিৰ পট পৰে]

দ্বিতীয় অঙ্ক

প্রথম দৃশ্য

[মোগলৰ শিবিৰৰ চোতালত মন্ত্ৰণা-সভা। বাইৰাম দেও, কিৰাত সিংহ, নচৰৎ খাঁ, ৰচিদ খাঁ, ৰাম সিংহ, পণ্ডিতৰায়, পৃথ্বী সিং, খালেক, দুৰৰী, প্ৰহৰী আদি।]

নচৰৎ—মহাৰাজ, আপুনি অসমীয়া মানুহৰ ফাকি-ফুকা বেগতে বুজিব নোৱাৰে। ইহঁত কম মানুহ নহয়। জয়ধ্বজ ৰজাৰ দিনত সিহঁত আমাৰ হাতত হাৰি, সন্ধি কৰি, ৰাজকুমাৰী এজনী দিল্লীৰ বাদচাৰৈ পঠিয়াই, কৰ-বৰঙণি দিবলৈ থিৰ কৰি মিত্ৰ হ'ল। তাৰ পিছত তিনি বছৰ আজি দিম, কালি দিম বুলি দিবলগীয়া কৰ-বৰঙণি নিদি এতিয়া যুদ্ধ কৰো বুলি বুকু ফিন্দাই থিয় দিছে। নতুন ৰজা চক্ৰধ্বজ সিংহৰ লগে লগে লাচিত নামেৰে ফুকন এটা সেনাপতি হৈ আমাৰ সৈন্য খেদি আনি প্ৰথম যুদ্ধতে লাল বেগ, আৰু বোচন বেগক বন্দী কৰি গড়গাৱঁলৈ চালান দিছে। তাৰ পিছত আমাক একেবাৰে হকৰাই খেদি আনি বহুতক বন্দী কৰি বধ কৰিছে। কোনো অসমীয়া মানুহকে আমাৰ কোঁঠৰ ভিতৰলৈ আনিব নালাগে। আপোনাৰ ওচৰলৈ যিটো পাওা আহিছিল সিও খুব যাদু জানে; তাৰ চেহেৰাই তাক যাদুকৰ বুলি কৈ দিয়ে।

ৰাম—যাদুলৈ ভয় কৰা মানুহ যুদ্ধলৈ আহিবেই নাপায়।

পৃথ্বী—মহাৰাজ! ক্ষমা কৰিব; আমাৰ চাহাবে কোৱা কথা একেবাৰে মিছা নহয়। সিদিনা আমাৰ হাচান চাহাবক শ্যাইষ্টাত এজনী মাইকী মানুহে তেনেই বোকা বনাই দিলে। হাচান চাহাবক মাইকীজনীয়ে যি কৰিবলৈ কলে, তেওঁ তাকে কৰিলে।

রাম—তোৰ শুনাত ভুল হৈছিল পৃথী সিং। তাৰ নিশ্চয়ত আৰু কিবা আছে।

খালেক—মহাৰাজ, সাচ্চা বাত একদম সাচ্চা বাত। বান্দাৰ [illegible] মহাৰাজৰ আস্তে আস্তে মালুম হব।

রাম—মিঞা চাহাব, তেখেতৰ যুদ্ধবিলাকত হবাৰ কাৰণ ভূতৰ লগাই নহল নে?

নচৰৎ—মইনো সেইটো মহাৰাজক কি কম। লাহে লাহে মহাৰাজে সকলো বুজিব।

ৰচিদ—নচৰৎ মিঞাৰ এটা ভুল হৈছে। আপুনি নিজে কি বুজে বুজক। সাধাৰণ সৈন্যৰ মাজত ভূতৰ ভয় সুমাই দিয়া উচিত নহব।

নচৰৎ—মোৰ সেইটো বেচ মালুম আছে। তথাপি কেতিয়াবা যদি মুখৰ লাগাম ঢিলা হোৱাত কাৰণাক কিবা কৈছো সেন্তে এইবাৰবাৰ খুব সাৱধান হম।

খালেক—[মুৰ দুপিয়াই হাঁমিয়াই] জৰুৰ, জৰুৰ হুজুৰ, এই ঠিক বাত।

ৰচিদ—মহাৰাজ, আমি চাৰিওফালৰপৰা যেনেকৈ পাৰো ভাগ ভাগ হৈ অসমীয়াবিলাকক আক্ৰমণ কৰিব লাগে। আপুনি সৈন্যবিলাকৰপৰা বাছি বাছি এজাক লৈ আমাৰ আগীয়াঠুঁটিৰ শিবিৰৰ পৰত থাকি সকলোৰে ওপৰত চকু ৰাখি আৱশ্যক বুজি হুকুম কৰিব। অসমীয়া সেনাপতিজন বৰ চালাক মানুহ। এইবাৰ তালৈকে যুদ্ধ কৰিব লাগিব। নহলে গুৱাহাটী লোৱা দূৰৰ কথা, গোটেই কামৰূপ অসমীয়াৰ হাতলৈ যাব।

খালেক—[একলীয়া হৈ পৃথ্বী সিঙক] কামৰূপ অসমীয়াই দখল কৰিলেই ভাল। এই যাদুৰ দেশ মোগলে লোৱাৰপৰা লাভ নাই। কি বোলা ভাই?

পৃথ্বী—[একলীয়াকৈ] ঠিক কৈছা মিঞা চাহাব। ইয়াৰ মাইকী মানুহ বিলাকেই আমাৰ সৈন্যবিলাকৰ নাকত নাকী লগাই ঘুৰাই লৈ ফুৰিব পাৰিব।

বাম—মই বাইবাম দেও, কিবাত সিংহ আৰু নচবৎ মিঞাক এখন মানচিত্ৰ প্ৰস্তুত কবিবলৈ কৈছোহেই।

বচিদ—বৰ ভাল কথা। তেওঁলোকে এই দেশৰ কথা আমাৰ বহুততকৈ বেছি বুজে।

বাম—মিঞা চাহাব! [নচবতক] আপোনালোকে কি পবামর্শ কবিলে?

নচবৎ—আমাৰ প্ৰস্তুত মানচিত্ৰ উলিয়াওক বাইবামজী!

[বাইবামে মানচিত্ৰখন কঁকালৰ টঙালিবপবা উলিয়ায়]

কিবাত সিংহ—আমি কবা মানচিত্ৰমতে মহাবাজৰ বা কাম কবিবলৈ সুবিধা হয় নে নহয়?

বাম—মোতকৈও বেছিকৈ সুবিধা-অসুবিধা বুজে বুলিহে আপোনালোকক মানচিত্ৰ প্ৰস্তুত কবিবলৈ কৈছো।

নচবৎ—মহাবাজে ঠিকেই কৈছে।

বচিদ—চাওঁ, মানচিত্ৰখন দিয়া বাইবামজী। [বাইবামবপবা মানচিত্ৰ লৈ বামসিংহৰ লগত সকলোৱে চায়]

বাম—এই ফুটবিলাকতে আমাৰ সৈন্য বাখিব নহয় নে?

নচবৎ—এই ফুটটি যে দেখিছে এয়ে আমাৰ আগীয়াঠুটিৰ শিবিৰ। ইয়াত আপুনি থাকিলে চাবিওপিনে সুবিধামতে যুদ্ধ চলাব পাবিব।

কিবাত—[মেপত দেখুৱাই] এইখন ব্ৰহ্মপুত্ৰ। এই কালেদি বচিদ খাঁ চৰ্দাবে এভাগ নাও লৈ আগবাঢ়িব। পাছত চবিপ খাঁ চৰ্দাবে নাও বাহুহ লৈ ইয়াত থাকিব।

বাম—এতিয়াও চবিপ খাঁ পোৱাহি নাই?

বাইবাম—পাবলৈ বেছি দিন নাই। পোৱাটো ঠিকেই।

বাম—বাকীবিলাকৰ কোনে ক'ত থাকিব?

কিবাত—এইখিনিতে যুদ্ধ ভাঙৰ হোৱা লস্কৰ। অসমীয়াৰ ভাঙৰ আৰু

কার্য্যদক্ষ সেনাপতি এজনৰ তলত অনেক সৈন্য ইয়াত সমবেত হব। গতিকে আমাৰ নচবৎ চাহাব ইয়াত থাকিলে ভাল হব।

ৰাম—এইটো বাছনি উপযুক্ত হৈছে। আৰু এইবিলাকত?

বাইৰাম—এইবিলাকত কিবাত সিংহ, চৈয়দ হাচান আৰু মই, এই তিনিও জন থাকিম। তাৰ বাহিৰে ঠায়ে ঠায়ে সুবিধা বুজি আপুনি যাক ছয় পঠাব।

ৰাম—খুব ভালেই হৈছে। মই ইয়াত সাল-সলনি কৰিবলৈ একো নাপাও। এইদৰে আমি এমাহতে অসম দেশ জয় কৰিব পাৰিম।

ৰচিদ—মহাৰাজ, এমাহতে জয় কৰা একো অসম্ভৱ নহয়। কিন্তু মানুহতকৈও ইয়াৰ পৰ্ব্বত-পাহাৰ, নৈ-জঙ্গলবিলাকে বেগতে অসম দেশ জয় কৰিবলৈ এৰি নিদিয়ে। দিল্লীৰপৰা ইমান দূৰত, ইমান অসুবিধাত অসম দেশ বেগতে জয় কাৰ টান। এবছৰ যুদ্ধ কৰিম বুলি থিৰ কৰি প্ৰথমতেই চামি মাহৰ ৰচদ-পাতি প্ৰস্তুত কৰি লৈহে যুদ্ধ আৰম্ভ কৰা ভাল হব।

ৰাম—দিল্লীৰপৰা বহুত আঁতৰত পৰিছোহি, যদিও আমাৰ একোৰে অভাৱ নহব। বঙ্গ দেশৰপৰা কোঁচবিহাৰেদি আমি আৱশ্যকমতে সকলো পাই থাকিম। নৈ-পৰ্ব্বতে আমাৰ কি কৰিব? দিল্লীৰ হাজাৰ-বিজাৰ সৈন্য দেখি অসমীয়া সৈন্য এনেয়ে পলাই যাব।

বাইৰাম—মহাৰাজে সহজ বুলি কোৱাত আমি সন্তোষ পাইছো। কিন্তু যিমান ভাবিছে সিমান নহয়। অসমীয়াবিলাক সিমান ভোমা নহয়। সিহঁতে আৱশ্যক হলে অলপ সময়ৰ ভিতৰতে নৈ গ্ৰাসিব পাৰে আৰু পৰ্ব্বত বান্ধিব জানে।

ৰাম—ৰাক দেখা যাওক। এতিয়া আমি অসমীয়া সেনাপতিলৈ চিঠি লিখি দিওঁ। পূৰ্ব্বৰ সন্ধি মানি আমাক কৰ-কাটল দিলে আৰু গুৱাহাটী এৰি দিলে আমি মিত্ৰভাৱে গুচি যাম। নহলে অসম দেশ মোগল সাম্ৰাজ্যৰ খাদ্য দখলত পৰিব। কি কয় আপোনালোকে?

নচৰৎ—ঠিকেই কৈছে। চিঠি লিখা ভাল।

ৰাম—তেন্তে আমি সকলো যাওঁ। আপোনালোক প্ৰস্তুত হওক।

[পৃথ্বী সিং আৰু খালেকৰ বাহিৰে সকলোৰে প্ৰস্থান]

পৃথ্বী—কি খাঁ বাহাদুৰ আবদুল খালেক আহমদ্ মনচুদাৰ চাহাব, আপোনাক দেখোন কোনেও সেনাপতি বুলি গণ্য নকৰিলে? পৰ্ব্বতীয়া এন্দুৰৰ গাত এটাত এন্দুৰ বধা বাঘটোও চাহাবৰ ভাগত নপৰিল দেখোন!

খালেক—[গোফত তাও দি] কুছ্ পৰোৱা নাই।

পৃথ্বী—তাকে নকলে আৰু উপায়ো নাই।

খালেক—নিজেও ভাবি চাবা ভাই তুমি পৃথ্বী সিং! তোমাৰ মতলব মহাৰাজ পৃথ্বী সিং হোৱাটো নহয় জানো?

পৃথ্বী—[মোচত পাক দি] জৰুৰ জৰুৰ।

খালেক—তুমি ভয় নকৰিবা ভাই। তোমাকে মোকে এই তৰুৱৰ ৰণীয়া পাতিব। তেতিয়া আমি দুয়ো ইয়াত থকা এই প্ৰহৰী-সেনাবিলাকৰ মালিক হম। তাহাতক তাহাতৰ কামত লগাই দি আমি খুব স্ফূৰ্ত্তি কৰিম।

পৃথ্বী—কি ৰকম স্ফূৰ্ত্তি?

খালেক—হৰ্দ্দম বাইতী নাচিব, চিৰাজী চলিব, আউৰ নৱাবকা মাফিক আচ্ছা খানা মিলিব।

পৃথ্বী—[আঁতৰলৈ চাই] আহা—হা-হা-হা নচৰৎ মিঞাৰ অসমীয়া বান্দৰটো আহিছে।

খালেক—এইটো অসমীয়া এদম বান্দৰৰ ৰকম। কেলৈ ৰাখিছে ইয়াক নচৰৎ মিঞাই। কোনো বিশ্বাস নাই।

পৃথ্বী—আহিবলৈ দে। সি একদম বান্দৰ। স্ফূৰ্ত্তি কৰিবলৈতো হব।

[ত্রিলোচনর প্রবেশ ।

ত্রিলো—কি খবর মিঞা চাহাব, সিংজী ?

পৃথ্বী—[ঠাট্টাবে চালাম দি] খবর আচ্ছ হায় মহাবাজ ত্রিলোচন সিং।

খালেক—[ঠাট্টাবে চালাম দি] আচ্ছা, সবগদেও।

ত্রিলোচন—ঠাট্টা কবিছা কেলৈ ?

পৃথ্বী—নাই কবা ঠাটা। তুমি নিজে কৈছিলা ভাই নচবৎ চাহাবব আগত অসম মুলুক জয় কবি তোমাক বহা পাতিবলৈ। নহয় জানো হোঁ ? আমাব জয় কবা হবই। তুমি জয় কবা বাবে অসম দেশ পুবস্কাব পাবাই।

ত্রিলো—সেইটো পিছব কথা, বুইছা। আমাব অসমীয়া ফকবা এটা আছে বোলে, "গছত কঠাল ওঁঠত তেল নৌ খাওঁতেই চেল বেল।" বাক, নচবৎ চাহাব কলৈ গ'ল ?

খালেক—জাহাল্লামে গ'ল। কেণে নচবতক ? আমি হলে নহব নে কি ?

ত্রিলো—অলপ কথা আছিল।

পৃথ্বী—ভাই, তুমি মহাবাজ স্বর্গদেও হলে স্ফূর্ত্তি কবিব নোবাবিম নহয়। এতিযাই অলপ স্ফূর্ত্তি কবি লওঁ ভাই। তোমাক আমি খুব ভাল পাওঁ নহয়। হে হে-হে [এথন কাণত ধবে]

খালেক—বন্ধু, খুব স্ফূর্ত্তি হব। [ইপন কাণত ধবি গালে মুখে হাত ফুবায়]

ত্রিলো—হে-হে কি কবা। মোব জাতেই গ'ল।

পৃথ্বী—কুছ পবোবা নাই। জানে দেও জাত। বান্দবব কি জাত আছে। [হাঁহে]

[পট পবে]

দ্বিতীয় দৃশ্য

[পানীফুকনৰ ঘৰত চিত্ৰ, পানীফুকন, বন্তী আৰু লীলা]

চিত্ৰ—আই ! ফুকন ডাঙৰীয়াক ককাদেউতাৰৰ নিচিনাকৈ ভক্তি কৰিবি, সদায় আপোন বুলি ভাবিবি। ফুকন ডাঙৰীয়া নথকাত লীলা আইদেউৰ লগ নেৰিবি। আমি চল পালেই তইঁতৰ খৰৰ লৈ থাকিম। ইয়াত এই কেইদিন থাকি তোৰ ঘৰত থকা যেন লগা নাই নে ?

বন্তী—লাগিছে। মই বৰ ভাল পাইছো। কিন্তু মনোহৰইতৰ লগতে যুদ্ধলৈ যাবৰ ইচ্ছা আছিল।

পানীফুকন—আইটি, যুদ্ধ মাইকী মানুহৰ নহয় ! আমি মতাবোৰ নাইকিয়া হলে তেতিয়া যি কৰ কৰিবিহক বাৰু।

লীলা—দেউতা, নিত্যনাৰায়ণেও জানো আমাৰ খৰৰ লৈ নাথাকিব ?

পানী—কৌলৈ নাথাকিব। নিত্য, চিত্ৰ, মনোহৰ আৰু মই পৰাপক্ষত আহি থাকিম। সনাতনে যে লগকে নেৰে। আইইঁত তইঁত থাকিবি। সনাতন এতিয়াই আহিব। আহা চিত্ৰ, আমি যাওঁ।

[দুয়োৰো প্ৰস্থান]

লীলা—সখী, তুমি বোলে যুদ্ধ ৰিব পাৰা ?

বন্তী—কি যুদ্ধ কৰিব ! দেউতাই শিকাইছিল অলপ।

লীলা—মোকো শিকাব নোৱাৰা জানো ?

বন্তী—মই জনাখিনি তোমাক নিশিকাই কাক শিকাম ?

লীলা—তুমি নিদিনা গোৱাৰ দৰে গীত এটি গোৱাচোন বাৰু।

বন্তী—তুমিও যদি এটি গোৱা মই গাব পাৰো।

লীলা—গাম বাৰু, গোৱা।

বন্তী—　　(গীত)

গোকুলে গোপেন্দু　　চারে বাম কানু
আকুল ব্যাকুল প্রাণ,
তালে নাচে ভাই　　কানাই বলাই
মোহন মুরলী তান!
যমুনা উঠলে নাচোনর তালে
উলাঙ্গে কদমে ধীরে হালে ভালে;
লয়লাসে করে গোধূলি-গোপালে
শ্রবণে অমিয়া পান।
কিনো কপালে গোপ-গোপী দলে
কানাই বলাই গরবীয়া পালে;
যমুনার জলে কি তপ সাধিলে
সুরতে ব'লে উজান।

নেপথ্যত পদুমী—অ' লীলা, লীলা! ভুগোজনী ভিতরলৈ আহ অ' আই।

লীলা—গৈছো বাইদেউ। মোর গাত দোষ নাই, বুইছা সখী! বায়ে মাতিছে যেতিয়া গান কেনেকৈ গাওঁ।

বন্তী—বাক, পিছত গাবা। [লীলার প্রস্থান] [স্বগতঃ] ক'তা, মনোহর আহিম বুলিও নাহিল। পুৰুষত বিশ্বাস নাই। আকৌ বা কার রূপ দেখি ভোল গ'ল। মনোহর সঁচাকৈয়ে মনোহর। পিতাদেউর বা ইচ্ছা কি?

নেপথ্যত লীলা—সখী। আহা আকৌ, কি কৰিছা?

বন্তী—গৈছো সখী।

[প্রস্থান

তৃতীয় দৃশ্য

[অসমীয়া সৈন্যৰ শিবিৰ। অন্ধ আৰু চাৰিটা সৈনিকে গড়ৰ এডোখৰ নতুনকৈ বান্ধিছে। দুৱাৰমুখত এটা ডাঙৰ কাঠৰ খুটা পুতিব খুজিছে।]

অন্ধ—বোপাইহঁত! মই কণা মানুহ ৰৰকৈ নেদেখো। কোনো-মতেহে বাটটো দেখো; আৰু কেতিয়াবাহে চকামকাকৈ মুখখন চিনিব পাৰো। এনেস্থলত মইনো আৰু তহঁতক কি কৰি দিম। মুখেৰেই যি পাৰো বল দিও, তহঁতে গাৰে যি পাৰ দিবি।

১ম সৈনিক—বাৰু, তেন্তে দিয়ক লগাই। [খুটা তুলিবলৈ আটাইবোৰে ধৰে]

অন্ধ—গুৱাহাটীত।

সৈনিক—হেইছো।

অন্ধ—লাগিল খুঁজ।

সৈনিক—হেইছো।

অন্ধ—মৰিল বঙাল।

সৈনিক—হেইছো।

অন্ধ—সোপা সোপে।

সৈনিক—হেইছো।

অন্ধ—হ'ল বন্দী।

সৈনিক—হেইছো।

অন্ধ—উঠিল ইবাৰ।

সৈনিক—হেইছো।

[খুটা উঠে, চিত্ৰৰ প্ৰবেশ]

চিত্ৰ—আপ, হ'ল নে খুটাটো তোলা?

অন্ধ—কিবা এটা থিয় হোৱা দেখিছো। সেইটো এতিয়া মানুহেই নে খুটাই! [খুটাটো হাতেৰে খেপিয়াই চাই] হয় হয়, এইটো খুটা। মানুহ নহয়।

১ম সৈনিক—আপ, বাৰু মই মানুহ নে খুটা?

অন্ধ—তই হওতে খুটাই, আকৃতিতহে মানুহটো।

১ম সৈনিক—তাৰ মানে?

[চিত্রই ইফাল সিফাল কৰি হাঁহি, খুটা চায়]

অন্ধ—তাৰ মানে, তাৰ মানে কেতবিলাক মানুহ দেখাত যেনেকৈ মানুহ, কামে-কাজে তেনেকৈ পশু; ঠিক সেইদৰে তয়ো দেখাত মানুহ যদিও প্ৰকৃততে খুটা। তোক মই অথনিৰেপৰা মুখেৰে মালিশা মাৰি খুটাটোৰ দৰে থিয় হৈ থকাহে দেখিছো। কাম হলে একো কথা দেখা নাই।

১ম সৈনিক—কণা হৈয়ে ইমান। নোহোৱা হলে কথাই নাছিল।

[বাকীবোৰে হাঁহে]

অন্ধ—কণা নোহোৱা হলে সেনাপতি হৈ তোক এইদৰে ঠলামুৰি মাৰি ইয়াৰপৰা খেদাই দিলোহেতেন। [খেপিয়াই সৈনিক বুলি চিত্রকে ঠলামুৰি মৰা মুদ্রাৰে খেদি যায়। সৈন্যবিলাকে ৰৰকৈ হাঁহে।]

চিত্র—কি কৰে আপ, মোকেই লাগিলহি দেখোন।

অন্ধ—[সেমেনা সেমেনিকৈ] এহ ৰৰ ভুল হ'ল দেও!

১ম সৈনিক—[হাঁহি] মোক বুলি সেনাপতিলৈকে খেদাটো মাৰিলে আপ।

অন্ধ—[মুৰ খজুৱাই] কণা নোহোৱা হলে মই জানো নহলোহেতেন সেনাপতি?

চিত্র—[হাঁহি] এনে কণা আছে নে? আপুনি নিশ্চয় সেনাপতি হ'লহেতেন। বাৰু, সেইবোৰ থ'ক। আপুনি পুৰণি জনা-শুনা যুঁজাক

মানুহ। গড় ৰথীয়া সেনাবণাকক বুদ্ধি ভাৰসা দি উৎসাহিত কৰি হতাশ নোহোৱাকৈ ৰাখিব। আপোনাৰ পুতেক মনোহৰক পানীফুকন ডাঙৰীয়াৰ গা-ৰথীয়া কৰি পঠোৱা হৈছে। পানীফুকনৰ ভীয়েক লীলাৰ লগতে মোৰ বন্তীও আছে। আমি তাহাঁতৰ খবৰ লৈ থাকিম। আপুনিও সময়ে সময়ে খবৰ লৈ থাকিব। বন্তীক আপোনাৰ ভীয়েক বুলিয়েই ভাবিব।

অন্ধ—সেইটোনো আৰু কব লাগিছে নে সেনাপতি দেও।

চিত্র—[স্বগতঃ] অন্ধৰ পুত্ৰ মনোহৰৰ নিচিনা সৰ্ব্বসুলক্ষণবিশিষ্ট ডেকাৰ হাতত বন্তীক সমৰ্পণ কৰি মোৰ মৃত্যু হলেও কোনো খেদ নাই। [ফুটাই] আপোনালোক থাওক। মই যাওঁ। সৈন্যসকল, সাৱধানে থাকিবা। এইবাৰ যুদ্ধ হয়ঙ্কৰ বিধৰ। [প্ৰস্থান]

১ম সৈনিক—বাৰু আপ, মোক পুটাকে পাওঁগৈ। নাম এটাকে লগাই দিয়ক, গাওঁ।

অন্ধ- ধৰিবি বাৰু।

১ম সৈনিক—হেৰ, বহাত সোমাই থকাখনে কি কৰিছ, ওলাই আহ।

[দুই ফাংৰপৰা চাপৰি বজাই বজাই জপিয়াই সৈন্যবিলাকৰ প্ৰবেশ। অন্ধই ডেও দি মুদ্ৰা দেখুৱাই নাম লগায়। আনবিলাকে ঘুৰি ঘুৰি গায়]

ঘোষা—নামেই পৰম ধন জানিলো ভানিলো।
নামেই পৰম ধন জানিলো।

পদ

যেনৰ বহস্য হৰিৰ কীৰ্ত্তন
শুশুনিলে সাৱধানে।·· নামেই

যমৰ কিঙ্কৰে　　তপত শলাক
বাইদে তাহাৰ কাণে ॥...
আনন্দ সমুদ্র　　হৰিৰ কীৰ্ত্তনে
যিটোজনে নেদে চিত্ত ॥...
সিটো মূঢ়মতি　　হৰিৰ দুর্ল্লভ
প্রসাদে ভৈল বঞ্চিত ॥...
মুকুত সকলো　　হৰিৰ কীৰ্ত্তনে,
কৰন্ত সদায় ৰতি।
হেন কীৰ্ত্তনত　　যিটো চিত্ত নেদে
যাইবে সিটো অধোগতি ॥..
কলিত জনম　　লভিয়া হৰিৰ
নামত নকৰে ৰতি।..
সিটো মূঢ়মতি　　আন কোনমতে
সাধিবে আপোন গতি ॥ .

[পট পৰে]

চতুর্থ দৃশ্য

[ৰৰফুকনৰ দোপদৰা। ৰৰফুকন, পানীফুকন, ৰৰগোহাঁই, মোমাই আদি]

ৰৰফুকন—আপোনালোক সকলোরে বোধকৰো প্রস্তুত হৈয়ে আছে ?

পানীফুকন—গড়ৰো য'ত যি ভগা-ছিগা আছিল ভাল কৰা হ'ল।

[এনেতে প্রহৰীৰ লগত মোগল কটকীৰ প্রবেশ। প্রহৰী আঁতৰতে থাকে। কটকীয়ে ৰৰফুকনক দুই হাতেৰে চালাম দিয়ে।]

ৰৰফুকন—কি কটকী, তোমালোকৰ যাবৰ হ'ল নে কি? তোমালোক সকলোৱে থকা-মেলাত অসুবিধা হোৱা নাই নহয়?

মোঃ কটকী—হয় ডাঙৰীয়া, আমি কালিৰেপৰা খুব সুখেৰে থাকিবলৈ পাইছো। এতিয়া আমি যাব খুজিছো। সেই কাৰণে আমাৰ উকীলে পত্ৰ লৈ যাবলৈ পঠিয়াইছে।

ৰৰফুকন—বাৰু কটকী, তোমালোক যোৱাগৈ। আমাৰ কটকীৰ হাতত চিঠিৰ উত্তৰ দি পঠাম।

মোঃ কটকী—ভাল তেন্তে যাওঁহে ডাঙৰীয়া।

[চালাম কৰি প্ৰস্থান।]

ৰৰফুকন—ৰাম সিংহই দিয়া চিঠিৰ কথা আপোনালোকে শুনিছেই। তেওঁ হেনো মানুহৰ ল'ৰা। অৰ্থাৎ, অম্বৰৰ ৰজা মান্ধাতাৰ নাতি আৰু ময়ো হেনো ৰৰ মানুহৰ ল'ৰা। সেই কাৰণে তেওঁৰ মোৰ সৈতে দ্বন্দ্বযুদ্ধমানহে যুঁজ কৰি চাবৰ মন আছে। আমাৰ বস্ত্ৰ-বাহানিৰ অভাৱ হলে তেওঁলৈ লিখিবলৈ কৈছে। তেওঁ পঠাব। ৰাম সিংহৰ গৰ্ব্ব খৰ্ব্ব কৰিবই লাগিব।

ৰৰগোহাঁই—সেইটো কৰিবই লাগিব। চিঠি আগেয়েই শুনিছো। [হাঁহি] অম্বৰৰ পৰপদসেৱী, ৰাজপুত্ৰইনো তাতকৈ আৰু কি ভাল চিঠি লিখিব।

ৰৰফুকন—আমাৰ কোমোৰাখোৱা আৰু সোন্দৰে স্বৰ্গদেৱৰপৰা মোগল সেনাপতিলৈ চিঠি আনি এইখিনি পাইছেহি। তেওঁবিলাকৰ হাতত আমাৰখনো দিয়া য'ক।

পানীফুকন—ভাল হব, পত্ৰ প্ৰস্তুত হলেই হ'ল।

ৰৰফুকন—পত্ৰ প্ৰস্তুত হৈ আছে। আপোনালোকে শুনক। [এনেতে নেপথ্যত সৈন্যৰ কোলাহল। 'জয় স্বৰ্গদেৱৰ জয়, জয় অসম

মাতৃৰ জয়। জয় ৰাম বোলা, জয় হৰি বোলা ইত্যাদি'।] হঠাতে আকৌ কি হ'ল। মোমাইদেউ, ম'চোন কোঁঠত খবৰ লৈ আহক।

মোমাই—যি হৈছে শুনাত আমাৰেই ভাল হৈছে। থাক যাওঁ।

[প্ৰস্থান]

ৰৰগোহাঁই—হঠাতে কিটো হব পাৰে ?

পানীফুকন—চিক্ৰৰত আমাৰেই ভাল শুনিছো। পত্ৰ পঢ়ক। বিশেষ চিন্তাৰ সকাম নাই।

ৰৰফুকন—শুনক। "শ্ৰীশ্ৰীযুক্ত মহাৰাজ ৰাম সিংহ ৰৰ সেনাপতি ৰৰাবৰেষু—লিখন প্ৰয়োজন এহি আপোনাৰ কটকী উকীল আহি আমাক পত্ৰ-সন্দেশ দি অনুগৃহীত কৰিলে। স্বৰ্গদেৱৰ আদেশ শিৰোধাৰ্য্য কৰি আমি মৰণ বা জয় পৰ্য্যন্ত যুদ্ধ কৰিবৰ নিমিত্তে গুৱাহাটীত আছোহি। আপোনাকো লাখ লাখ সেনাৰে দুই ঘণ্টা মাত্ৰ যুদ্ধ কৰিবলৈ বাদচাহে পঠোৱা নাই। আপোনাৰ মতে আমি পাহাৰী এন্দুৰ হলেও দুই ঘণ্টাৰ যুদ্ধ কৰিবলৈ প্ৰস্তুত আছো। আপোনাৰ নিকট সময়মতে ৰুদ্ধ-পাতি নাপালেহি আমি পঠাবলৈ সাজু আছো। অধিক লিখিবৰ প্ৰয়োজন নাই। সমৰত হেংদাঙেৰে সেনাপতিসকলৰ বুকুত তেজৰ লিখনীৰে লিখিবৰ ইচ্ছা ৰল।—ইতি।"

পানীফুকন—ভাল হৈছে। সোন্দৰ আৰু কোমোৰাধোৰাই লৈ যাওক।

ৰৰগোহাঁই—ভাল হৈছে। আকনো কষ্ট কৰাৰ কি আৱশ্যক ? [এনেতে মোমাইৰ প্ৰৱেশ] কি খবৰ পালে ?

মোমাই—পূৰফালে নতুন গড়টোৰ ওপৰত হাবিতলীয়া মানুহে কেতবিলাক বগাই উঠি আমাৰ বাহৰলৈ কাঁড় মাৰিছিল। গোটাচেৰেকে অন্ধ বুদ্ধক ধৰি নিলে। চিত্ৰসেনে খেদি গৈ সিহঁতৰ কেতবিলাকক কাটি

খেদি পঠালে। আধা মৰা এটাক ধৰি আনি সোধাত সি কলে বোলে, বঙাল সেনাপতিয়ে ধন খুৱাই সিহঁতক গড় ৰগাবলৈ ফুচুলিয়াইছিল।

ৰৰফুকন—অন্ধ সৈনিকৰ কি খবৰ ?

মোমাই—চিত্রসেনে তেওঁক বিচাৰি আহোতেহে মই বাটত পাই এইবোৰ খবৰ পালো। মই কোঁঠ পাবলৈকে নহল। সিহঁতৰ বন্দী হোৱাটোৱে অন্ধক পৰ্ব্বতৰ দাঁতিত বান্ধি থব পায় বুলি কৈছে। চিত্র সেইফালেই গৈছে।

ৰৰফুকন—অন্ধ জীয়াই আছে যদি চিত্রই পাব।

[পট পৰে]

পঞ্চম দৃশ্য

[পানীফুকনৰ ঘৰ। ৰাতি। সনাতনে খাই-বই উঠি তামোলৰ বটা আগত লৈ বহে।]

সনাতন—হেৰ আই লীলা, মই তোক ৰখাৰ বেচ কি দিবি ?

লীলা—ডাঙৰ হলে গৰু ৰখি দিম।

সনাতন—থ আই, তই যিটোক পাবি, তাকে ৰখোতেই যাব। আকৌ বুঢ়া সনাতনৰ গৰুটো কি ৰখি দিবি আই ?

লীলা—তেনেখন কথা কলেহে ৰৰখং উঠে।

সনাতন—তেন্তে নকয় কেলৈ, কি দিবি ?

লীলা—বাটলু এজনী আনি ঘৰখন পাতি দিম।

সনাতন—বাটল্ নালাগে ভাল গাভক বেজনী আনিলেও ঘর পতা নছৈছে। ঘৰ এবাৰ পাতিলো, বতাহে উৰাই নিলে। থাকো কোনো পাতে থাকে।

লীলা—মই দেখোন দিবলৈ একোকে নাপাওঁ। যিহকে দিব বোলো তাকে নালাগে বোলা।

সনাতন—কীৰ্ত্তন পুথি একাধাৰ পঢ়চোন। ভাতগাল ভৰোৱা সাপেক হ'ক।

লীলা—ঘৰ কথাটো, বাক আনোগৈ। [ভিতৰলৈ গৈ কীৰ্ত্তন আনে। আহি সনাতনৰ আগেলৈ বটাটোতে থৈ পঢ়িবলৈ বহে।] ক'ত পঢ়ো ?

সনাতন—পঢ ব'তে ভাল পায়। অমৃতৰ কি ভাল-বেয়া আছে। [লীলাই কীৰ্ত্তন পুথি মেলি পঢ়িবলৈ ধৰোতেই বস্তীৰ বেগাই প্ৰবেশ]

বস্তী—সখী, মই এটা কথা কওঁ।

সনাতন—তহঁতে কোন ক'লৈ যাবি তাৰ কথা পাতি পুথিখন মেলিয়েই এৰিব পাৰ নে ?

লীলা—কাইলৈ কেবা আধ্যাও পঢ়িম বাক।

সনাতন—কাইলৈৰ কথা নালাগে, বাতিটোৱে হাতীটোৱে সমান। তহঁতে বিয়নী-মেল পাত, মই শোওগৈ আক।

[হামিয়াই হামিয়াই প্ৰস্থান]

বস্তী—সখী, বৰ ডাঙৰ কথা।

লীলা—কি সখী ! তোমাক একৰকম দেখিছো।

বস্তী—মোৰ অস্ত্ৰ-শিক্ষা বিফল হ'ল, যদি—

লীলা—যদি কি ?

বস্তী—তুমি শুনা নাই নে সখী, কণা সেনাপতি বোলা জনক পৰ্ব্বতীয়া মানুহ কেতবিলাকে ধৰি নিছে।

লীলা—তুমি পিছে কি কৰিবা ? তোমাৰ পিতাৰ চিত্ৰসেন সেনাপতি নাজে দলে-বলে গৈছে, কণা সেনাপতিক বিচাৰি।

বন্তী—মনোহৰো গৈছে। মনোহৰৰ বাপেক কণা সেনাপতি।

লীলা—তুমি যে মনোহৰ মনোহৰকৈ বলীয়া হৈছা, মনোহৰে জানো তোমাক ভাল পায়?

বন্তী—তেওঁ ভাল পাওক নাপাওক মই ভাল পাওঁ। মই মনোহৰৰ বিপদত হাত সাৰটি বহি থকা উচিত নহয়।

লীলা—ই, তুমি কি কৰিবা?

বন্তী—মই যাওঁ সখী, আলেঙে আলেঙে মনোহৰৰ গতি-বিধি লক্ষ্য কৰোগৈ। আৱশ্যক হলে, বিপদত সহায় কৰিম। তুমি জানাই, মই তৰোৱাল চলাব পাৰো।

লীলা—এতিয়া তুমি যাব নালাগে। ৰাতি পুৱাওক। দিনটো বিচৰাৰ পিছত যি হয় কৰিবা। তোমাৰ পিতাৰ চিত্ৰসেন সেনাপতিয়ে মনোহৰক বিপদত এৰি নিদিয়ে। মোৰে শপত সখী, ৰাতি নাযাবা।

বন্তী—ৰাতি ঘৰত বহি থকাৰপৰা মোৰ একো সুখ নহয় সখী।

লীলা—তোমাৰ নহয় মোৰে হব। মোৰ নিমিত্তে থাকা।

নেপথ্যত সনাতন—হেৰ লীলা, তহঁতে এই মাতনিশাথন কি কথাত লাগিছ, শুই নাথাক কেলৈ? ৰ' এইবেলি ডাঙৰীয়া আহক, তোক ৰাখিব নোৱাৰি বুলি শুচি যাম। বন্তী আইটি, শুই থাকাগৈ যোৱা। [গল থেকাৰি] ৰামকৃষ্ণ প্ৰভু!

লীলা—আপুনি শোওক, আমি শুমগৈ। বেলিকৈ শুলেও আপোনাতকৈ আগধৰি আমি উঠিম।

নেপথ্যত সনাতন—যি কৰ কৰি থাক আইহঁত, মোৰ হলে টোপনি ধৰিছে। [হামিয়াই]

লীলা—ৱ'লা সখী আমি শোওঁগৈ। [বন্তীক ধৰি প্ৰস্থান]

[পট পৰে]

ষষ্ঠ দৃশ্য

[পৰ্ব্বতৰ দাঁতিৰ এজোপা গছত অন্ধ সেনাপতিৰ ডাৱিকোছাৰ আগত শিকলি লগাই এৰাল দি থৈছে। হাত দুখন পাছ ফালে বান্ধি থোৱা। বুঢ়াই ইস্ আস্‌কৈ লটং পটংকৈ ফুৰিছে।]

অন্ধ সেনাপতি—ইস্ ইস্ ইস, মোৰ জীৱনটোও হওঁতে কম নহয়। অতবোৰ যুদ্ধ কৰি অতবোৰ মানুহ কাটিলো, মোক কাটোতা কোনো নোলাল। চকুটো ফুটাই জানিবা যুদ্ধ কৰিব নলগা কৰিলে। শেষত অসভ্য পৰ্ব্বতীয়া মানুহে মোক এৰাল দিবলগীয়া হ'ল। মানুহৰ গকহঁতে মোক এৰাল দিবলৈ পালে ডাৱিকোছাৰ আগত শিকলি লগাই। বাতিটো কোনোমতে গ'ল বাঘে-ঘোঙে নোখোৱাকৈ। দিনত বা হয় কি? এই দৰে এৰালত বাঘ-ঘোঙৰ হাতত মৰাতকৈ কোনোবা এখন ঘুঁজত মৰা হলে ভাল আছিল। আকৌ, সময়ত থাবলৈ নাপাই মৰাতকৈ বাতি বাঘে-ঘোঙে খোৱা হলেও ভাল আছিল। হে হৰি, তোমাৰ কি ইচ্ছা আমি নৰ মনিষে কি বুজি পাম! উস্ ভৰি দুখনত কিবাবোৰে কামুৰিব ধৰিছে। [পাছ ফালে বন্ধা হাত দুখন একত্ৰাবলৈ চেষ্টা কৰে। অল পলিছতে পৰ্ব্বতৰ দাঁতিত গৈ ভৰি দুখনৰ খজুৱতি মাৰিবৰ মনেৰে ঘঁহাই দিয়ে। তাৰ পিছত পিঠিটো ঘঁহায়।] উস্ ৰাম, খজুৱতিয়েই মাৰিব হবলা। মই ঘুঁজাক মানুহে মৰিবলৈ ভয় কৰা উচিত নহয়। মনোহৰ ডেকা হ'ল। বাপেকৰ পোৱালি হয় যদি খাব যেনেতেনে, নহয় মৰিব। অলপ দীঘল দিয়াৰ উপায় কৰো। মৰাৰ আগেয়ে অলপ শুয়ে লওঁ। বেটাইঁতে কেতিয়া আহে আহক।

[ইফালে সিফালে চাই পর্ব্বতৰ দাঁতিৰ ওপ শিল এচটাতে মুৰটো থৈ ওপৰলৈ মৰ কৰি পোৱে। ডাঢ়িকোছা ওপৰলৈ টান খাই থাকে। অলপ সময়ৰ পিছতে চিত্রসেন আৰু গোটাচেৰেক সৈনিকৰ প্ৰৱেশ।]

১ম সৈনিক—অ' আই, এইটো দেখোন বুঢ়া। সান্ধিছে কেনেকৈ চোৱা। হাঃ হাঃ হাঃ [মাটিত বহি উৰাই ঘুৰাই হাঁহে]

চিত্র—বুঢ়া মৰা নাই. হওক তেও।

২য় সৈনিক—[১ম সৈনিকক] হাঁহিছ কৈলৈ? বুঢ়াৰ অৱস্থা দেখি বেয়া লগা নাই নে?

১ম সৈনিক—[বুঢ়াৰ ওচৰ চাপি ডাঢ়ি বন্ধা শিকলিডাল জোকাৰি) অ' আপ উঠক, ৰাতি পুৱাল।

অন্ধ—[চকু নেমেলাকৈ খঙেৰে] তহঁতে মাৰিবিয়েই। টোপনিটো ভাগিলেও মাৰিবিগোন। নহলে টোপনিতে মাৰি থৈ নেযায় কৈলৈ।

চিত্র—আপ, আমি জগাইছে মাৰো।

২য় সৈনিক—চকু মেলি চাওকচোন।

অন্ধ—হেৰ চকু হলেহে মেলিম। যি কণ মেলিব পাৰো তাৰে এতিয়া কেনেকৈ দেখো। [বুঢ়াই গমি চাই চিত্র আৰু সৈনিক কিটাক চিনি পাই বিচুৰ্ত্তি পাই গিৰিপ কৰে উঠে। প্ৰথম সৈনিকে আকৌ হাঁহে।]

১ম সৈনিক—আপ ঐ, এনেকৈ ডাঢ়িত এৰাল দিয়া কাকো দেখা নাই। হক তেও, যমৰ আগত কবলৈ হব।

অন্ধ—অসভ্যৰ অসভ্য বিদ্যা। বোপাই, হাঁহিবৰ কথাই, পাছে তহঁতে মোক পালিহি কেনেকৈ?

চিত্র—সোলোকাই দে, সোলোকাই দে। আমি থাকোতে আপক যমেও নিব নোৱাৰে।

[২য় সৈনিকে ডাঢ়িকোছাৰপৰা শিকলিডাল এৰুৱাব খোজে।

অন্ধ—নোৱাৰ, নোৱাৰ, তইঁতে নোৱাৰ। মোৰ হাত মোকোলাই দে। [২য় সৈন্যই হাত মোকলাই দিয়ে। বুঢ়াই ডাঢ়িৰপৰা শিকলি একৰাবলৈ যত্ন কৰে।] বৰ বান্ধিলে কুকুৰৰ পুতেকইতে। নেৰেই দেখোন।

চিত্র—শিকলিডালো কাটিব পৰা হয় হওঁতে।

অন্ধ—শিকলি কটাৰ লাভ নাই। ঠাইতে ডাঢিকোছাকে অলপ কাটি দে, ডাঢ়িকোছাত শিকলিডাল ওলোমাই লৈ ফুৰিবি নে? [প্রথম সৈনিকে লৰালৰিকৈ ডাঢ়ি কাটিবলৈ যায়, বুঢাই খপ্ কৰে তাৰ হাতত ধৰে।] নহয়, নহয়, নালাগে কাটিব বোপা, তুমি কাটি দিয়া। ই বৰ টেটোন। [আটাইখনে হাঁহে। চিত্রই হাঁহি হাঁহি বুঢ়াৰ ডাঢ়িৰ আগবোৰ কাটি দিয়ে। বুঢ়াই ডাঢ়ি মোহাৰি মোহাৰি পুনঃ পালাং কৰি চিত্রৰ হাতৰপৰা কটা ডাঢ়িকোছা শিকলিৰ সৈতে দাঙি লয়। | উস্ ৰাম, মুৰটো ভিৰাই থৈছিল দেও। ডাঢ়িকোছা গৈ আকৌ ভীৰনো থাকিল। (ডাঢ়ি চাই) দেহি ঐ মোৰ অতদিনৰ পোহনীয়া ডাঢিকোছা এই দৰেই গ'ল।

[জিৰণি পট পৰে]

তৃতীয় অঙ্ক

প্রথম দৃশ্য

[কোমোৰাখোৱা আৰু সোন্দৰক সাঙুৰি হাতত জৰী লগাই এটা মোগল সৈন্যই লৈ যায়। লগে লগে পৃথ্বী সিং আৰু আবদুল খালেক দুজোৰা তৰোৱাল একোখন লৈ গ্ৰায়।]

পৃথ্বী—দুয়োটাকে কাটিম, ৰ আজি। যুদ্ধ কৰি কৰি চল পাইছে।

খালেক—দুটা জানিবা জঙ্গলৰ বান্দৰ। এই, নাচ কৰিব জান ?

কোমোৰা—জানোতোন।

পৃথ্বী—বাৰু, তোৰ নাম কি ?

কোমোৰা—মোৰ নাম পিতাই।

পৃথ্বী—বাৰু, তোৰ নাম কি ?

সোন্দৰ—মোৰ নাম দেদাই।

খালেক—পিতাই আৰু দেদাই ! তইঁতক যদি এতিয়া কাটি পেলাওঁ ?

কোমোৰা—কেনেকৈ কাটিবি। নোৱাৰ কাটিব।

সোন্দৰ—আমাকো কাটিবি, তইঁতো মৰিবি।

কোমোৰা—আমাৰ গাত গুণ নাথাকিলে তইঁতৰ ইয়ালৈ এইদৰে নাহো নহয়।

খালেক—বাৰু থাক, সেনাপতিয়ে হুকুম কৰিলে মই তইঁতক কাটিম।

কোমোৰা—কাটিবা বাৰু ভালেইহে। আমাৰ এটা কাটিলে দুটা ওলাব।

[রাম সিংহ, নচবৎ খাঁ আৰু বচিদ খাঁৰ প্ৰবেশ। পৃথ্বী সিং আদিয়ে আশীৰ্বাদন কৰে। অসমীয়াইতেও সৰ দোৱাৰ।]

ৰাম—এইকেইটা ক'ৰ মানুহ ?

পৃথ্বী—ইহঁত বদমাচ অসমীয়া মানুহ। আমাৰ কোঁচৰ দাঁতিত পাই ধৰি আনিছো।

কোমোৱা—মহাৰাজ! বদমাচ হলেও ভাল হলেও আমি কটকী। ৰতন ফুকন ডাঙৰীয়াৰ ত'ৰপৰা চিঠি আনিছো। ইহঁতে আমাক জানি-শুনিও ধৰি খোঁৱাৰ জীনত ওলোমাই আনি শাস্তি দিছে। [ৰাম সিংহৰ ইঙ্গিতত তাঁহাতক মুক্ত কৰে।]

সোন্ধৰ—এইয়া আমাৰ কটকীৰ চিন। [খোঁচনিবপৰা এখন কাকত উলিয়াই দেখুৱায়। কোমোৱাখোৱাই দুখন চিঠি দিয়ে।]

কোমোৱা—এখন স্বৰ্গদেৱৰ আৰু এখন ৰৰ সেনাপতিৰ চিঠি। আৰু মহাৰাজ, আমি কটকীক ইহঁতে ৰৰ শাস্তি কৰিলে। ইহঁতে আমাক অসভ্য বোলে। আমাতকৈও ইহঁত অসভ্য। কৰবাতনো জীয়া মানুহক লাও-কোমোৱাৰ দৰে খোঁৱাৰ জীনত ওলমায় নে ?

ৰাম—ইহঁতক দুই শাস্তি দিম।

সোন্ধৰ—[একজীয়াকৈ] পিতাৱেৰকে দদায়েৰকে চিনি পালি ?

কোমোৱা—[মোগল সেনাকেইটালৈ চাই] কি বন্ধু, পালা ?

ৰাম—আজুকে হলে দুই কটকী পঠাম। ভোমালোক ৰাব পাৰা।

[অসমীয়া কটকীয়ে নমস্কাৰ কৰি যায়গৈ। ৰাম সিংহই দুৰ্যোধন চিঠি মনে মনে পঢ়ে]

ৰাম—নচবৎ খাঁ-ছাব, অসমীয়াৰ বহু পিত। সিহঁতে দুই বছৰ হেনো যুদ্ধ কৰিব। আৰু আমাৰ কিবা বদদ-পৰামৰ্শ দৰকাৰ হলে সিহঁতে আমাক দিব পাৰে। যুদ্ধ কৰা ঠিক।

বচিদ—অসমীয়াবিলাকৰ নতুন বছৰৰ প্ৰথম ১০।১৫ দিনত খুব ফুৰ্ত্তি হয়। তাঁহাতে তাক বিহু বোলে। সৈন্ত-সামন্তবোৰ বিহুত লাগি থাকোতেই আমি গড় আক্ৰমণ কৰো, কি বোলে?

ৰাম—আজি বহাগ মাহৰ ন তাৰিখ; এঘাৰ তাৰিখে আমি গড় আক্ৰমণ কৰি যুদ্ধ কৰিম।

নচৰৎ—অসমীয়া সেনাপতিয়ে উত্তৰ পাব বুলি আশা কৰি থাকোতেই আমি গড় আক্ৰমণ কৰি দিম।

ৰাম—এইটো খুব ভাল হব। লাচিত বৰফুকন আৰু গোটাচেৰেকক বন্দী কৰি বাদচাহক দিব পাৰিলে আমাৰ কাম ঠিক হব।

নচৰৎ—[একলীয়াকৈ] পিয়ান সহজ নহৈছে।

ৰাম—[খালেক, পৃথ্বীৰাজ আদিলৈ চাই] তহঁত বা ইয়াৰপৰা। তহঁতৰ পিছুত বিচাৰ হব।

[পট পৰে]

দ্বিতীয় দৃশ্য

[অসমীয়া সৈন্তৰ শিবিৰ। কণা সেনাপতিয়ে নাম দিছে, সৈন্তবিলাকে ঢোলত কোবাই কোবাই তাল দুজাই ঠেও ধৰি ধৰি ঘুৰি হুঁচৰি গাইছে।]

ঘোষা—শ্যাম ৰায় কলীয়া চিকণ মুকুতি শ্যাম
কালীৰ শিৰত বহি নাচে
কি ৰাম ৰাম।

পদ—পাছে ত্রিনয়ন　　দ্বিব্য উপবন
দেখিলন্ত বিদ্যমানে
কি বাম বাম। ইত্যাদি।

[অলপ সময় গাই খব কবি শেষ কবে। পিছত এটাই একাল
হৈ গায়, বাকীবোবে শাবী পাতি গায়।]

সৈনিক—দেউতাব পদুলিত।
বাকীবোবে—গিবিপ্ গিবিপ্ কৈ।
সৈনিক—ন্যাচিহ্নো গধূলি।
বাকীবোবে—গিবিপ্ গিবিপ্ কৈ।
সৈনিক—আবি ডেকা ল'বা।
বাকীবোবে—গিবিপ্ গিবিপ্ কৈ, গিবিপ্ গিবিপ্ কৈ, গিবিপ্ গিবিপ্ কৈ
উ আই। [ঢোলত নাচনব চেও মাবে। এটাই নাচে। নাচি থাকোতে
বাকীবোবে গায়—'নাচনিব মুখলৈ চাবক্রে নোৱাবি এএআ'—এলেতে
চিত্রসেন, নিত্যনাবায়ণ, মনোহব আৰু ডিঙিত ঢোল ঔবা মানুহ এটাব
প্রবেশ। চিত্রক দেখি নাচন বন্ধ কবি এটা আগলৈ ওলাই আহি গায়।]

ধ্বাই ল'
ফলীয়া চোলা,
চ'ৰাত অলেলাই　　দেউতাব দেউতাব
কেঁকোবা দোলা।

[আন এটাই তাক পাছ পেলাই মৈ যোজোনা দিয়ে।]

দেউতা ওলালে　　ৰব চ'ৰাব মুখলৈ
ফুলীয়াই পাতিলে দোলা।

কাণত জিকেমিকাই নৰোৱা জাংফাই
গাত গোমচেঙৰে চোলা।

['উ আই' বুলি ঢোলত চাপৰ মাৰোতেই চিত্রসেনে হাত তুলি বন্ধ কৰে। লগত অহা মানুহটোক ঢোল পিটিবলৈ ইঙ্গিত দিয়ে। সি ঢোলত মৰিয়ায়। মনোহৰে কাকত এখন মেলি পঢ়ে।]

মনোহৰ—[কাকত চাই] মহা প্রতাপান্বিত কামপীঠ, ৰত্নপীঠ আৰু সৌমাৰপীঠৰ অধিপতি স্বর্গদেৱ শ্রীশ্রীল শ্রীশ্রীযুক্ত চক্রধ্বজ সিংহ মহাৰাজৰ আদেশমতে স্বর্গদেৱৰ বন্দী বেটা বৰ সেনাপতি মহাপ্রতাপী শ্রীশ্রীযুক্ত লাচিত বৰফুকন ডাঙৰীয়াই বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্রগোহাঁই, আলো আলো ফা-ফুকন, ডা-ডাঙৰীয়া, বৰুৱা, ৰাজখোৱা আদিৰে পৰামর্শ কৰি আগৰ আলোচনামতে নায়ৰুসকলক স্থানে স্থানে সপ্তম সৈন্য সমাবেশ কৰিবলৈ আদেশ দি বৰহিলৈৰ গৰাকীসকলক দুবেওঁ অন্তৰে অন্তৰে পাঁতি থোৱা বৰহিলৈবিলাকত থাৰ বাৰুদ ভৰাই সাজু কৰিবলৈ জনাইছোঁ। চৌৰাংচোৰাসকলৰপৰা বুজা গৈছে, বহাগৰ ১১ দিন যাওতে ৰাম সিংহ সেনাপতিয়ে আমাৰ গড় আক্রমণ কৰিব। সেইদেখি আজি ৰাত্তিৰ ভিতৰতে সকলো সপ্তম হব লাগে। বৰ সেনাপতি ডাঙৰীয়াই কাইলৈ দুপৰত ডাঙৰীয়াসকলৰ সৈতে সকলো পৰিদর্শন কৰিব। কার্য্যত হেলা কৰা সকলক ভয়ঙ্কৰ শাস্তি দিয়া হব।

[আকৌ ঢোল বজায়]

তলত দিয়া নির্ব্বন্ধ অনুসাৰে ডাঙৰীয়াসকল নিজ নিজ দলৰ লোক সাঁজিবলৈ স্থানে স্থানে সপ্তম হৈ থাকিব। শৰাইত বুঢ়াগোহাঁই আৰু দিহিঙীয়া ফুকন। পাণ্ডুত বৰগোহাঁই। কুকৰাত ঝাযছোৱাল বৰপাত্র গোহাঁই। পানীত পানী ফুকন আৰু নাওবৈচা ফুকন। অম্বুৰ আলিত কলিয়াবৰীয়া ফুকন।

ৰংমহলত চাবিডীয়া ফুকন। আন্ধাকত ৰবফুকনৰ লগত চিত্রসেন, নিত্যনাৰায়ণ আদি সেনাপতিসকলে আনসকলক আত্মৰক্ষাকমতে সহায় কৰিবলৈ সাজু থাকিব। সনাতন, মাধৱচৰণ, সমুদ্রখৰী, কোমোৰাখোৱা, সোন্দৰ, দেওধাই, বাইলুং আদি বার্ত্তাবাহী হৈ সমস্তকে বিয়পি থাকিব। গণনা কৰাই গণনা কৰিব, মঙ্গল চোৱাই মঙ্গল চাব, মোমাই বৰুৱাই গড়ত চকু ৰাখিব।

[ঢোলত তিনিবাৰ চাপৰ মাৰে। সৈন্যবিলাকে 'জয় স্বর্গদেৱৰ জয়', 'জয় ৰব ফুকনৰ জয়' আদি জয়ধ্বনি দিয়ে।]

চিত্র—সৈন্যসকল, আমি অনেক দিনৰপৰা স্বর্গদেৱৰ আজ্ঞা শিৰোধার্য্য কৰি শৰাইঘাটত ব্যূহ ৰচনা কৰি আছোঁহক। এই হেন বিহুৰ সময়ত ঘৰত ল'ৰাছোৱালী এৰি যুদ্ধক্ষেত্রত দুখে কষ্টে কালাতিপাত কৰা বাস্তৱিকতে টান হৈ পৰিছে। আনন্দৰ মাজত বাধা দিছো যদিও তোমালোকে বেজাৰ পোৱা উচিত নহয়। কাৰণ, যুদ্ধৰ নিমিত্তে আহিও তোমালোকে ৯।১০ দিন আনন্দত মগ্ন হৈৰে আছা। বাট চাই থকা দিন আমাৰ ওচৰ পালেহিয়েই। অসমৰ মহা মহা ৰীৰসকলৰ সন্তান তোমালোক। তোমালোকৰ পিতৃ পিতামহৰ শৌর্য্য-বীর্য্যত আজ তোমালোকৰ ৰীৰত্বত আজিও অসম দেশক কোনো বিদেশী শক্তিয়ে গ্রাস কৰিব পৰা নাই। দিল্লীসম্রাটৰ অশেষ ক্ষমতাৰ অধিনায়ক হৈ ৰাম সিংহ সেনাপতিয়ে আজি অসমৰ স্বাধীনতা গ্রাস কৰিবলৈ বাহুৰ দৰে শৰাইঘাটত দেখা দিছেহি। এই অৱস্থাত তোমালোকক সোধো —পৰপদদলিত, ৰক্ষিত আৰু লাঞ্ছিত হৈ জীৱন ৰখা উচিত, নে নিজৰ আৰু নিজৰ জন্মভূমিৰ সম্মান ৰক্ষা কৰা উচিত ?

সকলোৱে—মৰণ উচিত। মৰণ উচিত। আমি ৰাম সিংহক সসৈন্যে মানাহৰ পাৰ কৰি খেদাম। জীৱন থাকোতে গড় পাৰ হ'বলৈ নিদিওঁ।

[আকৌ জয়ধ্বনি]

নিত্য—অসময় বীরসকলর উচিত উত্তর। ভয় নকরিব। আপোনালোকক আজ্ঞাধ্যা মাতৃয়ে নীলাচলবাসী শক্তি যোগাইছে। ভুবনেশ্বরীয়ে সৌ জিকমিকাই থকা সোণর কলচীবে আপোনালোকক গৌরব সোঁৱাবাই দিছে। পুণ্যর লৌহিত্যর জলে আপোনালোকর শরীর শীতল কৰিছে। অসম মাতৃর সৌভাগ্য-গুণে মহা প্রতাপী লাচিত ববফুকন আজি আপোনালোকর সেনাপতি। ভয় নকরিব। বীরসকল! আগবাঢ়ক। [জয়ধ্বনি]

[পট পৰে]

তৃতীয় দৃশ্য

[মোগল সৈন্যর কোঠর একাংশ। পৃথ্বী সিং, আবদুল খালেক আৰু প্রহৰীবিলাক।]

পৃথ্বী—[হাতত বাটি লৈ] খালেক মিঞা, বাদ সিংহৰ অনুচৰ-বৃন্দৰ, বচিদ-কচিদ বিলকুল লড়াইত বাহিব হৈছে নহয়। [এমোকোৱা খাই] যদি সেনাপতি আৰু তাৰ মানুহচবক জলদীচবে কোটল কৰে—

আবদুল—[এবাটি মদ হাতত লৈ খাই] কোটল কৰিব আৰু পুৰি থাব।

পৃথ্বী—ঠিক্ ঠিক্, আচামী জলদীচবে জকল পুৰি থাব।

আবদুল—আমি-ওলবাগ, নবাব-মহাবাজ চবকে ঐ টেঙা ৰি ৰিজল কৰাই থাব। কি ভাই পৃথ্বী সিং! [মদ খাই] ঐ টেঙা দেখিছা?

[মদৰ বাটি পেলা]

পৃথ্বী—কি বকম ঐ টেঙা? নাই দেখা। [মদ খাই বাটি থয়]

আবদুল—খুব আচ্ছা পৃথ্বী সিং। আচামী বজাৰ দৌৰোৱা ৰাজী কবি যোজনা পাটচাই আচাম বজাৰ লগত মোক বদালে ভেজিছা। এতিয়া এখন

আচামী গাইলে গৈছিলো। তাত এজোপা গছ দেখিলো। সেই গছৰ নাম ঔ টেঙা আৰু গুটিৰ নামো ঔ টেঙা। খুব আচ্ছা অৱল।

পৃথ্বী—ঠাণ্ডাত বি ৰকম ফৰল—নহয় ভাই ?

আবদুল—[মুখ ছপিয়াই] ঠিক। এটা অচমীয়াই মোক ঔ টেঙা খাবলৈ দি কলে—খুব ভাল বস্তু। গৰম ছাৰি যাব। মই ঔ টেঙাটো লৈ বাকলি গুচাই গুচাই ভিতৰত এটা কি ৰকম জিনিচ বাহিৰ কৰিলো। ভাব ভিতৰত দেখিলো বিলকুল বৌ। খাই দিলো একদম। এই ৰকম জিনিচ মই জনমত দেখা নাই। মুখখন কি হ'ল—[মুখ বিকটাই] একদম চিলাই হৈ গ'ল। অচমীয়াটোৱে দেখি খুব হাঁহিলে আৰু কলে—লেইচব খোৱা বস্তু নহয়। ভাব বাকলিচব হে খায়।

পৃথ্বী—ভাব ওপৰত খুব বাগ হ'ল নহয় ?

আবদুল—কি বাগ হব। মুখ ধুই বাকলিচব খালো, খুব আচ্ছা লাগিল। একদম গৰম গুটি গ'ল।

পৃথ্বী—যাক, ঔ টেঙা খাই দেখিব লাগিব। এতিয়া কথা হৈছে, চব যদি অসমীয়াই পুবি খায়, এই ঠাইব বজা কোন হব ?

আবদুল—[খুব গহীন হৈ] হাম বাজা হবে, তুম দেখান।

পৃথ্বী—[গহীন হৈ] নাহি নাহি, হাম বাজা, তুম দেখান। পৃথ্বী সিং বাজা বহা। আবদুল খালেক বাজা পাটচাহ নাহি বহা।

আবদুল—হুকুমুদিলকা আগাবি কুতুবুদ্দিন নামবালে কৈ বাজা নাহি হে। আলমগীৰ আৰঙ্গজেবকে পিছাবি আবদুল খালেক বাজা হোনেতে কুছ্ ফর্ক্কা নাহি হোগা।

পৃথ্বী—আচ্ছা তুমো বাজা হো যাওগে।

আবদুল—হুজু, পৰোয়াই নাহিহেই উজুকচব। চিবাজী লে আও।

পৃথ্বী—আউর থানাদার চাহেবকো বাইজী লে আও। মহারাজ পৃথ্বী সিং আউর নবাব আবদুল খালেক বাহাদুর বহুত বকশিশ দেগা। [প্রহরী ছুটা দুফালে যায়]

আবদুল—[মদর বাটি তুলি লৈ শোহা মারি একো নাপাই দলি মারি পেলায়] ইচমে কুছ্ নাহি।

পৃথ্বী—[নিজর বাটিটো চাই একো নাপাই] বিলকুল খালি হোগিয়া। [এনেতে মদর পাত্র লৈ বাইজীর প্রবেশ]

আবদুল—খুব চুবট আচামী বাইজী লাগাও ফুর্ত্তি। [নিজর কথার লগে লগে পাক দিয়ে। পৃথ্বী সিঙে মুখেবে তবলা বজাই মুব জোকাবে। প্রহরীকেইটাই একলীয়া হৈ মদ খাই লয়। পাছব দুটাক দুবাটি দিয়ে। সিহঁতে নিজে খাই নাচনীকেইজনীক খুবাব খোজে, সিহঁতে « নাখাই আঁতব লয়।]

পৃথ্বী—কুছ্ পবোবা নাহি, ফুর্ত্তি লাগাও।

[বাইজীয়ে গীত গাই নাচে]

মৌ পিউ পিউ, মৌ পিউ পিউ
মৌ পিউ পিউ মৌ পিয়া ;
সবগ মবত শুকান জগত
মৌ লাগে আই মৌ দিয়া।
ওঠত আমাব প্রেমব ঝাগি,
প্রেম পীবিতি ফুবো ঝাগি,
মৌ দিয়া, মৌ দিয়া, মৌ দিয়া ভাই, মৌ দিয়া।

[বাইজীয়ে গান এখি গতত নাচে। পৃথ্বী সিং আক খালেকে লগে লগে তাল দি বাঃ বাঃ বলি মুখৰ চোপনি মাৰে। প্ৰহৰীকেইটাৱো দাঁতিত থিয় হৈ তলং ভটং কৰি মুৰ জোকাৱে। গতটোত "সবগ মৰত শুকান জগত" বজাওতেই আবদুল খালেক জাপ মাৰি উঠি পাক দি গাবলৈ ধৰে।]

আবদুল—"হবগ মবত হুকান জগত" বাঃ বাঃ বাঃ বাঃ

[পৃথ্বী সিঙে মুখেৰে তবলা বজায়, এনেতে মনোহৰক শিকলি লগাই বান্ধি দুটা সৈনিকে লৈ আহে। বাইজীৰ নাচ বন্ধ হয়।]

১ম সৈনিক—এইটো অসমীয়া গড়ৰ দাঁতিত মুদ্ধত ধৰা পৰিছে। বৰ বদমাচ। খুব ভালকৈ বাখিবলৈ কৈছে।

পৃথ্বী—[প্ৰহৰীৰ প্ৰতি] উনকো একদম্ বন্দী কৰকে বাখ। চালা চব কুৰ্ত্তি পানী কৰি দিলে। হাৰামজাদা।

[প্ৰহৰীয়ে নিয়ে]

আবদুল—[সৈনিক দুটাৰ প্ৰতি] এই কুত্তা চব ভাগো।

২য় সৈনিক—[স্বগতঃ] এওঁবিলাকে বেচ কোঠত পংবা দিছে!

১ম সৈনিক—[কুটাই] বোলো জমাদাৰ চাহাব! চন্তালি থাকিবা। অসমীয়াৰ হাতত মুবকেইটা যাব।

পৃথ্বী—জমাদাৰ নাহি। হাম মহাৰাজা পৃথ্বী সিং বাহাদুৰ।

২য় সৈনিক—যেনিবা গোতা পুখুৰীৰ বক ৰজা। ডেকেৰেলৈ যেই হোৱা, অবশ চন্তালি থাকিবা। [দুয়োটাৰে প্ৰস্থান]

খালেক—[বাইজীক] লাগাও কুৰ্ত্তি। [বাইজীয়ে নাচে]

[পট পৰে]

চতুর্থ দৃশ্য

[চিত্রসেন, নিত্যনারায়ণ, বুঢ়াগোঁহাঁই, পাত্রীফুকন, মোমাই বরুৱা, বরগোঁহাঁই আৰু অসমীয়া সৈন্যবিলাক যুদ্ধৰ বেশেৰে বিষাদভাৱেৰে আছে।]

বুঢ়াগোঁহাঁই—একেদিনে, একেখন যুদ্ধতে ইমানখোৰ সৈন্য হানি হোৱা ৰব দুখৰ বিষয়।

পাত্রীফুকন—কি কৰিব, স্বৰ্গদেউৰ আদেশ। [স্বগতঃ] ত্রিলোচন—ত্রিলোচনৰ নিশ্চয় ইষাত যোগ আছে, ই ত্রিলোচনৰ হে চক্রান্ত যেন লাগে।

চিত্র—গড় পাৰ হৈ যুদ্ধ কৰা সেনাপতিৰ আদেশ নহয়। গোটেই বৰ্ষাগ মাহটো মোগল সৈন্যই ওৰাহাটী বেঢ়ি থকা দেখি স্বৰ্গদেউৱে আমাক নিদিয়া হলে ইমানখিনি সৈন্য হানি হবলৈ নাপায়।

বুঢ়াগোঁহাঁই—দোষ মোৰ গাতে।

নিত্যনারায়ণ—আপোনাৰ গাত দোষ কেনেকৈ হব? স্বৰ্গদেউৰ আজ্ঞা।

বুঢ়াগোঁহাঁই—স্বৰ্গদেউৰ আদেশ বিফলে গ'ল। মোৱেই কৰ্ত্তব্যত ব্যাঘাত জন্মাই। নহলে সেনাপতি ৰবফুকনৰ কথামতে চলা হলে এনে নহয়।

পাত্রীফুকন—স্বৰ্গদেউৰ বন্দী-বেটাবিলাকে এনেয়ে ইয়াতে যোজ খাই খাই থকা নাই। এই কথা স্বৰ্গদেউৰ বুজিব লাগিছিল। কোনোবা দৰাচলীয়া বিশ্বাসঘাতকৰ পৰামৰ্শত স্বৰ্গদেউৱে বিপক্ষক অলাই এনে আদেশ কৰাটো ই বিশ্বাসঘাতকতাৰ নিদৰ্শন নহয়নে?—থাক যাওক।

নিত্য—গড়গাওঁ আৰু শবাইঘাট অনেক অন্তৰ। স্বৰ্গদেউৰ ইফালে গড়গাওঁলগা মিয়া আদেশ পালন কৰা অসম্ভৱ হৈ পৰিছে। পূৰ্বে স্বৰ্গদেউৰ ইফালে ৰবফুকন ভাণ্ডাৰীয়াক সেনাপতি পাতি মাজলীয়াক পঠাই দি নিজেই বৈছিল, দৰাইঘাটত ৰবফুকন সেনাপতিৰ ভাণ্ডাৰীয়াসকলৰ হৈতে

পরামর্শ করি যাতে দেশ রক্ষা হয় আরু স্বর্গদেউরো মান রয়, তাকেহে করিব। স্বর্গদেউর মুখেরে দিয়া আদেশর বিপরীতে যেতিয়া আদেশ আহিল তেতিয়া বুজিব লাগিছিল—সি আদেশ নহয়—আদেশর নামত চক্রান্ত। কোনোবা দেশদ্রোহীর হিংসার জুই। পানীমুকন, বুঢ়াগোঁহাঁই ডাঙরীয়া! ভুল মানুহর সকলোরে হয়, কিন্তু ইমান ডাঙর ভুল হোরাত আমার অনেক হানি হ'ল। কেবাজনো পালী সেনাপতিয়ে গড়র বাহিরত যুদ্ধ করি প্রাণ দিলে। অন্ধর একমাত্র আশা মনোহরক শত্রুয়ে বন্দী করিলে। মনোহরর বীরত্বর অসীম।

চিত্র—[স্বগতঃ] মনোহর—মনোহরক যদি বন্দী করিলে, তেন্তে বন্দীর কি হব? বন্দীর প্রাণর অবলম্বন মনোহর। মোর আরু বুজিবলৈ বাকী নাই।

বরগোঁহাঁই—এতিয়া আরু ভাবি থাকিলে কি হব। নিজর নিজর ঠাইলৈ যাওঁহক। হয় যুদ্ধজয়, নহয় শবাইঘাটর মাটিত বঙালর হাতত সকলোটিরে লয়।

[উত্তেজিতভাবে যুদ্ধর বেশেরে বরফুকনর প্রবেশ, সকলো সচকিত হয়]

বরফুকন—বাস্তবিকতে সঁচা কথা। কিন্তু এই দুই হাজার সৈন্যর প্রত্যেক টোপেই একোটা কলির ভীম। অন্ধরে দুখ করিবলৈ কম বদিও বর্তমান দুখ করিবর সময় নহয়। স্বর্গদেউর আজ্ঞাত যদি স্বর্গদেউর গো-গোবালি হানি হৈছে তাত কোনো কথা নাই। স্বর্গদেউর অকল-গহ হাজারর মানিক মহয়,লৈক লাখ লোকর জীয়ন-মরণর গধাবী। আজি বুঢ়াগোঁহাঁই ডাঙরীয়াই স্বর্গদেউর আজ্ঞাত দহ হাজার অসমীয়া সৈন্যক যম মুখত দিছেগৈ। কালিলৈ তেনে মুবি হাজার শবাইঘাটত উপস্থিত হবহি। যি মরি গ'ল তার সিমিতে বেজার করার আরুসক নাই। এতিয়া যিবিলাক জীয়াই আছে সেইবিলাক হয় মরিবর সিমিতে, নহয় যুদ্ধ জয় করিবর সিমিতে সাজু হওঁক। এই দেইহাজার সৈন্য যদি সি মোকলাক দেখুন্না হ'ল—অসমীয়া সৈন্য অকল গাঁচত সোমাবেই

নাথাকে—সিইঁত ওলাবও জানে। দুখ নকবিব, হতাশ নহব। এতিয়াও অসম দেশৰ প্রজা দেশদ্রোহী হোৱা নাই।

বুঢ়াগোহাঁই—ঠিক কথা। বাৰীৰ ভিতৰত এটি পুখুৰী সিচিলেও দুই-চাৰিটা শিঙিয়ে ফুটে। -আমাৰ দেশৰ ওপৰলৈ বাগৰি অহা মোগল সৈন্যৰ সাগৰখন সিচোতে দহ হাজাৰ একো বেছি নহয়। আমি এই বাতৰি স্বৰ্গদেৱকো নজনাওঁহক।

(সকলোৰে জয়ধ্বনি)

[পট পৰে]

পঞ্চম দৃশ্য

[পানীকুকনৰ ঘৰৰ চোতাল। লীলাই কলপাতৰ চানেকিত ফুল তুলি অকলে অকলে গুণ গুণকৈ গাই থাকে।]

[গীত]

মলত মলেমলাই মৰমৰ ৰাধুনী
মলতে মৰহি প'ল;
চকুত জলেজলাই হিয়াৰে জেউতি
চকুতে ওপজি ৰ'ল।
বালি ভকেতকাই চাকৈৰ চকুপানী
চকোৱাই চিঙিছে চুলি,
লোণে জিকেমিকাই ৰঙালী চতুতে
গ্ৰলে সাৱটিব ধুলি।

ৰূপত ভিৰেবিৰাই গুহলী ফুলনি
মাধৈ মালতীৰ কুঁহি
ৰব গুণেগুণাই কলীয়া ভোমোৰা
হিয়াৰে মাধুৰী চুহি।
মেঘে ঘিটেঘিটাই বৰাগী ডাহৰে
বতাহে ধলাৰ পানা।
শৰে পিটেপিটাই ৰবনৈ চাপনি
ভেলেণ্ডীৰ বাতৰি আনি।
মনে লিকেলিকাই গুহনী বিৰহী
লগৰীৰ বাতৰি পাই
ৰদে চিকেমিকাই গধূলিৰ পধূলি
পিলিঙাৰ সঁহাৰি নাই।

লীলা—[স্বগতঃ] ধন্য বন্ধী, তোমাৰ প্ৰেম ধন্য! সামান্য ভিৰোতাৰ বলেৰে তুমি মহাপৰাক্ৰমী মোগল বাহিনীৰ মাজবপৰা তোমাৰ হৃদয়ৰ দেৱতাক উদ্ধাৰ কৰিবলৈ গৈছা। সহস্ৰ সহস্ৰ অসমীয়া বীৰে যাক ৰাখিব পৰা নাই, ক্ষুদ্ৰ বন্ধীৰ পোহৰেৰে তুমি কি সাধ্যে ভেঙঁক ৰক্ষা কৰিবা? মোৰ অনুমান, মনোহৰৰ দশাই তোমাৰ দশা হব। হয় তোমাৰ মৰণ নহয়, বন্দীত্ব ৰৰণ। মই বুজিছোঁ বন্ধী, বিৰহী হৈ জীৱন ধাৰণ কৰাতকৈ মৰণ শ্ৰেয়ঃ। ধন্য মনোহৰ, তোমাৰ কাৰণেই বন্ধীয়ে সংসাৰৰ সকলো সুখ জলাঞ্জলি দিছে। কিন্তু বন্ধীক মনোহৰ যেনে, লীলাৰ নিত্যও তেনে। [চানেকি এৰি মুৰে-কপালে হাত দি বহে। গ্ৰন্থেতে সনাতনৰ প্ৰৱেশ। হাতত লাখুটি আৰু মুৰত পাগুৰি।]

সনাতন—হেৰৌ আই, তোক মুৰে কপালে হাত দি বহি থাকিবলৈ কিহে পাইছে? বন্ধী নাথাকোতে জানো তই ইয়াত নাছিলি? মই

আগধরিয়েই জানিছে), সেই বন্ধীগুছি সামান্য বন্ধী নহয়। তাই মন্ত্রীয়া ছোৱালী, মনে মনে কুবা অভ্যাস। অবশ্য সন্নাহ থকা যি কেতিয়াবাই থাকে হোঁ? মই তাইক অলপ বিচাবি গ্লাওঁ। নহলে চিয়াহাঁহ বেয়া পাব।

লীলা—বিচাৰকগৈ য'ক। কিন্তু পোন্নাব বেগেতে আশা নাই।

সনাতন—পাওঁ নাপাওঁ, আমাৰ কৰ্ত্তব্য আমি কৰিব লাগিব।

[লাখুটি বাই বাই বিপৰীত ফালে প্ৰস্থান]

লীলা—[স্বগতঃ] দেহি ঐ, বন্ধী হেন ছোৱালীক সনাতনে ভাল নাপায়। নাপাৰব কাৰণো হওতে আছে। পুৰুষে নাৰীৰ স্বাধীনতা সহিবলৈ টান পায়। বন্ধীৰ দোষ হৈছে—তাই স্বাধীনচিত্তীয়া।

নেপথ্যত পানীফুকন—সনাতন আছা নে? অ' সনাতন!

লীলা—সনাতন নাই।

[পানীফুকন আৰু পাছে পাছে খুঁজৰ লাজেৰে নিতাৰ প্ৰস্থান]

পানীফুকন—আই ঐ লীলা। ভালে আছ?

[লীলাই লৰি বাপেকৰ ওচৰলৈ আহে, বাপেকে সাৱটি ধৰে]

লীলা—দেউতা, একৰকম ভালে আছোঁ। সনাতনে বন্ধীক বিয়া কৈছে। বন্ধী কালিবপৰা নিৰুদ্দেশ। তাইক বাপেকে বিয়া কৰোৱাব খোজা বাবে সনাতন এৰুৱাই।

পানীফুকন—বন্ধী কলৈ গ'ল?

লীলা—বোধকৰো মনোহৰক বন্দী কৰা খবি দিয়া, তাইক ধৰি হেঙুক পলুৱাই আনিবলৈ গ'ল।

পানীফুকন—ই আচৰিত কথা, নিতানাৰায়ণ!

নিত্য—একো আচবিত নহয় কাঞ্চীনা। চিত্রসেনবপবা মই জানিবলৈ পাইছিলো যে, বন্তীয়ে মনোহবক মনে মনে পতিব্রূপে বৰণ কৰিছিল। চিত্রসেনেও এই কথা গম পাই ভাল পাইছিল।

পানীকুৱৰ—যাক, ভাবি থাকিলে একো নহয়। কিবিব পাৰিম। লীলা, তই নিত্যক সোধ-পোছ কব। মই ভিতৰলৈ যাওঁ।

[পানীকুৱৰব প্রস্থান]

লীলা—কোঁৱব বহক। থিয় হৈ আছে কেলৈ?

নিত্য—থিয়ৈ থিয়ৈ বব আশা কবি তোমাক মাথোন এবাব কথা শুধিবলৈ মণকেত্রবপবা লবি আহিছো।

লীলা—[তলমুৱ কবি বিহাব আগ কামুবি] কি কথা?

নিত্য—[তলমুৱ কবি ইফাল-সিফাল কবে] কি কথা। কথা বহুত কম বুলি আহিছিলো। কিন্তু আটাইবোব পাহবি গলো। বাক লীলা··।

[তলমুৱ কবে]

লীলা—আপুনি পুৰুষ। আপুনি কথা কবলৈ সঙ্কোচ কবা উচিত নহয়। আপোনাব চকু-মুখ-কাণ সকলোবে অন্তবব কথা কৈ দিছে। কোঁৱৰ! আপুনি বুদ্ধিমান মানুহব ওচবত ধবা পবিব। মোব ক্ষুদ্র বুদ্ধিব ধাবেই সকলো বুজিছো। আৱশ্যক হলে বন্তীব দবে মবো এদিন তব এৰিব পাৰিম। ঈশ্ববে তাকে নকবক।

নিত্য—লেহে ভেঙে লীলা। ঈশ্ববেই তাকে নকবক। পথা হলে মোব জীৱনটোব সোব হিয়াত লিখা থকা একমাত্রকীয়া আখব লী—লী।

[লীলাব কাষ চাপি যায়]

[পট পবে]

অষ্ট দৃশ্য

[বচিদ খাঁই লগবীয়াবে সৈতে তামি ঘবত ফুর্তি কবিছে। মাজে মাজে মদ খাইছে। বাইজীয়ে গীত গাইছে।]

[গীত]

মধুব মিলন কথা
সপোন সুবেবে গাঁথা
ধীবে ভুমুকি মাবি বায়।
আজি আমাব যৌবন বীণ
ছন্দে উঠিলে বন্ধন হীন
পাহবা বাগিয়ে প্রাণ হবি নিয়ে
মন বলিয়া পাই।
চঞ্চল চাবনি মোহন বাণ
ববষে ব্যাকুল আকুল প্রাণ
নিয়ে উকবাই সুবব পাচনি পাই
মিগ্ধ মলয়া বায়।

[বাম সিংহব কটকীব প্রবেশ]

কটকী—আপোনাক আকৌ মাতি পঠাইছে। মহাবাজব তামি অহা কথা আপীয়াব এটা ভুলী পবি তেখেতব অভিজ্ঞাকব মৃত্যু হৈছে।

বচিদ—বাম সিংহই মাতিছে? কি দবকাব? নই বাব প্রেয়াবেবো ফুবি কৈ দিছো। আকৌ কেইল আছিল? বাম সিংহব অভিজ্ঞাক মাবিছে মদব দিয়ঁচল কবেঁ। অ' মহব পুবি দেখোনাহেঁল কবেঁবব ভুলো আছি।

কটকী—যদি আপুনি নাযায় তামি যঁই উঠাই দিবলৈ কৈছে।

বচিদ—যুদ্ধত আৱশ্যক নহলে বৰ সেনাপতিয়ে লোক মাত্ৰেই আৱশ্যক নাই। এতিয়া মোৰ স্ফূৰ্তিৰ সময়। স্ফূৰ্তি শেষ হলে মই নিজেই দিল্লীলৈ উৰুতি যাম। যাম সিংহৰ হুকুম তামিল কৰি মই ইয়াত নাথাকো।

কটকী—মই সেইবোৰ নাজানো। আপুনি আৰু এঘণ্টাৰ ভিতৰত দেখা নকৰিলে আপোনাৰ তামি যৱৰ বহী কটা হব।

বচিদ—যুহু, পৰোৱাই নাই। উঠুক ভাগো।

[তৰোৱাল লৈ খেদি যায়। কটকীৰ প্ৰস্থান]

[পট পৰে]

চতুর্থ অঙ্ক

প্রথম দৃশ্য

[বাম সিং ৪ অকলে]

বাম—[স্বগতঃ] আচৰিত কথা। ভাৰতৰ এচুকত পৰ্ব্বতৰ মাজত সোমাই থকা এমুঠি অসমীয়াৰ স্পৰ্দ্ধা বাস্তৱিকতে এটা আচৰিত কথা। হিমালয়ৰপৰা কন্যাকুমাৰীলৈকে যি সম্রাটৰ দোৰ্দ্দণ্ড প্রতাপ সহ্য কৰিব পৰা কোনো ওলোৱা নাই, যি ৰাজপুতগৌৰৱ জয়সিংহৰ প্রতাপত মহাৰাষ্ট্ৰ কুলপতিলক ছত্রপতি শিৱাজীয়ে পৰাজয় স্বীকাৰ কৰিলে, সেই ৰাজপুত নৃপতিৰ বংশধৰ হৈ, দিল্লী সম্রাটৰ সাগৰসদৃশ সেনাবাহিনীৰ নায়ক হৈ এই ক্ষুদ্র অসম প্রদেশত পৰাজয় স্বীকাৰ কৰাতকৈ মৃত্যুও শ্রেয়ঃ। মোগল সাম্রাজ্যৰ প্রধান সেনাপতি, আলমগীৰ সম্রাটৰ সোঁহাত, জয়সিংহৰ পুত্রই ভাৰতৰ সামান্য চুক এটাত সম্রাটৰ বিজয় গৌৰৱত কলঙ্ক আৰোপ কৰা নিতান্ত অমার্জ্জনীয় দোষ। [বেগেৰে ঘুঁজৰ বেশত নচৰতৰ প্রৱেশ] কি খবৰ মিঞা চাহাব ?

নচৰৎ—খবৰ ভয়ানক।

বাম—আপোনাৰ অহাৰ গতি আৰু চেহেৰা দেখি কিবা ভয়ানক খবৰ আনিছে বুলিয়েই অনুমান কৰিছো। কিন্তু বচিদ খাঁ দিল্লীলৈ উভতি যোৱাৰ খবৰ মই পাওঁ। মোৰ অনুমান, বচিদ খাঁই, অসমীয়াৰ বিচপত খাঁই সিহঁতক সুবিধা দিয়ে।

নচৰৎ—মহাৰাজ, খবৰ সঁচাকৈয়ে ভয়ানক। অসমীয়া সৈন্য ইমান বিচক্ষণ বুলি মই নাজানিছিলো। আপুনি যিয়ে বোলক, অসমীয়া সৈন্যৰ বিচক্ষণতাত মোৰ বিশ্বাস নহয়। সিহঁতে যাদু জানেনে আৰু বচিদ মিঞা বহুত দিন

অসমত থাকি একেবাৰে অসমীয়া হৈ গ'ল। বাদগাহঙকৈ অসমীয়া বজাৰ লগত তেওঁৰ খাতিৰ বেছি। যাওক, তেনে মানুহৰ আৱশ্যক নাই। কিন্তু ইটো খবৰ···

ৰাম—[অলপ আমনি পোৱাৰ দৰে] অসমীয়া সৈন্যৰ যাদুৰেই হওক বা সিঁহতৰ বিচক্ষণতাই হওক, আপুনি কি খবৰ আনিছে?

নচৰৎ—পাণ্ডুৰেদি গড়ত থাৰ ভৰাই যিডোখৰ ভঙা হৈছিল সেইডোখৰ অসমীয়াই অলপ সময়ৰ ভিতৰতে আগতকৈ ভালকৈ বান্ধি পেলালে।

ৰাম—আমাৰ সৈন্যবিলাক যুদ্ধক্ষেত্ৰত শুই আছিল নে কি?

নচৰৎ—শুই থাকিব কি, সৈন্য ঠিকেই আছিল। গড়ত জই লগাই দিলত গোটেইখন ধুঁৱলি কুঁৱলী হৈ একো নেদেখা হ'ল। তেতিয়াই অসমীয়া সৈন্যই গড়টো বান্ধি পেলালে। সেই অলপ সময়ৰ ভিতৰতে সিহঁতে কেনেকৈ গড়টো বান্ধি পেলালে মই হলে আচৰিত। ই অসমীয়াৰ যাদুবিদ্যাৰ বল। আমাৰ অসমীয়া চোৰাংচোৱা ত্ৰিলোচনে লৰালৰিকৈ এই খবৰ দিলেহি শ্ৰদিও, আমি একো কৰিব নোৱাৰিলো।

ৰাম—ত্ৰিলোচন অসমীয়াৰ ভিতৰৰ এজন অতি ভয়ানক বদমাচ মানুহ। ভাল হোৱাহেঁতেন সি বহুত কাম কৰিব পাৰিলেহেঁতেন। মই বুজিছো এতিয়া, যেনে তেনে অসমীয়াক পৰাজয় কৰা কঠিন হৈ পৰিছে। পাণ্ডুৰেদি সোমাৰ নোৱাৰিৰেই আমাৰ সৈন্য বহি থকা উচিত নাছিল।

নচৰৎ—আমাৰ সৈন্যবিলাক সঁচাকৈয়ে বহি থকা নাই। আপোনাৰ হুকুমলৈ অপেক্ষা নকৰি শৰায়েদি গাঁত খানি গড়খাৰৈ পুতি চাৰিটা সৈন্যই মৰো-জীওঁ নগণি গড়ত উঠিছিল। অসমীয়া সৈন্যই ডাঙৰ ডাঙৰ কাঠ বগবাই সিঁহতৰ চিন নাইকিয়া কৰিলে। ইফালে লঠিয়াত আমাৰ ফলীয়া বৰ দোৱনীয়াবিলাকে কাঁড় আৰু গুলীয়ে নোপোৱা ঠাইত কাঠ-গড় দিছিলহি। গড় আধা বান্ধোতেই ৰবগোহাঁঞে সৈন্য সামন্তৰে সৈতে নিজ গড় পাৰ হৈ

তাহাঁতক আক্রমণ কৰিলে। সিহঁতৰ অনেক পলাই সাৰিল। অনেক কটা গ'ল। ভীমবাৰে সৈতে একাৰনটা মানুহ বন্দী কৰিলে। অনেক আহিলা পাতিও হাত কৰিলে। এইদৰে আমি ভালকৈ জনা শুনা বুলি অসমীয়াৰ বিপক্ষে আগবঢ়াই দিয়া অসমীয়া বিলাকো ধ্বংস হ'ল। সেই কাৰণেই আমাৰ সৈন্যবাহিনী এই আগীয়াৰ্ঢুঁটিৰ ওচৰলৈ হুহকি আহিছে।

ৰাম—মিঞা চাহাব। আপুনি অলপো পলম নকৰি সৈন্যবাহিনীক সংযত কৰক। সিহঁতক আৰু পাছ হুহকিবলৈ নিদিব। মিঞা চৰিপথাঁই পানীয়েদি আগবাঢ়ক। মই তাকৰ ভাগ সৈন্য লৈ আগীয়াৰ্ঢুঁটিত অসমীয়াক আক্রমণ কৰো। কোচবিহাৰৰ বিৰোৰ কাঁড়ী সৈন্য আহিছে সিহঁতে ছেগ বুজি গছত উঠি পৰ্ব্বত বগাই গড়ৰ ভিতৰত থকা অসমীয়া সৈন্যলৈ কাঁড় মাৰক। য'ক মিঞা চাহাব। আপুনি বৈ নাথাকিব।

নচৰৎ—মই আহিলো। আপুনি চৈয়দ হাচানক লগত ৰাখিব। কাঁড়ী সৈন্যও হুহোৱামান ৰাখিব। অসমীয়াই আগীয়াৰ্ঢুঁটিত ভয়ঙ্কৰ যুদ্ধ কৰাৰ সম্ভাৱনা। [প্রস্থান]

ৰাম—[স্বগতঃ] আগীয়াৰ্ঢুঁটিত অসমীয়াই ভয়ঙ্কৰ যুঁজ কৰিব। সিহঁতে জনা নাই, আগীয়াৰ্ঢুঁটিত স্বয় ৰাম সিংহ বৰ্ত্তমান? এই অসম দেশ—কামৰূপ—কামাখ্যাদেৱীৰ অতি আদৰৰ ঠাই। সেই কাৰণেই হে অসমীয়াৰ ইমান প্রতাপ। [কামাখ্যাৰ উদ্দেশে হাতযোৰ কৰি] হে মাতৃ জগত জননী! তুমি অকল অসমীয়াৰে জননী নোহোৱা। ৰাজপুতেও তোমাক কোনো দোষ কৰা নাই। [পুনৰ নমস্কাৰ]

"সর্ব্ব মঙ্গলে মাঙ্গল্যে শিৱে সর্ব্বার্থ সাধিকে
শৰণ্যে ত্র্যম্বকে গৌৰী নাৰায়ণী নমস্তুতে।"

[হঠাৎ বীৰৰ বেশেৰে হাতত তৰোৱাল লৈ মতীৰ প্রবেশ]

মতী—[খঙেৰে] অসমীয়াৰে তোমাক কোনো দোষ কৰা নাই।

রাম—[স্বগতে হাততে তরোয়াল লৈ উঠতি চাই] কোন? [বন্দীক দেখি জঁয় পরি যায়। হাতর তোলা তরোয়াল ক্রমে নামি আহি মাটিত পরিলহি।] ক্ষমা করা মাতৃ। জগত জননী। অপার করুণা করি তুমি দাসক দেখা দিলাহি। [আঠুকাঢ়ি হাতযোর করে]

বন্দী—[বিরক্তভাবে] সাবধান। মোর প্রাণর দেহতাক বধ করিবি, নে বন্দী করিলি?

রাম—মুজা নাই মাতৃ, আপুনি কি কৈছে।

বন্দী—তই কি বুজিবি। তোর শিলের বন্দোবা কুকুত বুজার ঠাই নাই, তই পুরুষ; তাতে সৈনিক। হয় মোর প্রশ্নর উত্তর দে, নহয় মোর সৈতে যুদ্ধ কর।

রাম—[স্বগতঃ] বাস্তবিকতে কুক্ষণত আহি এই মায়ামর দেশত প্রবেশ করিলোহি। [ফুটাই] আপুনি চিনি পোরা নাই, মই সামান্য সৈনিক নহওঁ। মোগলর প্রধান সেনাপতি—অম্বরেশ্বর—রাম সিংহ।

বন্দী—রাম সিংহ, রাম সিংহ! তোর উপাধিয়ে পশুরাজ সিংহর নামত কলঙ্ক আনিছে। দিল্লীসম্রাটর সামান্য ভৃত্য রাম সিংহক মই প্রতিজ্ঞাও চিনিবলৈ বাকী খোজা নাই। দিল্লীসম্রাটর পরম্ব অপহরণ করা কার্য্যত সাহায্য করোতা মহারাজ নামধারী রাজপুতকলঙ্ক রাম সিংহক মই বেচ চিনিছো। কিন্তু রাম সিংহরে নামাগে তার প্রভু দিল্লীর পাটচাহকো মই গুদাই নেরো। জানিছ রাম সিংহ, তই মোর কি নিলি?

রাম—গরবরাব, নারী বুলি আক সহ্য নকরো।

বন্দী—রাজপুতর কলাল! তোক সহ্য করিবলৈ কোনে কৈছে? [তরোয়াল লৈ খেদি যায়। রাম সিংহই নিজর তরোয়ালেরে বন্দীর আক্রমণ ব্যর্থ করি হাতত ধরে। বন্দীয়ে হাত এরাবলৈ যত্ন করে।]

ৰাম—প্ৰহৰী ! [দুটা প্ৰহৰী আহি চালাম দিয়ে] এইক বান্ধ। [ৰাম সিংহৰ হাতৰপৰা বন্তীক লৈ সিহঁতে খটবান্ধ কৰি বান্ধে] খুব সাৱধানে ভালকৈ বন্দী কৰি থবি।

বন্দী—[খঙেৰে] তহঁতে মোক কি বন্দী কৰিবি। [লৈ যায়]

[পট পৰে]

দ্বিতীয় দৃশ্য

[গুৱাহাটীৰ গড়ৰ দাঁতিত যুদ্ধক্ষেত্ৰৰ একাংশ।
পানীফুকন আৰু ৰৰফুকন]

পানীফুকন—মনোহৰক বন্দী কৰি নিয়াৰ লগে লগে মোৰ মৰমপৰা বন্তী বোলা চিত্ৰসেনৰ ছোৱালীটি কৰবালৈ গ'ল।

ৰৰফুকন—য'ক যলৈ যায়। তাৰ নিমিত্তে চিন্তা কৰিবৰ বিশেষ একো আৱশ্যক নাই। গোটাচেৰেক সৈনিকক সেই কাৰ্য্যত নিযুক্ত কৰিলেই আমাৰ কৰ্ত্তব্য কৰা হব।

পানীফুকন—তথাপি ছোৱালীজনী·····

ৰৰফুকন—তুই বেচ বুজিছো ফুকনদেও। পিছে এই দেশখনৰ বিষয় যেতিয়া চিন্তা কৰাৰ ভাৰ আমাৰ গাত পৰিছে, আমাৰ ক্ষুদ্ৰ ছোৱালী এজনীৰ কথা ভাবিবৰ ক'ত সময় আছে ?

পানীফুকন—অৱশ্যে আপুনি সেইটো সঁচা কথাই কৈছে। কিন্তু মোৰ আশ্ৰয়ত চিত্ৰসেনে ছোৱালীটি থৈ নিশ্চিন্ত হৈ আছিল। মোৰ মৰমপৰাই আকৌ তাই নাইকিয়া হ'ল।

ৰৰফুকন—আপুনিতো ৰাখি ফুৰিবলৈ গাত লোৱা নাই। চিত্ৰসেনেও আপুনি যুদ্ধক্ষেত্ৰত হে সৰহ ভাগ সময় কটায় বুলি জানে।

পানীকুকন—সেইটো অহন্তে হয়।

[চিত্রসেনৰ প্রবেশ]

চিত্র—ডাঙৰীয়াসকল! যুদ্ধৰ অৱস্থা বিষম। আৰু এইদৰে থাকিলে সর্ব্বনাশ হব।

পানীকুকন—নহয় চিত্রসেন। আমি তোমাৰ বন্তীৰ—

চিত্র—বন্তীৰ বিষয়? বন্তী মোৰ একমাত্র কন্যা হলেও তাই মোৰ দেশতকৈ ডাঙৰ নহয়। মই জানো, তাই মনোহৰক মন প্রাণ সপি দিছিল। তাক বন্দী কৰি নিয়াৰ বাতৰি পাই তাই বিচাৰি গৈছে। ৰ'ক, তাইৰ কর্ত্তব্য তাই কৰিছে। যাক ভাল পাইছে তাৰ লগত প্রাণ দিয়াহে যুক্তি-যুক্ত। তাই সতীত্বৰ চিনাকি দিয়াত মই পৰম সন্তোষ পাইছো। মনোহৰক উদ্ধাৰ কৰিব নোৱাৰিলেও তাই মৰিব জানিব। সেই নিমিত্তেই মই নিশ্চিন্ত। মনোহৰৰ বাপেক কণা সেনাপতিও শিবিৰৰপৰা নাইকিয়া হৈছে।

পানীকুকন—বুঢ়াই একমাত্র পুতেকৰ শোকত চাগৈ কৰবাত খপিয়াই জপিয়াই কুৰিছে।

ৰবকুকন—কণাই কি বিচাৰিব। কৰবাত বঙালে পালে শাস্তি কৰি মাৰিব। আৰু চিত্রসেন, তুমি কম মানুহ নোহোৱা। তোমাৰ কথা শুনি আমাৰ যুদ্ধ জিনা আশা দৃঢ় হৈছে। [পানীকুকনলৈ চাই] ক'ত্তা মোমাইদেউ নাপালেহি যে!

পানীকুকন—আহিব, পায়হিহে লাগে।

[ত্রিলোচনৰ প্রবেশ]

ৰবকুকন—কোন? ত্রিলোচন? অসম ৰাজ্যৰ বিপদৰ সময়ত নিশ্চিন্তমনে ক'ত ঘুৰি ফুৰিছা?

ত্রিলো—দেউতা ! [মুৰ খজুৱাই, গলধনত হাত মোহাৰি] বন্দীৰে হওতে কামতে কুবিছো। এতিয়া দেউতাৰ আৱশ্যক হলে বন্তীক বিচাৰা কামত নিয়োগ কৰিব—

চিত্র—মনে মনে থাক কুকুৰ। আক নামাতিবি। মোৰ বন্তীক তোৰ নিচিনা কুকুৰে নিচাৰি উলিয়াবৰ আৱশ্যক নকৰে।

পানীফুকন—দূৰ হ ত্রিলোচন, দূৰ হ। তোৰ যদি জীৱনত মায়া আছে দূৰ হ।

[ত্রিলোচনৰ চুচুক্ চামাকৈ প্রস্থান]

ৰৱফুকন—কি হ'ল ? ই কি কৰিলে ?

চিত্র—ই মোগলৰ গুপ্তচৰ বুলি মই প্রমাণ পাইছো। ইয়াক কেতিয়াও বিশ্বাস কৰিব নাপায়। সিদিনা অকলশৰীয়াকৈ ঘৰত পাই ই লীলা আইদেউক ৰৱ বেয়া ব্যৱহাৰ কৰিছিল। লীলা নহৈ বন্তী হোৱা হলে তাৰ মুৰ উকৰিল-হৈতেন।

পানীফুকন—বন্দী কৰি থৈ দিয়াহে যুক্তিসঙ্গত। সোঁৱা বৰুৱাদেও আছিছে।

ৰৱফুকন—আপোনালোকে সঙ্গ মীমাংসা কৰি ত্রিলোচনৰ নিচিনা মানুহ-বিলাকৰ কিবা এটা সঙ্গ উপায় কৰা উচিত।

মোমাই—মোৰ কি আৱশ্যক হৈছিল ?

ৰৱফুকন—আপুনি অলপো „পুলম নকৰি আজি ৰাতিয়েই গড়ৰ মুৰটো দীঘলে বঢ়াই পেলাওক গৈ। নৱদ্বাললে পুৱা মোগল সৈন্যই সেইফালেই ওলাহাটী সোমাব। মই এইমাত্র চোৱাংচোৱাবপৰা এই বিষয়ে জানিবলৈ পাইছো।

মোমাই—বাৰু, মই আহিলোঁহেই।

[প্রস্থান]

ববকুকন—পানীকুকন ডাঙবীয়া! আপোনালোকে তেন্তে ত্রিলোচনব গতিবিধিব ওপবত চোকা দৃষ্টি বখাই বৰ্ত্তমান থাকক। সি এলেবে হাতে হাতে ধবা পবিব।

পানীকুকন—মই আগবপবাই তাক লক্ষ্য কবি আহিছো।

চিত্র—লীলা আইদেউবপবা তাব কথা শুনি মোব ভয়ঙব সন্দেহ হৈছে।

[পট পবে]

তৃতীয় দৃশ্য

[যুদ্ধক্ষেত্র। মোগল সৈন্তব শিবিবব সম্মুখ]

[মোগল সৈন্তসকলে হাতত অর্দ্ধচন্দ্র চিহ্নিত পতাকা লৈ ঢাক বজাই বজাই বণছালি কবি আছে। এফালে বাম সিংহ, নচবৎ আক চবিপ খাঁ। আনফালে কিবাত সিংহ, বাইবাম দেও আক চৈয়দ হাচান]

[গীত]

বিশ্ব বিজয়ী গোৱাহে গান,
বিশ্ব বিজয়ী হিন্দুস্থান।
　　বিশ্ব বিজয়ী গোৱাহে গান।
জগতপতিব দিল্লীপতিব
　　বাখিব লাগিব আমিয়ে মান।
লক্ষ জনব বক্ষ বিদাবি
　　তপ্ত শোণিত কবিলে দান।
দক্ষিণে নাচে কেলিল সিন্ধু
　　উত্তবে নাচে হিমব প্রাণ।

মধ্য হৃদয় শেভিছে তৃপ্ত
বীর বাহিনীর পূত খান।
নির্ভীক হিয়া উল্লাসী আজি
বিজয় মদিরা করাহে পান।

নফরৎ—[আলমগীর বাদচা কি ফটে] [জয়ধ্বনি]

আনবিলাক—'আলমগীর বাদচাহ কি ফটে' [সমস্বরে জয়ধ্বনি]

নফরৎ—'জয় মহারাজ রাম সিংহর জয়' [জয়ধ্বনি]

আনবিলাক—'জয় মহারাজ রাম সিংহর জয়' [সমস্বরে জয়ধ্বনি]

[রাম সিংহই তরোয়াল দাঙি অভিবাদন জনায়]

রাম—বীরসকল! যিমানেই অসমীয়াই বীরত্ব প্রকাশ করক, যিমানেই অসমীয়া বিচক্ষণ যোদ্ধা হওক, যিমানেই অসমীয়াই বাহু জানক, ভারতসম্রাটর লাখসন্ধাশ সৈন্যবাহিনীর আগত অসমীয়া মুষ্টিমেয়। তিনি মাহ গড়র ভিতরত সোমাই থাকি আমনি পাই অসমীয়া সৈন্য বাধ্য হৈ ওলাই আহি আমার লগত ক্রোধ পাতিলে। চাওক বীরসকল, আপোনালোকর বীরত্বতে দলিবাবীত দহহেজার অসমীয়া সৈন্যর প্রাণ গ'ল। ১৫৯১ শকর শাওণ মাহর কুবি দিন মোগার যি বৃহস্পতিবার সি অসমীয়ার বুরঞ্জীত তয়ঙ্কর পরাজয়র দিন বুলি লিখা থাকিব। আৰু সেইদিন মোগল সাম্রাজ্যর বুরঞ্জীত গৌরবর দিন বুলি সোণালী আখরেরে লিখা থাকিব। আপোনালোকর প্রত্যেকে ভবিষ্যত জীবনত সেইদিন সুঁৱরি তৃপ্তি পাব। বাওক বীরসকল, বজ্রপাতর দরে গড়র সীমার মুরেরি সোমাই ওজাহাটীত পরি নগর ধ্বংস করক। আপোনালোকক কোনে বাধা দিয়ে! কামাখ্যার শিলাময় পীঠে অসমীয়াক কি রক্ষা করিব? ভারত বিজয়ী মোগল, পাঠান আৰু রাজপুত বীরসকলর আগত লাচিত বরফুকন কোন? এইবার রামে গড়র মুরে আৰু পানীয়ে ব্রহ্মপুত্রইদি ভাগে ভাগে অসমীয়াক আক্রমণ করক। আমার জয় অবশ্যম্ভাবী।

নচবৎ—[জয়ধ্বনি] 'আলমগীব বাদচাহ কি ফটে' [আনবিলাকব তথাকবণ]

বাম—ভয় নাই বীবসকল। আক দুই এক্ষিতে অসম দেশ আমাব হব। আপোনালোকে ইচ্ছা কবিলে ইয়াব ঠায়ে ঠায়ে জাহগীবদাব হৈ থাকিব পাবিব।

[পট পবে]

চতুর্থ দৃশ্য

[বাতি। গডত মানুহবিলাকে কোব আক পাচি লৈ গডব কামত লাগি ভাগবি পবিছে।]

মোমাই—নবাব বোপাইহঁত নবাব। বাতিব ভিতবত গড নহলে স্বর্গদেবব ওচব পোবা দুবব কথা, ববফুকনেই শেষ কবিব।

১ম মানুহ—দিনত খুঁজ কবিয়েই ভাগব লাগি তত নাই। আকৌ বাতি এখন্তেক জিবাবলৈ আজবি নহলে কেনেকৈ? [বহে]

২য় মানুহ—শবীবে নাটানে দেউতা—শবীবে নাটানে। কাঠ- বাঁহব শবীব নহয় নহয় দেউতা। [বহে]

মোমাই—হেব, খুঁজত মবাহেঁতেন কি হলহেঁতেন? ভাগব লাগিবলৈকে তেও শবীবটো আছে। মবাতকৈ ভাগবঁকৈ লাগকচোন।

৪র্থ মানুহ—দেউতাই কাটক বা মাবক নোবাবো আক।

[লাহে লাহে আটাইবোব মানুহ শুই পবে]

মোমাই—আজি ভাল বিপদত পবিলো। ছেঃ [স্বগতঃ] ভাইতব গাত নো কি দোষ। দিনটো খুঁজ কবি আকৌ গড়ত লাগিবলি লগীয়া বাতি হৈছে। [এটাক মাতি] হেব, ওঁহঁতে খুঁজ কবা নাই নহয় আজি?

১ম মানুহ—দেউতা যুঁজ কবাই ভাল। যুঁজ কবো বুলি মুখ-হাত নোধোৱাকৈ থকা বেছি টান। এতিয়া টোপনিব লগত কবা যুঁজখনলৈ চাই মানুহব লগত কবা যুঁজখন বহুত ভাল।

[আকৌ শোৱে]

মোমাই—[স্বগতঃ] কি কবো এতিয়া? [অলপ ভাবি] নহয়, ইহঁত অলপ শোৱক। তাব পিছত তুলি কামত লগাম। বাতিব ভিতবত এই সীমা মুবি গড়টো নহব নে?

[বহে আক তামোলব হাঁচতি মেলি তামোল খায়]

[এনেতে ওচবতে নিয়তী চবাই এটাই 'নিউ নিউ' কবে,
মোমায়ে বহাবপবা উলাট চায়।]

মোমাই—হেব কাক নিয়? বি গতি ধবিছে আটাইবোৰকে নিব হওতে।

১ম মানুহ—[শোৱাবপবা মুব দাঙি] তয় নাই দেউতা। আপোনালোকব বঙালব তবোৱাল-বন্দুকে প্রথমে আমাকহে চিনি পাব।

[নিয়তীয়ে আকৌ মাতে 'নিউ নিউ']

মোমাই—কি আপদে পালে এইটো! শুনিবব মন নাযায়। দিনত হোৱা হলে একে কাঁড়ে বিজিলোহেঁতেন।] ১ম মানুহটোব প্রতি] শুই শুনিহে, টোপনি নাহিল দেখোন?

১ম মানুহ—কি টোপনি আহিব। টোপনি চবি গ'ল। এতিয়াও মাত মতাব কালে কাঁড় দুটামান মাবি দিবক। নহকিলেও শুচি যাব।

মোমাই—এৱা, হওতে কথাটো মিছা নহয়। [ওচবপবা দেহ-কাঁড় তুলি লৈ 'হুঃ বাপেবে মব' বুলি তিনটা কাঁড় মাবে। নিয়তী উবি যায়। [

[মোমায়ে নেদেখাকৈ বিপৰীত ফালবপৰা হাতত
তৰোৱাল লৈ ববকুকনৰ প্ৰৱেশ]

ববকুকন—[খঙত আচৰিত হৈ] সৰ্ব্বনাশ, সৰ্ব্বনাশ! ৰাম সিংহই সীমা মুৰি গড়েদি গোটেই মোগল বাহিনী অসমৰ বুকুৰ ওপৰেদি মহামাৰীৰ দৰে চলাই নিবলৈ অপেক্ষা কৰি আছে আৰু কমীবিলাকে মহা সুখে শুবলৈ ধৰিছে! কি অসম্ভৱ দায়িত্বশূন্য মানুহ! [মোমাইক মাতি] মোমাইদেউ কৰিছে কি?

মোমাই—[লাহেকৈ] বোপাদেউ!

ববকুকন—কিহৰ বোপাদেউ! চোৰাংচোৰাই ডাঁৰৰ বাতৰি ডাঁৰে ডাঁৰে দি আছে। গোটেই শবাইঘাটত কোনো অসমীয়া সৈন্যৰ চকুত টোপনি নাই। ইমান দায়িত্বশীল কাম এটাৰ ভাৰ লৈ আপুনি মহাসুখে বহি আছে? [সৈন্যবিলাক উঠি ইফাল-সিফাল কৰে]

মোমাই—এবা ভাগিন, ইহঁতৰ গাতো দোষ নাই।

২য় মানুহ—হেৰৌ মৰিব নজনা মোগলবিলাক পালেহিয়েই নে কি?

[ববকুকনক দেখি অপিয়াই উঠি লুকায় গৈ]

ববকুকন—[খঙেৰে] সিহঁতৰ গাত দোষ নাই। সিহঁত শুই থাকি মোগলক অসম দেশ দিব? তাকে তুমি কোৱা! তুমি মোৰ মোমাই। তোমাক মোমাই বুলিবলৈ লাজ লাগে। ৰাৰ ইমানকৈয়া দায়িত্বজ্ঞান নাই সি পৃথিৱীত জীয়াই থকাৰ আৱশ্যক নাই। [তৰোৱাল লৈ খেদি যায়]

মোমাই—[পাছ হুহকি] হেঃ হেঃ বোপাদেও, মই কি কৰিম?

[প্ৰস্থান]

ববকুকন—[তৰোৱালেৰে কোৰ মাৰিব খুজি] তুমি কি কৰিবা? আকৌ সুধিছা।

[প্ৰস্থান]

নেঃ মোমাই—মই তোমাৰ মোমায়েৰ।

নেঃ ফুকন—মোৰ দেশত্তকৈ মোমাই ডাঙৰ নহয়। [মোমাইক কাটি] কৰ্ত্তব্যজ্ঞানহীন নৰপশুৰ এই শাস্তি।

১ম মানুহ—হেৰ পলা পলা, মোমায়েককে কাটিলে যেতিয়া আমাক আৰু জুখেৰে লেৰে, পলা।

২য় মানুহ—পলাই নো সাৰিবি ক'ত? ইয়াত থাকিয়েই যদি সাৰ, পলাই সাৰিব নোৱাৰ। ধৰ ধৰ কামত ধৰ। [ভৰত থৰক বৰকৈ কামত ধৰে]

[হাতত তেজেৰে বাঙলী ভবোৱাল লৈ বৰফুকনৰ প্ৰবেশ]

বৰফুকন—ফুকুৰৰ দল! তহঁত মানুহ নে মানুহৰ নিচিনা পশু?

[মানুহখিলাক ভয়ত কঁপি কঁপি হাতযোৰ কৰি একলীয়া হয়]

২য় মানুহ—[কঁপি কঁপি] দে—উ—তা—আ—মি—

বৰফুকন—[খঙত কঁপি] তহঁত ওহঁত পশু। যেতিয়ালৈকে মানুহৰ আকৃতিধাৰী পশুবিলাকেৰে অসম দেশ ভৰি থাকিব, তেতিয়ালৈকে ইয়াৰ উদ্ধাৰ নাই। [দাঁত কামুৰি] কৰ্ত্তব্যজ্ঞানহীন নৰপশুৰ দল! যদি পোহৰ হোৱাৰ আগতে গড় বান্ধি শেষ কৰিব নোৱাৰ তেন্তে তহঁতৰ কোনো এটাৰ ডিঙিত মুৰ লাগি থাকিবলৈ নাপাব। [ধাৰ খুজি উভতি] দৰ্ভী কোঁৱৰক ওহঁতৰ কাম চাবলৈ পঠিয়াই দিম। যদি কোনোবাই অলপো হেলা কৰ তেন্তে মোৰ ওচৰ নৌ পাওতেই তহঁতক জীয়াই নথৰ।

[প্ৰস্থান]

[সৈন্যবিলাকে ধৰ্ ধৰ্ মাৰ্ মাৰ্ চুকৈ কামত লাগে]

[পট পৰে]

পঞ্চম দৃশ্য

[বাদ্‌ সিংহের কোঠরবীরা প্রহরীবিলাকে ফূর্ত্তি করি আছে। ওচরতে জগাঝাড়ুলি, মলিয়ন কাপোর পিন্ধা মনোহরক শিকলিরে বান্ধি থৈছে। বন্দীক হাতত বান্ধি এটাই ধরি আছে। নটীবিলাকর গীত। পৃথ্বী সিং, খালেক বহি আছে। প্রহরীবিলাকে মদ যোগাইছে।]

[নটীর গীত]

উক উক করে প্রাণ,
আকুল আবেগে প্রেম অনুরাগে,
উক উক করে প্রাণ।
দিয়াছে দিয়া যৌতরা হিয়া
উঠলে পীরিতি বান।
চঞ্চল বতাহে উলাহে বিলাহে
ধরিছে সুরদি তান।

পৃথ্বী—[প্রহরীবোরক] আরে উল্লুকচর। একদম ঠিক থাকিবি। আজি চৈয়দ হাচান চাহাব কোঠর মালিক হৈছে।

আবদুল—ভাই পৃথ্বী সিং! আমার ফূর্ত্তি খুব বেছি হৈছে। সেই কারণে চৈয়দ হাচান আমার মালিক হৈছে।

পৃথ্বী—এক রকম ঠিকেই হৈছে ভাই। এই রকম ফূর্ত্তিত মজ লৈ থাকোতে আমীরাচরে চর পুরি থাব।

১ম প্রহরী—চাহাব! আজি ফূর্ত্তি একদম শেষ করি দিম। চিবাজী আরু বাইজী চাহাব! [দুয়োটাকে একোবাটি মদ দিয়ে। ইটোরে সিটোলৈ চাই হাতত লয়।]

খালেক—আজ চব ফুর্ত্তি কবব মে দেদা। আবে চালাও আখন্।

পৃথ্বী—হেই ঔ, মাচোৱালী লাগাও লাগাও। ফুর্ত্তি লাগাও।

[আঙুলী ঘুবাই দেখুৱায়, নাচনীকেইজনীয়ে নাচিব ধবে।]

খালেক—এই নতুন নাচোৱালী। [বস্তীলৈ চাই] এই দেখ তোব হুকুমতে এই ববদটোক ইয়াত আনি বাখিছো। [মনোহবক দেখুৱাই] ইয়াব বকম কত মবদব গর্দ্দান গৈছে। কত মবদ কয়েদখানাত আধামবা হৈ আছে। খালি তোব হুকুম তামিল কবিবলৈ ইয়াক ইয়াত বাখিছো।" [প্রহৰীক] খোল দেও। [প্রহৰীয়ে খোলে]

পৃথ্বী—বাইজী, খোবা মেহেববাণী। [চুবলৈ যায়। বস্তীয়ে কুকুব বুলি গর্জ্জি উঠি গোব মাবি দিয়ে। মনোহবে দাঁত কামুবি কেট তোলে।]

পৃথ্বী—আঃ আঃ আঃ বড়া বেইমান।

খালেক—আচ্ছা চবুব কব। [উঠি ধবিবলৈ যায়। প্রহৰী আঁতব হয়। বস্তীয়ে কাপোবব তলপবা ছুবী উলিয়াই খালেকব বুকত মাবিব খোজতেই বাউলিত লাগি আহত হয়।]

খালেক—আবে বাপবে বাপবে। একদম বাদ্দু। [পবিব খোজে, প্রহৰীয়ে ধবে।]

পৃথ্বী—[তবোৱাল লৈ আগবাঢ়ি বস্তীক ধবিব খোজে। দুয়োজনা যুঁজ লাগে। বাকীবোৰে 'বাদ্দু বাদ্দু' বুলি আঁতবি যাব খোজে] চালী বেইমান।

[গোলমাল শুনি চৈয়দ হাচানব প্রবেশ। হাচানক দুয়োকো আঁতবাই দিয়ে। এটা প্রহৰীয়ে ধবকবাই থকা খালেকক দেখুৱায়।]

হাচন—লৈ যা ইয়াক। [এটাই ধবি লৈ যায়]

খালেক—একদম বাদ্দু হাচান চাহাব, একদম বাদ্দু। বাপবে বাপ্।

[প্রস্থান]

হাচান—[বন্তীৰ প্ৰতি] তুমি কোন ?　[চাই থমকি ৰয়] তুমি ইয়াঁলৈ কেনেকৈ আহিলা ?

বন্তী—মোক পাগলী বুলি আপোনালোকৰ সেনাপতিয়ে কয়েদ কৰি ৰাখিছে।

হাচান—তেওঁ তোমাক ক'ত পালে ?

বন্তী—আপোনালোকৰ কোঠত।

হাচান—কেলৈ আহিছিলা ?

বন্তী—এজন আপোন মানুহ বিচাৰি।

হাচান—সেইজন ক'ত আছিল ?　তোমাৰ কি হয় ?

বন্তী—সেইজন সৌৱা।　[মনোহৰক দেখুৱাই]

হাচান—[মনোহৰক চাই] এওঁ আমি বন্দী কৰিব খোজা অন্ধজনৰ পুতেক নহয় নে ?

বন্তী—হয়।

হাচান—তোমাৰ কি হয় ?

বন্তী—[৩লমুৰ কৰে।

হাচান—এওঁ ইয়াঁলৈ আহিবলৈ পালে কেনেকৈ ?

বন্তী—এওঁ যুদ্ধত বন্দী হৈ আপোনালোকৰ কয়েদখানাত আছিল। মোক হইতে ইইঁতৰ আগত নাচিবলৈ আৰু তামচা কৰিবলৈ ৰঙকৈ খাটি আছিল। সেই কাৰণে মোৰ অনুৰোধ ৰাখি ভালৰি বোলাবলৈ তেওঁক ইয়াঁলৈ লৈ আহিছে।

পৃথ্বী—একেবাৰে ফাকি চাহাব, একেবাৰে ফাকি।　এই বৰ বেইমান। এই মানুহ নহয় ডাকিনী।　খুব যাদু জানে।

হাচান—তাইৰ যাদুত মোগল শিবিৰৰ ৰথীয়া হৈ তইঁতে এনে দায়িত্বজ্ঞানৰ চিনাকি দিছ নহয় ?

পৃথ্বী—হয় চাহাব।

হাচান—[অলপ খঙেৰে] খবৰদাব। দায়িত্বজ্ঞানশূন্য মদপী পশু! আক নামাতিবি। তইঁতৰ নিচিনা পশুক খণ্ড খণ্ডকৈ কাটি কুকুৰক দিয়া উচিত।

পৃথ্বী—চাহাব। আমাৰ গাত দোষ নাই। তাই খালেকক আহত—

হাচান—[দাঁত কামুৰি] তাই খালেকক বধ কৰিব নোৱাৰাত দুখ পাইছো। আক দুখ পাইছো তোৰ মুৰটো এতিয়াও সৰি নপৰাৰ বাবে। চুপ থাক আক মাতিলে মুখ যাব। ইয়াৰপৰা চব আঁতৰ হ। [বন্তী আক হাচানৰ বাহিৰে সকলো যায়]

হাচান—ইযাৰৈ তাক অনাত তোমাৰ কি লাভ হ'ল?

বন্তী—মোৰ ইচ্ছা আছিল পাৰিলে ইইঁতৰ হাতৰপৰা তেওঁক উদ্ধাৰ কৰা।

হাচান—কেনেকৈ?

বন্তী—ইহঁত যেতিয়া মদত মত্ত হৈ থাকিব, তেতিয়া তেওঁক খুলি দি তেওঁৰ হাতত তাহাঁতৰ এখন তৰোৱাল দি আক ময়ো এখন তৰোৱাল লৈ দুৱাৰমুখৰ প্ৰহৰীকেইটাক বাধা দিলে কাটি গুচি যোৱাৰ ইচ্ছা আছিল। কিন্তু ইচ্ছামতে কাম নহল। সিহতৰ প্ৰকৃতি দেখি যিমান দায়িত্বজ্ঞানহীন ধুলি ভাবিছিলো সিমান নহয়।

হাচান—তেনে হোৱা হলে মোগলে ভাৰতক বিজয় কৰিব নোৱাৰিলেহেঁতেন।

বন্তী—ময়ো তাকে অনুমান কৰো।

হাচান—শত্রু যদিও তোমাৰ পিতাৰ মোৰ বন্ধু। যুদ্ধক্ষেত্রত বন্ধুৰ বুকুত তৰোৱাল বহুৱাবলৈ পাছ নোহোৱাকৈ। কিন্তু যি উপকাৰ কৰিলে মোগল সাম্রাজ্যৰ অপকাৰ নহয় তেনে উপকাৰ কৰিবলৈ মই প্ৰস্তুত। ইটাখুলিৰ যুদ্ধৰ পিছত কোনোমতে অসমীয়াৰ হাতৰপৰা প্ৰাণটো লৈ পলাই আহোতে আন বিধৰাবিলাকক ধৰা দি এজন অসমীয়াই মোক ধৰিও মৰম কৰি এৰি দিলে।

মই যিমানদূৰ জানিব পাৰিছো, অন্ধ সৈনিকেই সেই অমিয়াল সৈনিক। আৰু এই বন্দী মনোহৰ তেওঁৰে পুতেক।

বন্তী—যি এজন সৈনিকে আপোনাক মৰম কৰি এৰি দিলে সেইজনক ছল পাই এজন ভগনীয়া বঙাল সৈন্যই চকু কিটা ফুটাই গুচি গ'ল। এটা একে বাৰে নষ্ট হ'ল। এটাৰে কথমপি মনিব পাৰে। পুতেক বন্দী হোৱাৰ বাতৰি পাই বুঢ়াও নিকদ্দেশ।

হাচান—আৰু তোমাৰ লগত কথা নাপাতো। আহা তোমাক মই গড় পাৰ কৰি থৈ আহোগৈ। সেনাপতিৰ আদেশমতে বন্দীবিলাকৰ অকৰ্ম্মণ্য-বিলাকক কাটি পেলোৱা হব।

বন্তী—মোকো কাটক। মই নাযাওঁ। মই যাক বিচাৰি আহিছিলো তেওঁক নিনিয়াকৈ নাযাওঁ মই।

হাচান—একো কথা নাই। মই মনোহৰক মুক্তি দিছো।

[মনোহৰৰ শিকলি খোলে] বলা। [তিনিওৰে প্ৰস্থান]

[পট পৰে]

ষষ্ঠ দৃশ্য

[দৰঙী কোঠা—যুদ্ধক্ষেত্ৰ, বাইৰাম দেও, কিৰাত সিংহ, চৰিপ খাঁ, ৰঘুনাথ সিংহ, দৰঙীৰাণী, দুজন বেশে দুটা সৈনিক]

দঃ ৰাণী—দেখাত অনুমান হৈছে আপোনালোক বীৰ।

বাইৰাম—হয়, আমি মোগল সৈন্যাধ্যক্ষ। মোৰ নাম বাইৰাম দেও, তেখেতৰ নাম চৰিপ খাঁ, তেখেতৰ নাম ৰঘুনাথ সিংহ আৰু তেখেত কিৰাত সিংহ। আমি তিনিও ভাৰতৰ অনেক ঠাইত যুদ্ধত জয়লাভ কৰি অসম জয় কৰিবলৈ আহিছো।

ৰাণী—দৱঙত সোমোৱাৰ অভিপ্ৰায় কি ?

ৰঘুনাথ—অভিপ্ৰায় আৰু কি হব [চৰিপলৈ চাই হাঁহে] অভিপ্ৰায় দৱঙেদি অসমত সোমাই গুৱাহাটী লোৱা।

ৰাণী—পোনাই নোসোমালে কিয় ?

চৰিপ—সম্ভৱ নহল।

ৰাণী—এই ফালেও অসম্ভৱ। অসমৰ স্বৰ্গদেউৰ লগত আমাৰ মিত্ৰতা আছে। বিচক্ষণ ৰঘুকুলনে আপোনালোকৰ অভিপ্ৰায় আগেয়ে বুজি ইয়াত সৈন্য সমাবেশ কৰি ৰাখিছে। পাচ হেজাৰ দৱঙী সৈন্যই সেই সৈন্যক সংহাৰ কৰিব আৰু আমি ৰাজভাণ্ডাৰপৰা ৰচদ পাতি যোগাম।

ৰাইৰাম—পৃথিৰীৰ অদ্বীশ্বৰ মহাপ্ৰতাপী আলমগীৰ বাদচাৰ লগত মিত্ৰতা নকৰি আপুনি মিত্ৰতা কৰিছে সামান্য গাঁতৰ এন্দুৰৰ লগত।

ৰাণী—মনত ৰাখিব বীৰ, গাঁতৰ এন্দুৰে গাঁতৰ এন্দুৰক ভাল পায়। আহোম স্বৰ্গদেউৰ বাদচাহৰ নিচিনা প্ৰতাপী নহলেও মোৰ ওচৰ চুবুৰীয়া। ৰাজ্য দুখন হলেও আমি একে অসমীয়া।

ৰাইৰাম—ইয়াৰ পৰিণাম কি হব বুজি পাইছে নে ?

ৰাণী—মই যিমানদূৰ জানিব পাৰিছো, মোগলৰ অসমত দৰ্প চূৰ্ণ হব। দৱঙী সৈন্যৰ হাতত আপোনালোকে হাৰি পলাবলৈ বাধ্য হব।

চৰিপ—অসম্ভৱ অসম্ভৱ আশা কৰি মিছাতে দৱঙৰাজ্য মোগল বাদচাৰ খাচ দখললৈ নানিব। মিত্ৰভাৱে ৰাণী হৈ ৰাজ্য ভোগ কৰা যুক্তিসঙ্গত।

কিবাত ঠিক কথাই কৈছে।

ৰঘু—যুক্তি আৰু অযুক্তি নিজে বুজিলে কোনে বুজাব।

ৰাণী—যুক্তি আৰু অযুক্তি সকলো বুজিয়েই কৈছো বীৰ। আপোনালোকে আপোনালোকৰ কৰ্ত্তব্য কৰক। মোৰ সৈন্য সাজু আছে। বিনাযুদ্ধে দৱং সোমাব নোৱাৰে। এয়েই মোৰ শেষ কথা।

বাইৰাম—বাৰু ৰাণী, আপোনাক যদি প্ৰতিবাই বন্দী কৰো ? [ৰাণীৰ লগৰ সৈনিক দুটাই তৰোৱাল দাঙি আগবাঢে। ৰাণীয়ে হাতৰ ঢাৱ দি সিহঁতক পাছলৈ যাবলৈ কয়]

ৰাণী—সাজ পাৰত অনুমান কৰিছো আপুনি মোগলৰ দাস হলেও ৰাজপুত বীৰ। ৰাজপুত বীৰৰ মুখত এনে নীচ কথাই শোভা নাপায়। আপোনালোকৰ অনুৰোধত মই আপোনালোকক দেখা কৰিছিলো। বন্দিনী হবলৈ নহয়। যুদ্ধক্ষেত্ৰত মোৰ সৈন্য সাজু আছে। তাত যদি সাধ্য হয় মোক বন্দী কৰিব। কিন্তু এতিয়া কলঙ্কিত হৈছে যদিও আৰু ৰাজপুত গৌৰৱৰ কলঙ্ক নানিব। তথাপিও যদি মোক বন্দী কৰাৰ দুৰাশা নেৰে তেন্তে আহক, বীৰৰ দৰে যুদ্ধ কৰক। জীৱিত অৱস্থাত মোক স্বয়ং দিল্লীৰ সম্ৰাট আলমগীৰেও বন্দী কৰিব নোৱাৰে। বাইৰাম দেও, ৰাম সি হ কোন চাব।

চৰিপ—য'ক ৰাণী য'ক, আপোনাক বন্দী কৰাৰ আমাৰ উদ্দেশ্য নহয়। ই মাত্ৰ মুখৰ কথা—

ৰাণী—বীৰৰ মুখৰ কথাৰো মূল্য আছে।

[সৈনিকৰ সৈতে প্ৰস্থান]

কিৰাত—অসম্ভৱ চাহাব! বিনাযুদ্ধে দৰঙে নিদিও বুলিলে সোমাব নোৱাৰি।

চৰিপ—বিনাযুদ্ধে নোৱাৰি যদি যুদ্ধ কৰিয়েই বাক পৰা হয় নহয় চোৱা যাওক।

বসু—যুদ্ধ কৰা মানুহ আমি যুদ্ধ কৰিম। ফলাফল যি হয় হব।

[পট পৰে]

পঞ্চম অঙ্ক

প্রথম দৃশ্য

[প্রান্তর—ক্রমে সন্ধ্যা হৈ আহিছে]

[অন্ধ সৈনিকৰ গীত]

(মোৰ) চকুলো দুধাৰি পৰিলে বাগৰি
হিয়া শাঁতে পৰি যায়,
চক্‌পানী টুপি ফুৰো টুকি টুকি
আক যে লগৰী নাই।
ধৰা বিনন্দীয়া মাধুৰী অমিয়া
একোটি নেদেখো চাই,
শান্তি ভোগ জৰা, ঢালে যি নিজৰা
তাকো হেৰুৱালো হায়।

অন্ধ—[স্বগতঃ] হে হৰি। এই অন্ধক কিয় ইমান নিঃকিন কৰি সৃজিলা? যাৰ অস্ত্ৰ চালনাৰ আগত মোগলৰ বিখ্যাত নায়ক চৈয়দ চানা আক চৈয়দ ফিৰোজ চালিত সৈন্যও লণ্ড-ভণ্ড হৈছিল, সেই বীৰৰ আজি এই অৱস্থা, দীন হীন অন্ধ। সি আজি তাৰ একমাত্ৰ অৱলম্বন পুত্ৰৰত্নৰপৰাও বঞ্চিত। হায় শৰাইঘাটৰ প্ৰথম যুদ্ধ। হায় ইটাখুলি।

[এটা বাটকৱাৰ প্ৰৱেশ, অন্ধ সৈনিকে খেপিয়ায়]

বাটকৱা—[স্বগতঃ] এহে, হে হে বাম গধুলি হলেই দেখোন।

অন্ধ—[খেপিযাই । মনোহব । মনোহব । অ' মনোহব ! মোক ক'ত এবি গলি ? মোক হাতত ধবি ধবি কোনে লৈ ফুবাব ? মাবে এবিলে, ককাযেবে এবিলে, আছিলি মাত্র তই কণাব সম্বল। ওযো এবিলি . [কান্দনব সুবে] হে হবি। তুমি মোক মাবিবলৈ নেদেখিযা।

[বাটকবাই ব্যাগ্রীত ভব দি আচবিত হয়। এনেতে বুঢাই খেপিসাই ·াব হাতত ধবে]

অন্ধ— এতিযা ·ন্ধাব হৈছে। তেও মই তোক দেখিছো। তই মনোহব। মই তোক এবি নিদিওঁ। তই তই মনোহব, মনোহব হয়। মই তোক এবি নিদিওঁ—নিদিওঁ—কেতিয়াও নিদিওঁ।

বাটকবা—[অতবেলি অঁকবামুবা হৈ থাকি] উবা, মোক আকৌ পালে কিহে। এই যুঁজব ঠাইখনেদি অহাই ভুল হ'ল। [ফুটাই] বোলো হেবৌ, মই ভূত-পিশাচ একৌলৈকে ভয় নকবো একা, এবিলে এব নহলে গুদাই নেবিম এতিযা। মই মনোহব কনোহব নহওঁ। [কথা কওতে ভয়ব চিন, ঁপনি]

অন্ধ—তোমাব নাম কি ?

বাটকবা—কেলৈ মোব নাম ?

অন্ধ—তুমি মনোহব নোহোবা, মনোহবক চিনি পোবা নে ?

বাটকবা—নাপাওঁ মনোহব চনোহবক চিনি, যাওঁগৈ এবা।

[উভতি চাই চাই যায়]

অন্ধ—তুমি মনোহবক চিনি নোপোবা ?

বাটকবা—[যাব খুজি বৈ] হওক তেও, কথমপি সাবিলো। মানুহজনীয়ে, বেজীটোবে সবিযহ মুঠিযে নিদিয়া হলে সর্ব্বনাশ। [যাযগৈ]

অন্ধ—[স্বগতঃ] মনোহবব আশাত এই জীবন ধাবণ কবিছো। যদি মনোহবেই নাই তেন্তে এই জীবনব কি আবশ্যক ! নহয়, নহয় মনোহব

নিশ্চয় আছে। মনোহৰক সিহঁতে মাৰিব পৰা নাই। মনোহৰৰ আৰম্ভণি নোহোৱা হলে মই কেতিয়াবাই মৰিলোহেঁতেন। মই জীয়াই আছো, সেই কাৰণে মনোহৰো আছে। মনোহৰক বিচাৰি উলিয়ালেহে মই মৰিব পাৰিম।

[বিপৰীত ফালৰপৰা চিত্ৰসেনৰ লগে লগে বন্তী, মনোহৰ আৰু সনাতনৰ প্ৰবেশ]

চিত্ৰ—বন্তী। তই মোৰ শিক্ষাৰ সদ্ব্যৱহাৰ কৰিছ। ভগৱন্তই তোক সুখী কৰক; মনোহৰ! বন্তীৰ অনুগ্ৰহত তুমি মুক্তি লাভ কৰি বেয়া নাপাবা। বন্তীৰ প্ৰাণৰ লগত তোমাৰ প্ৰাণৰ যি সম্বন্ধ ঘটিল মই সেই সম্বন্ধ ছিণ্ডি দিবলৈ ইচ্ছা নকৰো।

অন্ধ—[উচাপ খাই স্বগতঃ] মনোহৰৰ নাম!

সনাতন—চিত্ৰসেন তোমাৰ এই ছোৱালী কম নহয়, এইক এইবাৰ শিকলি লগাই বান্ধি থম। বুঢ়া মানুহংটোক কিবাই হাৱাণ কৰিলে।

বন্তী—কি কৰিম, ভাগ্যদোষত পৰি আপোনাকো দুখত পেলাবলগীয়া হ'ল।

সনাতন—একো কথা নাই আই! তই তেও ওলালি। হেৰি ভকত, আপুনি এন্ধাৰে মুন্ধাৰে কি খেপিয়াই ফুৰিছে?

চিত্ৰ—কাক কৈছে?

সনাতন—সৌজন চাওকচোন। [অন্ধক দেখুৱাই]

চিত্ৰ—এইয়া দেখোন আমাৰ আপ! মনোহৰৰ দেউতাক।

অন্ধ—[ব্যাকুল হৈ আগবাঢ়ি] কোন তুমি, কোন তুমি? মোৰ মনোহৰৰ নাম কাঢ়িছা?

মনোহৰ—[আগবাঢ়ি আহি অন্ধক সাৱট মাৰি ধৰি] পিতা, পিতা মই মনোহৰ।

অন্ধ—[আকুলভাবে] এঃ এঃ তই মনোহৰ ? [মুখখন খেপিয়াই উলিয়াই, চকুৰে চাই] নেদেখো নেদেখো আন্ধাৰ হৈছে নহয় ? বেলিটোনো কিমান পৰিল ইমান সোনকালে ?

সনাতন—কাইলৈ ওলাব নহয় বেলি, আপ তেতিয়া চাব।

অন্ধ—কাইলৈ বেলি ওলোৱালৈ যে মই বৈ থাকিব নোৱাৰো।

চিত্র—ৰব বাক, মই একুৰা জোৰ আনো [চিত্ৰ যায়]

অন্ধ—আনা, আনা, তুমি চিত্রসেন। মই মাতত বুজি পাইছো।

সনাতন—আপ, ইমান অথিৰ হৈছে কিয় ?

অন্ধ—তুমি কি বুজিবা সনাতন। মই অন্ধৰ সি চকুৰ মণি। সকলেপৰা তাকে তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈহে মোৰ দেহটো যতন কৰি ভাৰ বৈ লৈ ফুৰিছো।

[চিত্রসেনে জোৰ আনি অন্ধক দিয়ে, অন্ধই দাঁড়ি চাই]

অন্ধ—হয়, মোৰ মনোহৰ হয়। তোৰ এনে অৱস্থা কেনেকৈ হ'ল ? চিত্রসেন ! চিত্রসেন ! তুমি বৰ উপকাৰ কৰিলা। মোৰ মনোহৰক ক'ত পালা ?

চিত্র—আপ, মই মনোহৰক পোৱা নাই। মোৰ কন্যা বন্তীয়ে মনোহৰক উদ্ধাৰ কৰিছে। এইজনী বন্তী, তায়েই মনোহৰক লৈ আহিছে।

অন্ধ—বন্তী আই, তই নোহোৱা-নোপোজা কাম কৰিলি। মোৰ আৰু কাম শেষ হ'ল। আহ আই ! চাপি আহ [বন্তী চাপি আহে, অন্ধই এখন হাতেৰে বন্তীক আৰু আনখন হাতেৰে মনোহৰক ধৰি] আই, তই উদ্ধাৰ কৰি অনা বস্তুটো তোকে গতালো। মোৰ আৰু কাম নাই। ময়ো ইয়াকে বিচাৰিছিলো। চিত্রসেন তুমি বেয়া নাপাবা।

চিত্র—নাপাওঁ বেয়া, ঈশ্বৰে তাহাঁতৰ মঙ্গল কৰক।

সনাতন—তাহাঁতৰ হৰগৌৰী বসতি কৰক। বলা আই বন্তী, মই তোমাক লৈ যাওঁ। চিত্রসেন, তোমালোক নিজৰ ঠাঁয়ে ঠাঁয়ে যোৱাগৈ।

অন্ধকো মই লৈ যাওঁ। মনোঃবেও এতিয়া গা টঙাবলৈ আমাৰ লগত যোৱাহে উচিত হব।

মনোহৰ—নহয় মই খুঁজলৈ যাওঁ। খুঁজত জয়ী হৈ সকলো একেলগে ঘুৰিম।

[পট পৰে]

দ্বিতীয় দৃশ্য

[ৰাম সিংহ ; ৰঘুনাথ সিংহ, চৰিপ খাঁ, পণ্ডিত ৰায়, মাধৱচৰণ]

ৰাম—পণ্ডিত ৰায়, তুমি ৰৰফুকনক কি কলাগৈ ?

পণ্ডিত—আপুনি কোৱাদৰে কলোগৈ, "ওস্তাহাটী বাদচাক এৰি দিয়ক আৰু গড় মৰা খৰচৰ বাবে তিনিলাখ টকা লওক।"

ৰাম—ৰৰফুকনে কি কলে ?

পণ্ডিত—সেই একে কথা, বৃচাগোহাঁইৰ সৈতে পৰামৰ্শ কৰি থিৰ কৰিলে, বোলে ওস্তাহাটী এৰি দিলে মোগলে গোটেই দেশ দখল কৰিব। ৰৰফুকনৰ কটকী মাধৱচৰণ জীয়ে সেয়া চিঠি লৈ আহিছেই।

ৰঘুনাথ—ৰৰফুকন ৰৰ আচৰিত মানুহ। মহাৰাজ চিঠিখন পঢ়ি চাওক। [মাধৱচৰণে সসম্মানে ৰাম সিংহৰ হাতত চিঠি দিয়ে। ৰাম সিংহই হাতত লৈ ৰঘুনাথক পঢ়িবলৈ দিয়ে।]

ৰাম—পঢ়াচোন ৰঘুনাথ।

ৰঘুনাথ—[পঢি] সংক্ষেপে পণ্ডিত ৰায়ে কোৱা কথাকে লিখিছে।

চৰিপ—মহা মস্কিল। যুদ্ধত সকলো নষ্ট। যুদ্ধ কৰি অসমীয়াখনক মৰিবলৈ কিহে পাইছে।

ৰাম—মাধৱচৰণ জী।

মাধৱ—মহাৰাজ !

ৰাম—তুমি নিৰ্লক্ষণ কটকী। তোমাৰ বুদ্ধি নশলগা মোগল সেনাপতি কোনো নাই। ৰৱজকনেও তোমাক ৰৱ ভাল পায়। তুমি এটা ডাঙৰ উপকাৰ কৰিব লাগে। [ৰঘুনাথলৈ চাই] ৰঘুনাথ আনা। [ৰঘুনাথে এমোনা ধন আনি ৰাম সিংহক দিয়ে] হোৱা মাধৱচৰণ। [মাধৱচৰণে থৰক্ ৰৱক্ ঠিক লগা] তুমি যেনে তেনে গুৱাহাটীখন ৰৱজকনক এৰি দিয়া কৰিব লাগে।

মাধৱ—মহাৰাজ, অসম্ভৱ ! অতদিন ৰজা, প্রজা আৰু দেশৰ নিমিত্তে খাটি বুঢ়া হলো। জ্ঞানবিশ্বাসত অহিত চিন্তা নাই। এতিয়া মহাৰাজ এনে আদেশ নকৰিব। ক্ষমা কৰিব, যদি নকৰে কাটি পেলাব। তাতো শাস্তি আছে। [টোপোলা থৈ দিয়ে]

ৰাম—[আকৌ টোপোলা হাতত দি] তোমাক বিশ্বাসঘাতকতা কৰিবলৈ কোৱা নাই। তোমালোকৰ ভালৰ নিমিত্তেইহে গুৱাহাটী এৰি দিয়াৰ উপায় কৰিবলৈ কৈছো। অসম ৰাজ্যখন ৰক্ষা কৰাৰ অভিপ্রায়েৰেহে তোমালোকক এনে কৰিবলৈ কৈছো। ৰৱজকনে নিজৰ কথা ৰাখিবলৈ গৈ এখন পুৰণি ৰাজ্য ধ্বংস কৰাটো আমি ভাল নেদেখো। ৰাক, এৰাৰ কথা কওঁচোন আহা। [দুয়ো অলপ সময়লৈ ভিতৰলৈ যায়]

পণ্ডিত—মাধৱচৰণক ঘুৰোৱা টান হৈছে, জোনাৰ।

চৰিপ—ময়ো তাকে অনুমান কৰিছো।

[ৰাম সিংহ আৰু মাধৱৰ প্রবেশ।]

ৰাম—এই কাৰ্য্যত যদি টকাৰ আৱশ্যক হয় মই দিবলৈ ৰাজী আছো। মাধৱচৰণ ! এইটোও জানিবা, গুৱাহাটী ভালে ভালে এৰি নিদিলে অসম দেশে ৰক্ষা নাপায়।

মাধৱ—[স্বগতঃ] মহা বিপদ, টকা যেতিয়া ঘুৱাই নলয় কি উপায়! লৈ যাওঁ যি হয় হওঁ। ৱৰফুকনক মই কেঁচা চিনি পাওঁ। এই প্ৰস্তাৱ কৰিলে মোক কেতিয়াও শুদাই নেৱে।

ৰাম—কি ভাবিছা?

মাধৱ—ভাবিছো কিবা এটা উপায় কৰিব লাগিব। ৰাক, মহাৰাজ মই যাওঁহে যিমানদূৰ সম্ভৱ চেষ্টা কৰিম। [প্ৰস্থান]

চৰিপ—মহাৰাজ টকাপিনি মিছাতে দিয়া হ'ল।

ৰঘুনাথ—এৱা একো লাভ নহল।

পণ্ডিত—ৱৰফুকনৰ আগত কবলৈকে সাহ নকৰে।

ৰাম—আৰু টকাৰ আশা দিছো যেতিয়া চেষ্টা কৰিব পাৰে। তথাপি যদি একো নহয় চৰিপ খাঁ চাহাব আপুনি খুব সাঁহিয়াল সেনা হাজাৰ চেৰেক বাহি লৈ ব্ৰহ্মপুত্ৰই দি উজাই গৈ গুৱাহাটী সোমাব আৰু আমি আগীয়াঠুঁটিয়েদি গড় পাৰ হৈ গুৱাহাটী সোমাবলৈ গোটেই শক্তি প্ৰয়োগ কৰিম।

পণ্ডিত—সেইদৰে নাৱেৰে গলে গুৱাহাটীত ঘোঁৰা তুলিব পাৰিব। মই ৱৰফুকনক দৰবাৰলৈ আহোতে সেইফালে ঘোঁৰা তোলা দেখি আহিছো। সেই কাৰণে তুৰক ঢোৱাৰী সেনা এদল নাৱতে গলে বেয়া নহয়।

ৰাম—ঠিক হয়, তুৰক ছোৱাৰী সেনা এদল লৈ যাব লাগিব।

চৰিপ—ৰঘুনাথ ভী! আপুনি তুৰক ছোৱাৰী সেনা এদল ঠিক কৰি থৱ। মই সাহিয়াল নৌ-সেনা এদল বাছি উলিয়াই থম। সেইটো ত্ৰিলোচন আছিছে। মহাৰাজ, এটা কথা। নচৱৎ মিঞাৰ এই মানুহটোক বৰ্ত্তমান বন্দী কৰি থোৱাহে মঙ্গল। ই বাঢ়লীৰ দৰে দুই ফালৰ পইচা খাই কোনো কাম কৰি দিব পৰা নাই। ইয়াত সমূলি বিশ্বাস নাই। আমাৰ উপকাৰ কৰি দিওঁ বুলি অসদ অভিপ্ৰায়েৰে দুৱাৰ পানীফুকনৰ ঘৰত সোমাইছিল। দ্বিতীয় বাৰত পানীফুকনৰ জীয়েকে বোলে একেবাৰে তাৰ কাণ এখন কাটি দিলে। ই

পানীফুকন, ববফুকনহে নালাগে, সামান্য সৈনিক এটাকে হত্যা কৰি কাম সমাধা কৰিব নোৱাৰে। সিমান সাহ ইয়াৰ নাই। ববফুকনক দেখিলেই ইয়াৰ ধাতু উৰে। তাক আশা কৰি গৈ মই বিপদত হে পৰিছিলো।

ৰাম—মোৰো এক মানুহটোৰ ওপৰত ভয়ঙ্কৰ সন্দেহ; ময়ো তাক বন্দী কৰিম বুলিলেই ভাবি থৈছো।

[ত্রিলোচনৰ প্রবেশ। পথম কাণ কটা, কাপোৰেৰে বান্ধি থোৱা]

ত্রিলোচন—মহাৰাজ। বন্দায়ে সেৱা জনাইছো। [আঠকাঠি সেৱা জনায়]

পাণ্ডত —[স্বগতঃ] অতি ভক্তি চোৰৰ লক্ষণ।

ৰাম—কাণত কি হ'ল?

ত্রিলোচন—কিবা ফোহা এটা হে ততকে পোৱা নাই।

ৰাম—চাও বাক বান্ধটো গুচোচোৱান।

ত্রিলোচন—[চুচুক-চামাককৈ বান্ধটো খোলে] মহাৰাজ ফোহা হৈ কাণ এডোখৰ ছিগি গৈছে। [হাতযোৰ কৰি থৰক্ ববক্ কৰে]

ৰাম—মিছা কথা। তোৰ কাণ কোনে কিয় কাটিলে মই জানো। ববফুকন, পানীফুকন, কাক হত্যা কৰিলি?

ত্রিলোচন—[থৰক্ ববক্‌কৈ] মহাৰাজ, এদিন অকলশৰে ববফুকনক পাই হাত দুখনত ধৰি লৈ দিঙিটোত বেপিলোহে বেপিলো নাকাটিলে। আকৌ এদিন পাছ ফালৰপৰা তিনটা কাঁড় মাৰিলো, এটাও নালাগিল। কিবা যাদু জানে হবলা মহাৰাজ। [ৰাম সিংহৰ বাহিৰে আন সকলোয়ে তলমুৰ কৰি হাঁহে]

ৰাম—বুৰ্বক, চৰ ফাঁকি। তই ববফুকনৰ হাতত ধৰিব পাৰ? তোৰ ইমান সাহ হোৱা হলে, তয়ে আজি ববফুকন হলিহেঁতেন। বিশ্বাসঘাতক, দেশদ্রোহী! ইযাক বন্দী কৰি থোৱা বঘুনাথ। [ৰাম সিংহৰ প্রস্থান]

ত্রিলোচন—[কঁপি, কঁপি] মহাৰাজ! মহাৰাজ! মোক কি কৰে, মোৰ ল'ৰা-ছোৱালীবোৰ কোনে চাব?

ৰঘুনাথ—যি কৰিব লাগে, কৰা হব, আহ। মোগলে অসম' দেশ দখল কৰিলে ত্রিলোচন বাহাদুৰক অসম মুলুকৰ ৰজা বনাব। ল'ৰা ছোৱালীবোৰ ৰাজকোঁৱৰ ৰাজকুঁৱৰী হব।

চৰিপ—অর্থাৎ তোমাৰ নিচিনা মহাবীৰ বিহুৱ যোগ্য তাক কৰা হব।

ত্রিলোচন—মহাৰাজ! মিঞা চাহাব। মই ৰজা হওঁ বুলি আপোনা-লোকৰ ইমান খিয়াল!

[পট পৰে]

তৃতীয় দৃশ্য

[পানীফুকনৰ টোল, লীলা আৰু বন্তী]

লীলা—বন্তী সখী। তোমাৰ নাম বৈ বৈ গ'ল। তুমি ধন্যা। মই যদি তোমাৰ নিচিনা হলোহেঁতেন।

বন্তী—মোতকৈ তুমি ধন্যবাদৰ পাত্রী। নিত্যনাৰায়ণক তুমি যিমান ভাল পোৱা, নিত্যনাৰায়ণেও তোমাক সেইদৰেই ভাল পায়। তোমালোকৰ পৰস্পৰৰ প্রেমত তেওঁ মুগ্ধ।

লীলা—কি, মনোহৰে আমাৰ কথা কিবা কৈছিল নে কি?

বন্তী—কৈছিল বোলে, কিবা এটা উপায় কৰিব পাৰিলে পামীফুকন ডাঙৰীয়াক কৈ তোমাক নিত্যনাৰায়ণৰ হাতত সমর্পণ কৰাব।

লীলা—ধোৱা মিছাকৈ চুপতি নকৰিবা।

বন্তী—সত্যে, মই চুপতি কৰা নাই। তেওঁ কয়, নিত্য আৰু লীলাৰ মিলন হলে বৰ সুন্দৰ হব। সেই সৌন্দর্য্য পান কৰিবলৈ তেওঁ বৰ ইচ্ছুক।

কিবা সুবিধা পালেই তেওঁ এই বিষয়ে পানীফুকন দেউতাক অনুৰোধ কৰিব।

লীলা—বাক বন্তী, সেইবোৰ থৈ গান এটা গোৱা।

বন্তী—তুমি আগধৰি ধাৰ শুজা।

লীলা—কি ধাৰ ?

বন্তী—সেইদিনা গাওঁ বুলি যে গীতটো নাগালা মনত আছে নে ?

লীলা—অ' অ' মনত আছে, মোক পদুমী বাইয়ে মাতিলে—শুচি গলো।

বন্তী—তেন্তে গোৱা।

লীলা—বান্ধ খালো যেতিয়া গাবই লাগিব। [লীলাই গান গায় বন্তীয়ে ওলমি থকা তৰোৱালখন নমাই আনি উলিয়াহ মোহাৰে]

গীত

পদুলিৰ ধুলিতে কোনে পেলাই গলে
গধুলিতে গোপালৰ কলি,
বকুলৰ মাজতে অমিয়া বৰষি
কুলি তই কিয়নো গালি,
কোন অপেচৰী চকুপানী টুকি
তিয়াই দুবৰিবে পল,
কাৰ পৰশৰ হৰষতে মজি
উক উক কৰে মন।

[সনাতনৰ প্ৰৱেশ]

সনাতন—আই লীলা। তইঁত সাৱধান হৈ থাকিবি। সক চন্দুকটোত অলঙ্কাৰ পাতিথিনি ভৰাই থবি। ঘৰৰ বস্তু কেতবোৰ আমি যিমানদূৰ পাৰো বাতি বাতি পুতি পেলাম। তইঁত সোনকালে খাই-বৈ শুই থাক, আগন্তুক হলে গোহৰ নৌ হওতেই পলাৰ লাগিব।

লীলা—কিয়, এইটো খবৰ আনিবলৈকে তুমি গৈছিলা নে কি ?

সনাতন—পানীকুকন ডাঙৰীয়াই কৈ পঠাইছে। মোগলে পানীয়ে-বামে প্ৰাণ পণে ওৱাহাটী আক্ৰমণ কৰিব। চোৰাংচোৰাবপৰা যিমানদূৰ বুজা গৈছে, হয় সিহঁতে ওৱাহাটী লব, নহয় অসম এৰি গুচি যাব।

বন্তী—এলাপেচাকৈ মোগলে ওৱাহাটী এৰি নাযায়। আমাৰো বেগতে এৰি দিছিল। মুঠতে, দুই ফালৰ অনেক যুদ্ধত পৰিব, সেইটো ঠিক। শেহত ঈশ্বৰে আমাক জয়ী কৰিলেই হয়।

লীলা—তথাপি আমি সাৱধানে থকা ভাল। [দুয়ো যাব খোজে]

সনাতন—ভয় নকৰিবি আইইত ! কামাখ্যা মাতৃয়ে ৰাখিব।

[লীলা আৰু বন্তীৰ প্ৰস্থান]

কীৰ্ত্তন আধ্যাচেৰেকেকে পঢ়ো। আকো পঢ়িবলৈ পাও নে নাপাও।

[পট পৰে]

চতুৰ্থ দৃশ্য

[বন্দীশালত ত্ৰিলোচন। দুটা প্ৰহৰীয়ে ৰাখ আছে]

ত্ৰিলোচন—[স্বগতঃ] হে ঈশ্বৰ তুমি ইয়াকে কৰিলা। মোগলক সহায় কৰি পালো এই পুৰস্কাৰ। অসম দেশৰ ৰাজত্ব ক'ত আৰু বন্দীশাল ক'ত ! কোনে জানে, কোঠ ভঙাৰ লগে লগে যে মোগলে মোৰ মুৰটোও গুৰুষাই থৈ নাযাব !—বংশ গৌৰৱত মই যেনে, নিত্যনাৰায়ণো তেনে। ৰূপে-গুণে মই নিত্যনাৰায়ণতকৈ কোনো গুণে হীন নহওঁ। তথাপি নিত্য-নাৰায়ণক সাৱটি লীলাই মোক ভৰিবে ঠেলি আঁতৰায়। [ভাবি] এতিয়াহে বুজিছো। দেশদ্ৰোহীৰ কল্যাণ নাই। জননী জন্মভূমিৰ বিশ্বাসঘাতক

সন্তানৰ ক'তো ঠাই নাই। ইতকাল পৰকাল সকলো আন্ধাৰ। যদি এই কথা আগেয়ে ভাবিব পাৰিলোহেঁতেন। এইদৰে নীচ স্বাৰ্থত লাগি বন্দী শালত নমৰি দেশৰ নিমিত্তে যুদ্ধ কৰি মৰা হলে মোৰ হকে চকুপানী অনেকেই টুকিলেহেঁতেন। কিন্তু হে ঈশ্বৰ। তুমি মোক মৰিবলৈ বুদ্ধি দিলা, লাহিত আৰু ঘৃণিত কুকুৰৰ দৰে মোগলৰ বন্দীশালত। এইবাৰ যদি ৰক্ষা পাওঁ, হে জননী জন্মভূমি। তোমাৰ কাৰণে জীৱন উচগ কৰিম। লীলা—লীলা—তুমি ধন্যা। এই অধমে দোষ স্বীকাৰ কৰি তোমাৰ ভৰিকিটা চকুৰ পানীৰে তিয়াই দিব পৰা হলে মৃত্যুৰ আগতে শান্তি পালেহেঁতেন।—হে ঈশ্বৰ—

[চৈয়দ হাচানৰ প্ৰৱেশ, প্ৰহৰীয়ে চালাম কৰে]

হাচান—খৰৰদাৰ, ঈশ্বৰৰ নাম কলুষিত নকৰিবি। যি কাপুৰুষ বৰ্ব্বৰে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ নিমিত্তে নিজক আৰু নিজৰ গোটেই দেশক পৰপদদলিত কৰিবলৈ কুণ্ঠিত নহয়, তাৰ মুখৰ ঈশ্বৰৰ নামে বিহ বৰষে। যাতে তেঁ দহৰ আৰু দেশৰ ভৱিষ্যতে দ্রোহ চিন্তা কৰিব নোৱাৰ, তাৰ নিমিত্তে তোক মৃত্যু-দণ্ড দিয়া উচিত। মই মোগল, মোগলক জয়ী কৰাই মোৰ ধৰ্ম্ম। তথাপি বিপক্ষৰ এনে নীচতা সহিবলৈ টান পাওঁ। কিন্তু [ভাবে] তোক কি শাস্তি কৰিলে ভাল হব পিছত কম। [প্ৰস্থান]

[পট পৰে]

৫ম দৃশ্য

[আগীয়াৰ্টুঁটিৰ গড়ৰ ৰণ। সিফালৰপৰা মোগল সৈন্যবিলাকৰ ভয়ঙ্কৰ আবাৰ। 'আলমগীৰ বাদচা কি ফটে', 'আল্লাহো আকবৰ' আদি জয়ধ্বনি। বাহিৰৰপৰা অসমীয়া সৈন্যবিলাকে জাউবিয়ে জাউবিয়ে গড়লৈ কাঁড় মাৰিছে। নিত্য, চিত্ৰ, বুঢ়াগোহাঁই, ৰৰগোহাঁই, মনোহৰ আৰু অসমীয়া সৈন্যবিলাকে ভয়ঙ্কৰ উত্তেজিত হৈ কাঁড় মৰাৰ লগে লগে জয়ধ্বনি কৰিছে। 'জয় জন্মভূমিৰ জয়', 'জয় স্বৰ্গদেৱৰ জয়', 'জয় কামাখ্যা মাতৃৰ জয়', 'জয় ৰৰ সেনাপতিৰ জয়'।]

বুঢ়াগোহাঁই—[আগবাঢ়ি তৰোৱাল দাঙি] মাৰি থাক্, মাৰি থাক্ নেৰিবি। গড়ৰ ওপৰত মোগল সৈন্য উঠিল। যায় যায়, নেৰিবি মাৰ।

[সৈন্যবিলাকে বুঢ়াগোহাঁইৰ লগে লগে কাঁড় মাৰে।]

নিত্য—[হাতত তৰোৱাল-ধেনু কাঁড় লৈ দাঁতিৰপৰা মাজলৈ আহি] এদিনৰ নিমিত্তে জীৱনৰ মোহ কৰি গোটেই দেশ ধ্বংস নকৰিবাহঁক। আহা আমি গড়ৰ ওপৰত উঠি মোগল সৈন্যৰ ওপৰত শৰ আৰু শিল বৃষ্টি কৰো। আৰু বেছিপৰ গড়ৰ ওপৰত মোগল সৈন্য থাকিলে গড় নাথাকে। আহাহঁক বীৰসকল। [তৰোৱাল আৰু ধেনু-কাঁড় লৈ গড় বগাবলৈ যায়।]

মনোহৰ—সি হব নোৱাৰে নিত্যনাৰায়ণ। [ধেনু-কাঁড় এৰি] অতবোৰ সৈনিক থাকোতে সেনাপতিক মৃত্যুৰ মুখত পৰিবলৈ নিদিওঁ। সৈন্যসকল! আগবাঢ়া। কাপুৰুষ নহবা, জন্ম হলে মৃত্যু হবই। আজি নহয় কাইলৈ মৰিব লাগিব। নিত্যনাৰায়ণ তুমি নামা। [সৈন্যবিলাক অলপ আগবাঢ়ে]

নিত্য—ভয় নাই বীৰ, মোৰ মৃত্যুলৈ ভয় নাই। আনৰ দৰে জীৱনৰ আশা-আকাঙ্ক্ষা তোমাৰো আছে।

মনোহর—আশা-আকাঙ্ক্ষার কথা নয়—

চিত্র—[নিজে কাঁড় মারি মারি] সৈন্যসকল। কি চাই আছা ?　কাঁড় মারা। 'জয় জন্মভূমির জয়।'

সৈন্যবিলাক—'জয় জন্মভূমির জয়' 'জয় স্বর্গদেবর জয়।'

নেপথ্যত মোগল সৈন্য—'আল্লাহো আকবর।' 'আলমণীর বাদ্‌শা কি ফটে'।

[মনোহরে নিত্যনারায়ণক নমাই নিজে ধেনু-কাঁড় আক তরোয়াল লৈ গড়ত বগায়। তাকে দেখি কেবাটাও অসমীয়া সৈন্যই গড়ত বগায়।]

মনোহর—[ওপরত উঠি] হয় মৃত্যু, নহয় জয়। [গড় বগায়]

বুঢ়াগোহাঁই—সকলো আহা, কোনো নাথাকিবা, বগোরা। [নিজে ওচর চাপি যায় আক গড়ত বগাবলৈ গৈ প্রস্থান]

চিত্র—সৈন্যসকল। যায় যায়, তোমালোকর দোষত অসম দেশ শত্রুর হাতলৈ যাবলৈ নিদিবা, কাঁড় মারা, জাউবিয়ে জাউবিয়ে কাঁড় মারা।

[নিত্যনারায়ণে গড় বগাই অদৃশ্য হয়]

সৈন্যবিলাক—'জয় জন্মভূমির জয়'। 'জয় স্বর্গদেবর জয়'।

চিত্র—হ'ল হ'ল, আমার জয় হৈছে। ভয় নাই কাঁড় মারি থাকা। সোৱা মোগল সৈন্য গড়ৱণৱা খহি পৱিল। গড়ত আঁৱ লৈ বাহিৱলৈ কাঁড় মারা। শিল পেলোৱা। গুলী চলোৱা—মনোহর—মনোহর—

[গড়ৱণৱা চুচৱি আহি মনোহর মাটিত পৱে]

মনোহর—মনোহরর আৱশ্যক নাই। যুদ্ধ কৱক ৱীৰ। 'জয় জন্মভূমির জয়'। [বণ্ডরা বাই উঠি প্রস্থান]

চিত্র—নাই হোৱা শেষ, মারি থাকা।

বুঢ়াগোহাঁই—[নামি আহি] মোগল সৈন্য ধ্বংস হৈছে।

চিত্র—আমি মনোহরক হেকৱালো।

বুঢ়াগোঁহাঁই—কি ? মনোহৰক হেকৰালো ?

চিত্র—মনোহৰে বৰ আঘাত পাই মনৰ পিতত মাত্র লৰ ধৰিছে।

[তেজেৰে বাঙলী হৈ নিত্যনাৰায়ণৰ প্রৱেশ]

নিত্য—কি ? মনোহৰৰ অৱস্থা এনে হ'ল ?

[উত্তেজিতভাৱে প্রস্থান]

[পট পৰে]

ষষ্ঠ দৃশ্য

[নৰিয়াপাটাত ববফুকন। ওচৰত পানীফুকন থিয় হৈ আছে]

ববফুকন—[উঠিব খুজি, কেঁকাই] এতিয়ালৈকে আগীয়াঠুঁটিৰ বণৰ সংবাদ কিয় নাই ? নিশ্চয়, নিশ্চয় জানিছো ডাঙৰীয়া, আমাৰ পৰাজয় হৈছে। গ'ল—গ'ল—মোৰ দেশৰ—মোৰ স্বর্গদেৱৰ—মোৰ ভাই-ভনীৰ সম্মান গ'ল! ডাঙৰীয়া, এতিয়াও কিয় মোক মোগলে ধৰি নিয়া নাই—মোগল—মোগল—তইঁতৰ জয় হ'ল—

পানীফুকন—এতিয়াও একো সংবাদ পাৰৰ উপায় নাই। মোগলৰ নাৱ আহি উপযুক্ত ঠাই পালেই আমাৰ ববঙিলেয়ে গুলী ববষিব।

ববফুকন—কিহৰ উপযুক্ত ঠাই ?

পানীফুকন—চৰিপ খাঁ সেনাপতিৰ তলত অসংখ্য মোগলৰ নাৱ আগবাঢি আহিছে। আন্দাক বালিৰ পোন পালেহি আমাৰ ববঙিলেয়ে ঢুকি পাব আৰু তেতিয়ালৈ শুভক্ষণো মিলিব।

[সমুদ্রখৰিৰ প্ৰৱেশ]

ৰৰফুকন—এয়া সমুদ্রখৰি। ক্ষণ নিমিলে বুলিয়েই হিলৈ মৰা বন্ধ কৰি নথৱা দেউ। আৱশ্যক হলে ক্ষণ নিমিলিলেও গুলী চলাব লাগিব।

সমুদ্রখৰি—ডাঙৰীয়া ক্ষণৰ কথা সুধিলে আমি যি গণনাত পাওঁ তাকে কব লাগিবই। নাৱ যেতিয়া হিলৈয়ে ঢুকি পোৱা ঠাই পাবহি, তাৰ আগতেই ক্ষণ মিলিব। সেই কাৰণে ডাঙৰীয়াই চিন্তা কৰিব নালাগে। গণনাই কৈছে, আমাৰ জয় নিশ্চিত। অসম দেশৰ গতিগোত্র বুজি পোৱা ৰচিদ খাঁই ৰাম সিংহৰ সৈতে দন কৰি দেশলৈ উভতি গৈ আমাৰ গণনাৰ কথা ফলিওৱাৰ চিন দৰ্শাইছে।

[তেজেৰে ৰাঙলী হৈ মনোহৰৰ উত্তেজিতভাৱে প্ৰৱেশ।]

মনোহৰ—'জয় স্বৰ্গদেৱৰ জয়', 'জয় জন্মভূমিৰ জয়', দেউতা আগীয়াঠুঁটিৰ বণত আমাৰ জয় হৈছে।

[ৰৰফুকন আদি সকলোৱে সংবাদ শুনি উত্তেজিত হয়।]

ৰৰফুকন—এনে সুন্দৰ বাতৰি কেনেকৈ আনিলি মনোহৰ—তোক মই কি পুৰস্কাৰ দিম। কোন আছে এলোটা পানী আন।

মনোহৰ—মই পুৰস্কাৰৰ যোগ্য নহওঁ। সামান্য সৈনিক মাত্র। [পৰি যায়। পানীফুকন আৰু সমুদ্রখৰিয়ে ধৰে] পুৰস্কাৰ—পুৰস্কাৰ পাবৰ যোগ্য সেনাপতিসকল।

[লওৱাই পানী আনি সমুদ্রক দিয়ে। সমুদ্রই মনোহৰৰ
মুৱত আৰু মুখত দিয়ে। নিত্যনাৰায়ণৰ তেজেৰে
ৰাঙলী হৈ হাতত তৰোৱাল লৈ প্ৰৱেশ]

নিত্য—পুৰস্কাৰ পাবৰ যোগ্য একমাত্র মনোহৰ। মৰণক নেওচি প্রথমে ঘড় বগাই সৈন্যবিলাকক বাট দেখুৱাই নিওতা মনোহৰ।

[মনোহৰৰ ওচৰ চাপি আঠু পেলাই বহে]

ৰৰফুকন—কি পুৰস্কাৰ দিম মনোহৰ, তোক কি পুৰস্কাৰ দিম ?

[বুঢ়াগোহাঁই, চিত্ৰসেন আৰু সৈন্য গোটাচেৰেক আহে আৰু মনোহৰক বেটি বহে।]

মনোহৰ—পুৰস্কাৰ দিব পাৰে পানীফুকন ডাঙৰীয়াই।

পানীফুকন—সকলোৰে আগত শপত খাই কৈছো মনোহৰ, তোক যিহকে লাগে তাকে দিম।

মনোহৰ—যদি সিমান অনুগ্ৰহ, তেন্তে আপোনাৰ জীয়েক লীলাক নিত্যনাৰায়ণৰ হাতত সমৰ্পণ কৰক ; ৰৰ সুন্দৰ হব। সেই সুন্দৰ মিলন মই সিপুৰীৰপৰা চাই আনন্দ লভিম। [নিত্যাই চকু মোহাৰি তলমুৰ কৰে।]

পানীফুকন—মোৰ প্ৰতিজ্ঞা ৰক্ষা কৰিম। নিত্য, তুমি মোৰ ছোৱালীটি গ্ৰহণ কৰি এই মহাবীৰৰ সম্মান ৰক্ষা কৰা।

নিত্য—কি হব ডাঙৰীয়া, মোৰ হিয়া ভাগি গৈছে, তথাপি মই অনুৰোধ ৰক্ষা কৰিম। সত্য কথা কবলৈ গলে, মোৰো আছিল সেই প্ৰবল ইচ্ছা—লীলাৰো সেয়ে।

পানীফুকন—তেন্তে সুন্দৰ কথা।

মনোহৰ—মোৰ তৃপ্তি হ'ল। ব ন্ তী। ব ন্ তী। জ য় জ ন ম ভূ মি—[মৃত্যু]

চিত্ৰ—[ওচৰ চাপি] মনোহৰ। মনোহৰ—

[আটাইবিলাকে বেজাৰৰ চকুপানী টোকে। এনেতে আঁতৰত মোগলৰ জয়ধ্বনি। 'আল্লাহো আকবৰ'। 'আলমগীৰ বাদচা কি ফটে'।]

ৰৰফুকন—[উত্তেজিত হৈ সৈন্যকিটালৈ চাই] গ'ল-গ'ল-গ'ল-মোক ল। নহলে তহঁতৰ জীয়ন নাথাকে। মোক চালপীৰাই সৈতে লৈ বল। নাৱত উটাই দেগৈ। বৈছ কিয়? লৈ বল। পানীফুকন ডাঙৰীয়া! কৰিছে কি ?

[সৈনিককিটাই বৰফুকনক চালপীবাৰে সৈতে দাঙি লৈ যায়। পানীফুকনে মনোহৰৰ শটোৰ মুৰটো চিত্ৰসেনৰ কোলাত দি প্ৰস্থান।]

বুঢ়াগোহাঁই—সৰ্ব্বনাশ—সৰ্ব্বনাশ—চিত্ৰ। তোমালোক থাকা।

[প্ৰস্থান]

[বুঢ়াগোহাঁই আৰু সমুদ্ৰখৰিও বেগেৰে যায়।]

চিত্ৰ—মনোহৰ। মনোহৰ। তুমি সঁচাকৈয়ে মনোহৰ। জন্মভূমিক ৰক্ষা কৰি প্ৰাণ দিলা। নিজৰ আশা আকাঙ্ক্ষা সকলো উটাই দিলা। ধন্য তুমি।

নিত্য—তুমি এনে অসম্ভৱ পুৰস্কাৰ লবলৈ ক'ত শিকিলা?

[চকুপানী টোকে, হঠাৎ ৰণচণ্ডীৰ বেশে বন্তীৰ প্ৰৱেশ
পাছে পাছে, লীলা আৰু সনাতনৰ প্ৰৱেশ।]

বন্তী—নথৰিবা সখী, নথৰিবা মোক নথৰিবা। ধন্য মোৰ স্বামী। [মনোহৰক সাৱটি মাৰি ধৰে।]

চিত্ৰ—আই—আই—বন্তী [কান্দে]

লীলা—সখী অধৈর্য্য নহবা।

বন্তী—[কান্দনৰ সুৰে] অধৈর্য্য কিয় হম। এনে স্বামী আৰু কোনে পাইছে। মোৰ জীৱনে মৰণে মনোহৰ আৰাধ্য দেৱতা, মোক বাধিৰ নোৱাৰা সখী। মোৰ মৃত্যু হৈ আছে। মনোহৰ অবিহনে মোৰ জীৱন নাই। এয়া চোৱা, মই অনন্ত জীৱনৰ অমৃত খালো। [আঁচলৰ আগবন্ধী বিহ উলিয়াই খাই পৰি যায়।]

চিত্ৰ—বন্তী বিহ, বিহ, তহ বিহ খালি!

বন্তী—অ—মৃ—ত। পি—তা। সখী—চা—পি—আ—হা, নি—ত্য

—চা—পি—আ—হা। যো-ব—স্বা—মী—ব—ই—চ্ছা—পূ—র্ণ—হ—ও—ক।

[দুয়ো চাপি আহে, বন্তীয়ে দুয়োবে হাত লগ লগাই দিয়ে।]

তো—মা—লো—ক—ব—ত—ব—গৌ—বী—ব—স—তি—হ—ক।

[পট পবে]

সপ্তম দৃশ্য

[বাম সিংহ আৰু নচবৎ]

বাম—পদে পদে পবাজয়, সৈন্য সামন্ত প্রায় অস্ত্র হবলগীয়া, বচদ-পাতি, অস্ত্রশস্ত্র ভালেখিনি অসমীয়াই হস্তগত কবিলে। মিঞা চাহাব! যুদ্ধ জয় কবাব আৰু আশা নাই। সৈন্যবিলাকক উভতিবলৈ কোৱাটো বোধ কবো যুক্তিহীন হোৱা নাই। একেটা কথাকে মই কেবা বেলিও ভাবিছো। চৈয়দ হাচানক নির্ব্বাসন দণ্ড দিয়া হ'ল। বেচাবা উদাৰপ্রকৃতিব মানুহ, ঘবত কেওকিছু নাই। ফকিব কৈ নির্ব্বিকাব চিত্তে ফুবিবলৈ বেচাবাই ভালকে পালে।

নচবৎ—চৈয়দ হাচানক সেই আপুনি বন্দী কবি থোৱা ছোৱালীজনীক মুক্তি কবি দিয়াব নিমিত্তেই বোধকবো শিবিবৰপবা বিদায় দিয়া হ'ল।

বাম—হয়, এনে উদ্ধত প্রকৃতি যুদ্ধক্ষেত্রব উপযুক্ত নহয়, বেচাবা চৰিপ খাঁৰ মৃত্যুব ঠিক সংবাদ এতিয়াও নাপাই মনটো ভাল লগা নাই। মিঞা চাহাব, আপুনি সৈন্যবিলাকক তথু ভাঙি যাওপা হবলৈ ঠিক হুকুম দি আহিছে তো?

নচৰৎ—সিঁহতে লৰালৰিকৈ তথ্য ভাঙি যাওঁতা হ'লে ঠিক কৰিছে। আমাক ইয়াত লগ ধৰিব।

[ৰঘুনাথ সিংহৰ প্ৰৱেশ]

কি ৰঘুনাথ সিংহ। আপুনি সাৰি আহিল?

ৰঘুনাথ—মই কোনোমতে আহিছোঁ, বাকী যি নমৰাকৈ আছে তেঁহাঁই যাবলৈ অনুমতি দি মই আপোনালোকৰ লগ ধৰিবলৈ আহিছোঁ।

ৰাম—আমাৰ জলযুদ্ধত এনে ঘোৰ পৰাজয় কেনেকৈ হ'ল?

ৰঘুনাথ—আপুনি জানেই, পণ্ডিত ৰাজে কোৱামতে আমি নাৱত অনেক সৈন্য সামন্তৰে সৈতে বহুত ঘোঁৰাও লগত লৈ গৈছিলো। আন্ধাকৰ পোনলৈকে আমাক অসমীয়াই বাধা দিয়া নাছিল। কিন্তু আগদিনা বিকালে আমি ঘোঁৰা তুলিব পৰা বাট দেখি আহিছিলো সেইফালে এটা প্ৰকাণ্ড বালিৰ গড় ৰাতিৰ ভিতৰতে অসমীয়াই তৈয়াৰ কৰিলে। ঢাবিৰ মাজত বালি দিয়াত আমাৰ গুলী কোনোমতে নলৰকিলে। ইফালে আমাক আগবঢ়া দেখি সৈন্য-বিলাকে আগবঢ়া নেদেখি ৰবফুকনে অৰৰ গাৱেই নাৱত উঠিল। তাকে দেখি হাজাৰ হাজাৰ অসমীয়াৰ নাৱে ব্ৰহ্মপুত্ৰ ঢাকি পেলালে আৰু দুই পাৰৰপৰা আমাৰ ওপৰত গুলী ৰৰষিবলৈ ধৰিলে। আমাৰ চৰিশ খাঁ সেনাপতিৰ মূৰত গুলী লাগি নিহত হ'ল। অনেক সৈন্য মৰিল, অনেক বন্দী হ'ল। অসমীয়াই ঘোঁৰা আৰু নাৱকে আদি কৰি সকলো বস্তু হস্তগত কৰিলে। এনে অসম্ভৱ যুদ্ধ, এনে অসম্ভৱ ৰণ-কৌশল ভাৰতৰ আৰু ক'তো দেখা নাই। আমি বেগতে গুচি নগলে অসমীয়াই একেবাৰে ধ্বংস কৰিব। সিঁহতে মানুহৰ কোঠ নাপাম মানে ক্ষান্ত নহয়।

ৰাম—সৈন্যবিলাকক আদেশ দিয়া হৈছে তো?

নচৰৎ—সিঁহতক আমাক ইয়াত লগ ধৰিবহি।

ৰাম—ৰৰফুকনক গোপনে তিনি লাখ টকা দিয়াৰো প্ৰস্তাৱ কৰিছিলো। তাতো দেশভক্ত ৰৰফুকন নটলিল। কলে, জননী জন্মভূমিৰ লগত প্ৰাণ নিবলৈ আগবাঢ়িছো, সামান্য ধনৰ কি মূল্য। ৰৰফুকনৰ কটকী মাধৱচৰণকো অনেক টকা দি ঘুৰাব নোৱাৰিলো। অসমীয়াৰ ভিতৰত যেতিয়াকৈ এনে বীৰ, এনে স্বদেশ প্ৰেমিক থাকিব. তেতিয়ালৈকে অসমীয়াৰ স্বাধীনতা নেহেৰায়।

নচৰৎ—মহাৰাজ অসমীয়াই সঁচাকৈয়ে যাদুও জানে হবলা।

ৰাম—যাদু জানে নাজানে কব নোৱাৰো কিন্তু অসমীয়াবিলাক বিচক্ষণ যোদ্ধা, মই ভাৰতৰ অনেক ঠাইত ফুৰিলো। এনে বিচক্ষণ যোদ্ধা ক'তো দেখা নাপালো। একেটা মানুহেই প্ৰত্যেক অস্ত্ৰকে চলাব জানে। আৱশ্যক হলে মাটি খান্দি গড় বান্ধিব পাৰে, নাৱ মাৰিব পাৰে, পৰ্ব্বত বগাব পাৰে। প্ৰত্যেকটো সেনাপতিয়েই বিশ্বাসঘাতকতা কাক বোলে নাজানে। এই অসমীয়া সেনাৰ দলপতি স্বদেশ প্ৰেমিক নিৰ্ভীক ত্যাগী বিচক্ষণ যোদ্ধা আৰু বিচক্ষণ নায়ক লাচিত ৰৰফুকন। ৰৰ ভাগ্য মিঞা চাহাব, এনে বীৰৰ লগত সাক্ষাত হ'ল।

নচৰৎ—নিশ্চয় মহাৰাজ। তাহাঁত একেবাৰে গোৱাৰ, যুদ্ধ কৰিবলৈ আহিছে মাত্ৰ যুদ্ধ জানে। ৰং-তামচা একো নাই। আমাৰ সৈন্যৰ স্ফূৰ্ত্তি নহলে নচলেই।

ৰঘুনাথ—আমাৰ সৈন্যবিলাক আহিছে। [নেপথ্যত সৈন্যৰ গীত]

[কিৰাত সিংহ, বাইৰাম দেও, খালেক, পৃথ্বী সিং আৰু অন্যান্য সৈন্যবিলাকৰ শাৰী পাতি প্ৰৱেশ।]

[গীত]

বিশ্ব বিজয়ী হিন্দুস্থান,
বিশ্ব বিজয়ী হিন্দুস্থান।

বিশ্ব বিজয়ী গোৱাহাটী গান.
বিশ্ব বিজয়ী হিন্দুস্থান।

ৰাম—সৈন্যসকল। গান বন্ধ কৰা [তথা কৰণ] মনত ৰাখিবা তোমালোকৰ জয় নহয়, পৰাজয়। পৰাজয়ৰ কলঙ্ক শিৰতলৈ দিল্লীশ্বৰ ঔৰঙ্গজেবৰ লগা হৈছে। ভাৰতৰ পূবৰ এই শৰাইঘাট ক্ষেত্ৰ মোগল আৰু ৰাজপুতৰ গৌৰৱৰ শ্মশানক্ষেত্ৰত পৰিণত হৈছে।

[পট পৰে]

অষ্টম দৃশ্য

[নৈৰ দাঁতিৰ ফাৰি, মনোহৰ আৰু বন্তীৰ মৰিশালি।
চৈয়দ হাচান ফকিৰ বেশে অকলে।]

চৈয়দ—[স্বগতঃ] হে খোদা, তুমি বিচিত্ৰ সংসাৰ সৃজন কৰিছা। মূৰ্খ মানুহে তাক ধ্বংস কৰিছে। কি বিচিত্ৰ প্ৰেম, কি বিচিত্ৰ মৃত্যু! ধন্য! বন্তী; ধন্য মনোহৰ! ই কবৰখানা নহয়, ই তীৰ্থস্থান, ই প্ৰেমৰ পৱিত্ৰ আশ্ৰয় স্থান। ইয়াৰপৰা প্ৰেমিকক কোনো ৰজা, মহাৰজা, পাটচা, চুলতানে আঁতৰাই নিব নোৱাৰে। তোমালোকৰ মুক্তিৰ লগে লগে মোৰো মুক্তি।

[লীলা, নিত্যনাৰায়ণ আৰু অন্ধৰ প্ৰৱেশ, অন্ধক লীলাই হাতত ধৰি আনে। হাচানে এফালীয়া হৈ চাই থাকে।]

[অন্ধৰ গীত]

অন্ধ জনৰ বন্ধ প্ৰাণত
মায়াৰ কিয় মদিৰা,

(তোমাৰ) নয়ন মণি গ'ল যে খতি
জগত কিয় বিচৰা।
বুকুভৰা কৰুণ বাগি,
ঘুৰি ঘুৰি ঘুৰো মাগি,
তেওঁ যে মুঠে পৰাণ জাগি
মায়াৰ বয় নিজৰা,
পোহৰ দিয়া, পোহৰ দিয়া,
আন্ধাৰ হিয়াৰ ঠেলি নিয়া,
পাতল কৰি গধুৰ হিয়া
মেলা প্ৰাণৰ সঁফুৰা।

লীলা—এয়ে পবিত্ৰ স্থান। ইয়াত বন্তী আৰু মনোহৰে অনন্ত কাললৈ মিলন গৰিমা ঘোষণা কৰি থাকিব।

অন্ধ—[কান্দনৰ সুৰে] মনোহৰ! মনোহৰ! মোৰ একমাত্ৰ সম্বল সিও গুচি গ'ল। ম'ক—বেজাৰ নাই। এই দীন হীন অন্ধৰ যে মনোহৰ পুত্ৰ সিও গৌৰৱৰ বিষয়। যি জন্মভূমিৰ লগত আজীৱন যুদ্ধক্ষেত্ৰত কটালো, যি জন্মভূমিৰ লগত অন্ধ হলো সেই জন্মভূমিৰ সেৱকৰ উপযুক্ত পুত্ৰ মনোহৰ। মোৰ বেজাৰ নাই—নাই—বন্তী মোৰ আই! তোৰ নাম বন্তী জলাদি অলি থাকিব।

[হঠাত চৈয়দ হাচান ওচৰলৈ আহে]

হাচান—মোক চিনি পাইছে নে?

অন্ধ—কোন?

হাচান—শৰাইঘাটৰ প্ৰান্তত আপোনাক আৰু আপোনাৰ পুতেক মনোহৰক যাৰ আদেশত বন্দী কৰা হৈছিল সেই চৈয়দ হাচানেই মই।

অন্ধ—মোক আপুনি বন্দী কৰিছিল আৰু চিত্ৰসেনে উদ্ধাৰ কৰিছিল।

হাচান—হয়, ইটাখুলিৰ যুদ্ধৰ পিছত মোক ধৰিও আপুনি বন্দী কৰিছিল মনত আছে।

অন্ধ—মই আজিলৈকে কাকো বন্দী কৰা নাই। আপুনি চৈয়দ হাচান হয় যদি আপোনাক মই বন্দী কৰা নাছিলো। ইচ্ছা কৰিয়েই বন্দী নকৰিলো।

হাচান—আপুনি ইচ্ছা কৰা হলে চৈয়দ ফিকত, চৈয়দ চানাৰ দৰে মই মুক্তি লাভ কৰিলোহেঁতেন।

নিত্য—আপুনি কি কথা কৈছে? তেওঁবিলাকৰ গড়গাঁৱঁত প্ৰাণ-দণ্ড কৰা হ'ল।

হাচান—মোকো তাকে কৰা হলে এই সংসাৰৰপৰা কেভিয়াবাই মুক্তি লাভ কৰিলোহেঁতেন।

অন্ধ—আপুনি সেই মুক্তিৰ কথা কৈছে। সংসাৰলৈ আপোনাৰই মান স্পৃহা নাই কিয়?

হাচান—য'ত মানুহে স্বাৰ্থৰ বাবে খোদাৰ বিনন্দীয়া সংসাৰ ধ্বংস কৰে তাত সুখ নাই।

নিত্য—আপুনি সেই কাৰণেই ফকিৰ হ'ল নে কি?

হাচান—মনোহৰ আৰু বন্তীক মুক্তি দিয়াৰ নিমিত্তে বৰ সেনাপতি বাম সিংহই মোক শিবিৰৰ উপযুক্ত নহয় বুলি খেদাই দি মুক্তি দিলে। সেই মুক্তি নোপোৱা হলে আজি বন্তী-মনোহৰৰ তীৰ্থত এইদৰে লগ পোৱা নহলহেঁতেন।

[চিত্ৰসেনৰ প্ৰবেশ]

চিত্ৰ—এই তীৰ্থৰ যাত্ৰী মহো এটা। মোৰ বন্তীৰ উপযুক্ত সন্মান দেখুৱাইছে বীৰসকল। আপোনালোকৰ মহত্ব ধন্য।

অন্ধ—চিত্র! দেহি মোব ল'বাব লগত তুমি একমাত্র কন্যা হেকৰাই কষ্ট পাইছা। কি কবিবা ঈশ্বৰব ইচ্ছা।

চিত্র—দুখ পোৱা নাই, আনন্দ পাইছো। বন্ধী মোব উপযুক্ত কন্যা।

হাচান—বন্ধু, মহাৰাজে মোক অনুগ্রহ কবি মুক্তি দিলে, মোক শিবিৰব পৰা সিৰ্ব্বাসিত কবিলে।

চিত্র—কিন্তু চিএসেনৰ বৃক্ষৰপৰা কোনেও নিৰ্ব্বাসিত কবিব নোৱাবে।

হাচান—ধন্য তোমাৰ মহত্ব।

[ৰঘুবনৰ প্ৰৱেশ]

ৰঘুকুল—মই ভাবিছিলো, মন মনে মনোহৰব শেষ শয়নৰ ঠাই ঘাই আহো, ইয়াত সকলো আছে। থকাৰ উপযুক্ত ঠাই। পবিত্র শবাইঘাট য'ত মাতৃভূমিৰ ৰক্ষাৰ নিমিত্তে সহস্র সহস্র অসমীয়াই বুকুৰ তেজ ঢালিবলৈ পাছ হোহোকা নাই, য'ত মনোহৰব নিচিনা স্বামী আৰু বন্ধীৰ নিচিনা পত্নীৰ এৰা-এৰি হৈছে। ধন্য শবাইঘাট। এই শবাইঘাটৰ স্মৃতিয়ে ভবিষ্যত অসমীয়াক অনুপ্রাণিত কবিব। সিইঁতে হীন অবস্থা পালেও শবাইঘাটলৈ চাই দুধাৰি চকুপানী টুকিব। এই শবাইঘাটৰ স্মৃতিৰ অনুপ্রেৰণাই সিইঁতক কেতিয়াবা আকৌ মানুহ কবিব। মানুহ হৈ সিহঁতে দেশৰ নিমিত্তে প্রাণ পর্য্যন্ত দিবলৈ আগবাঢ়িব। আপোনালোকে ইমান বেজাৰ কবি থাকিলে কি হব? ওঘাহাটীলৈ চলক। ইতিমধ্যে আমাৰ সৈন্যদলে মানাহা পর্য্যন্ত দেশ দখল কবি উত্ততি আহিব। [চৈয়দক দেখি] আপুনি কোন?

হাচান—মই মুছলমান। ভয় নাখাব। মুছলমান যদিও চোৰাংচোৰা কিংবা আন উদ্দেশ্যেৰে অহা মানুহ নহওঁ। সামান্য তীর্থযাত্রী মাত্র, বিশ্বাস কবক।

লাচিত—বিশ্বাস নকবিবৰ কোনো কাৰণ নাই। ভণ্ড হলেও ফকিৰ যেতিয়া ফকিৰ বুলি গ্রহণ কবিছো। কাৰণ চোৰাংচোৰালৈ বা আন

অভিপ্রায়ৰ মানুহ হৈ আমাৰ বিশেষ একো অপকাৰ কৰিব নোৱাৰে। কাৰণ সিমান ভয় কৰা হলে আমি জয়ী হব নোৱাৰিলোঁহেঁতেন। হিন্দু ফকিৰ যেনে মুছলমান ফকিৰো তেনে নিবাহ বুলি ধৰি লব পাৰো।

চৈয়দ—হিন্দু আৰু মুছলমান একেজন ঈশ্বৰৰে সৃষ্টিত। মানুহৰ মাজত মাত্ৰ পাৰ্থক্য। ঈশ্বৰ সিমান ঠেক নহয়। আপুনি বীৰ। বীৰৰ উপযুক্ত কথা কৈছে।

লাচিত—আপোনাৰ নাম কি?

হাচান—মোৰ নাম চৈয়দ হাচান।

লাচিত—আপুনি চৈয়দ হাচান, আপোনাৰ নিৰ্ব্বাসন পৰ্য্যন্ত সকলো কথা শুনিলো। হিন্দু বুলি আমাক ঘিণ নকৰিব।

হাচান—হিন্দু আৰু মুছলমান ক্ৰমে একত্ৰ পাশেৰে বদ্ধ হৈ আহিছে। এনে এদিন আহিব যিদিনা হিন্দু আৰু মুছলমান দুবুলি মানুহে এই দেশৰ সকলো মানুহক এটা মাত্ৰ জাতি বুলি ভাবিবলৈ বাধ্য হব। তেতিয়া হিন্দু আৰু মুছলমান দুয়ো গোট খাই হব ভাৰতবাসী।

লাচিত—ঠিক কথা বীৰ। এনে এদিন আহিব যিদিনা হিন্দু-মুছলমান নিৰ্ব্বিশেষে সকলো অসমীয়াই নিজৰ জাতীয় গৌৰৱ ৰক্ষা কৰিবলৈ হয়তো এই শবাইঘাটতে গোট খাব।

যৱনিকা পতন